
# বিশ্বজ্যোতি



সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ
৪৯৮ তম কেন্দ্ৰীয় চিলাৰায় দিৱস উদ্‌যাপন উপলক্ষে প্ৰকাশিত

**স্মৰণিকা**

সম্পাদক ঃ হেমন্ত তালুকদাৰ

OKDISCD



অভ্যৰ্থনা সমিতি



তামুলপুৰ আঞ্চলিক আক্ৰাছুৰ মূল সমিতি।

স্মৃতিগ্ৰন্থ

# বিশ্বজ্যোতি



*সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা উদ্যোগত অনুষ্ঠিত ৪৯৮ তম্ বিশ্ববীৰ চিলাৰায় দিৱস উদ্‌যাপন*

**স্থান ঃ শুক্লধ্বজ ক্ষেত্ৰ তামুলপুৰ**

**২১ আঁৰু ২২ ফেব্ৰুৱাৰী ২০০৮ ইং**

সম্পাদক ঃ হেমন্ত তালুকদাৰ

শ্ৰদ্ধা আৰু প্ৰীতি শুভেচ্ছাৰে...

শ্ৰী..............................................................

.............................................. লৈ অৰ্পন কৰিলোঁ।

সম্পাদক

OKDISCD

**Biswajyoti**
A Sovenir Published on the occasion of 498Th "Kendriya Silaray Divas" AKRSU, organised by Nalbari Dist Ciommittee & Tamulpur Anchalik Committee AKRSU, committee, Edited by Sri Hemanta Talukdar & printed at Daya Printers, Rangia. Rs. - 20/-

## সম্পদনা সমিতি

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | শ্ৰীমাধৱ দাস |
| | | শ্ৰীগোপাল বৰা |
| তত্বাবধায়ক | ঃ | শ্ৰীহৰিনাৰায়ণ দাস |
| সম্পাদক | ঃ | হেমন্ত তালুকদাৰ |
| সদস্য বৃন্দ | ঃ | পংকজ দাস |
| | | তীৰ্থৰঞ্জন মহন্ত |
| | | হিমাংশু মহন্ত |
| প্ৰকাশক | ঃ | অধিৱেশন পৰিচালনা সমিতি |
| বেটুপাতৰ পৰিকল্পনা | ঃ | সম্পাদক |
| পৰিকল্পনৰা অংগ সজ্জা | ঃ | বিতোপন, অনিল, ৰাজ |
| অলংকৰণ | ঃ | সম্পাদনা সমিতি |
| ছপা | ঃ | দয়া এন্টাৰপ্ৰাইজ, ৰঙিয়া। |
| | | ফোন নং - ০৩৬২১-২৪০১১৯ |



OKDISCD

# উছৰ্গা

কোচ ৰাজবংশী জনগোষ্ঠীৰ নিজস্ব অধিকাৰ আৰু প্ৰাপ্যৰ হকে মাত মাটি অকালতে যি সকলে বুকুৰ কেচা তেজ জনজনীৰ পূজাৰ অৰ্থে দান দি উত্তৰ পুৰুষৰ কল্যাণৰ হকে মাত মাতি গ'ল সেই সকল জ্ঞাত অজ্ঞাত পবিত্ৰ শ্বহীদৰ স্মৃতিত এই স্মৰণিকাখনি উছৰ্গা কৰা হ'ল।

*— সম্পাদনা সমিতি*

"জয় শুক্লধ্বজ ৰায়"

সদৌ কোচ ৰাজবংশী ছাত্ৰসন্থা

ALL KOCH RAJBONGSHI ATUDENTS' UNION CENTRAL COMMITTEE

মূখ্য কাৰ্য্যলয় বঙাইগাঁও

H.O. - BONGAIGAON (KAMATAPUR) 783380





# শুভেচ্ছাবাণী

উত্তৰ ভাৰতৰ ঐতিহ্যমণ্ডিত আৰু গৌৰৱ উজ্বল ইতিহাসৰ স্বাস্থ্যৰ বহন কাৰী আৰু গৌৰৱৰ অধিকাৰী আছিল নৰনাৰায়ণ আৰু বিশ্ব মহাবীৰ চিলাৰায়। এইটো সৰ্বজন বিদিত যে অসমীয়া ভাষা সংস্কৃতি কোচ ৰাজবংশী সকলৰ ৰাজত্ব আৰু ভাষা সাহিত্য-সংস্কৃতি অবিহনে কেতিয়াও গঢ়লৈ উঠিব নোৱাৰিলেহেতেন। কাৰণ অসমীয়া সাহিত্যৰ গুৰি ধৰোতা শ্ৰীমন্ত শংকৰদেৱে আহোম ৰাজত্বৰ সমাদৰ নেপাই ঐতিহাসিক কমতাপুৰত প্ৰৱেশ কৰি মহান বীৰ নৰনাৰায়ণ চিলাৰায়ৰ পৃষ্ঠ পোষকতা লাভ কৰি ভাষা সাহিত্য চৰ্চা তথা অধ্যয়ণৰ সুবিধা পাইছিল, যত কোচ ৰাজবংশী ভাষাইহে ব্ৰজৱলী ভাষাত প্ৰাধান্য লাভ কৰিছিল। কিন্তু আজি বছৰ বছৰ ৰাজনৈতিক বিবৰ্তন, জতিল যুগসন্ধি আৰু কিছুমান কোচ ৰাজবংশী বিদ্বেষীৰ কুটিল ষড়যন্ত্ৰত কোচ ৰাজবংশীৰ ভাষা, সাহিত্য-সংস্কৃতি আৰু অস্থিত্ব নাইকীয়া হ'ব ধৰিছে। কিন্তু মহান বীৰ দুগৰাকীয়ে যিটো জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰিছে সেই জাতিৰ ভাষা, সাহিত্য-সংস্কৃতি কেতিয়াও নিঃশেষ হ'ব নোৱাৰে। অৱশ্যে আমি নিষ্ঠা সহকাৰে মহান বীৰ দুগৰাকীৰ আদৰ্শক জীয়াই ৰাখিবলৈ আন্তৰিকতাৰে অবিৰত প্ৰচেষ্টা চলাব লাগিব।

"হে বিশ্বমহাবীৰ চিলাৰায়; তোমাৰ উদীপ্ত উদ্যমে যেন আজি শ শ বছৰ পিছতো এই



নিঠৰুৱা বিনিন্দ্ৰ, বিমৰ্ষ-বিমূঢ় বংশধৰ সকলক অকনমান জাতীয় চেতনাবোধ, আত্মবিশ্বাসী, পৰাক্ৰমী, জ্ঞানী হোৱাৰ বাবে সৎ ইচ্ছা আৰু স্বাধীন বাবে জীয়াই থকাৰ প্ৰেৰণা আগবঢ়ায়"। তোমাৰ নামত পূজা, অৰ্ঘ্য দিবলৈ আমি চিৰদিন তোমাৰ আদৰ্শৰেই জীয়াই থাকিব লাগিব। তোমাৰ ৪৯৮ তম জন্ম দিনটোক আমি শ্ৰদ্ধাৰে সুৱৰিছোঁ।

বিশ্বমহাবীৰ চিলাৰায়ৰ ৪৯৮ তম দিবসটিৰ লগত সংগতি ৰাখি উদযাপন সমিতিয়ে এখন "স্মৃতিগ্ৰন্থ" প্ৰকাশ কৰিব বুলি জানি অতি আনন্দিত হৈছোঁ। স্মৃতি গ্ৰন্থখনত বিশ্বমহাবীৰ চিলাৰায়ৰ বীৰত্ব, সাহিত্য প্ৰতিভা আলোকপাত কৰাৰ লগতে কোচ ৰাজবংশীৰ ভাষা, সাহিত্য সংস্কৃতি আৰু স্থানীয় সাহিত্য সংস্কৃতিৰ সকলো দিশ প্ৰতিফলিত হ'ব বুলি আশা কৰিছো।

চিলাৰায় দিবসৰ উদ্যেক্তা সকললৈ আমাৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে সফলতা কামনা কৰিলো।

*শুভেচ্ছাৰে.........*

"জয় শুক্ল ধ্বজ ৰাই"

"জয়তু কমতাপুৰবাসী"

**বিশ্বজিৎ ৰায়**
*সভাপতি*

**প্ৰদীপ ৰায়**
*সাধাৰণ সম্পাদক*

সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)



OKDISCD

পি, চি, গোহাঁই
উপায়ুক্ত, বাক্সা জিলা



# শুভেচ্ছাবাণী

নলবাৰী আৰু বাক্সা জিলাত সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত কেন্দ্ৰীয় ভাবে তামুলপুৰৰ শুক্লধবজ ক্ষেত্ৰত ৪৯৮ তম্ “বিশ্ব মহাবীৰ চিলাৰায়” এই পবিত্ৰ দিৱস উদ্‌যাপন আয়োজন কৰাৰ কথা জানিবলৈ পাই নথৈ আনন্দিত হৈছো। ইতিহাস প্ৰসিদ্ধ এই মহান বীৰ জনাক যাক “কাইট কিং” বুলিও খ্যাত তেওঁক স্মৰণ কৰিবলৈ পাই অসীম গৌৰৱান্বিত হৈছো, আৰু আশা ৰাখিছো পৰৱৰ্ত্তী কালত তেনে এজন অসাধাৰণ সাহসী নিপুন যোদ্ধা আমাৰ মাজত পুনৰ আবিৰ্ভাব হ’ব। এই ষষ্টদশ শতিকাৰ প্ৰসিদ্ধবীৰ সেনাধক্ষ জনাৰ নাম ইতিহাসত চিৰযুগমীয়া হওক আৰু তেখেতে আগবঢ়োৱা অতুলনীয় ৰণ কৌশলৰ দ্বাৰা আমি সকলো অনুপ্ৰাণিত হ’ব পাৰো। এই মোৰ একান্ত কামনা। এই বাণী ফাকি আগবঢ়াবলৈ অনুৰোধ কৰাৰ বাবে সন্থাক কৃতজ্ঞতা জনালোঁ।



Chandi Basumatary
Member,
Assam Legislative Assembly
No. 58-Tamulpur, L.A.C

0361 - 2260582(0)
03624 - 28736 (R)



# Message

*I am glad to know that the 498th Chilarai Divas Celebration and a colorful Souvenir is to be published to commemorate the grand occasion. I belief that the celebration will be able to its intended message of peace, unity and prosperity among all the communities.*

*I will success of the Vir Chilirai Divas and my heartiest greeting to all the member's of AKRSU.*

(Chandi Basumatary)



OKDISCD

# জাতিৰ জ্যোতি

(চিলাৰায় বন্দনা)

হে! জাতিৰ জ্যোতি!
হাৰিয়া মেচ,ওৰফে
দেবাদিদেৰ মহাদেৰৰ নাতি
কোচৰজা নৰনাৰায়নৰ ভাতৃ
তুমি বীৰ চিলাৰায়।
'ওহো'–
বিশ্ব মহাবীৰ তুমি বীৰৰ খিয়াতি।।
পৃথিবীৰ বুৰঞ্জীয়ে বিচৰা,
বীৰৰ সভাত তুমি সৰ্ব্বশ্ৰেষ্ঠ বীৰ,
এয়া জানো, মোৰ কথা ?
'ওহো'–
টয়নবী সম্পাদিত "এনচাইক্লোপোদিয়া ব্ৰিটেন্নিকা'ৰ
দ্বাদশ খণ্ডৰ কথা,–
এৱেঁই বীৰ সেনাপতি শুক্লধ্বজ;
যি-জনাই জানিছিল বীৰৰ মোল,
পৰম্পৰাৰ ধাৰাত,বৃহত্তৰ 'কমতা' গঢ়িবলে,
ইখনৰ পিছত সিখন ৰাজ্য ললেও,
আলেকজেণ্ডাৰ,চুলতান মামুদ নইবা
টাইমুৰ, নেপোলিয়ানৰ দৰে,
নকৰিছিল নাৰীবধ,শিশুহত্যা,ব্ৰহ্মবধ,
আৰু নিৰ্দ্দোষ শত্ৰুসৈন্যৰ বধ;
লালায়িত নহৈছিল অকাৰণত বোৱাবলৈ'
নিৰাপৰাধীৰ তেজৰ ধল।
হে; বিশ্বমহাবীৰ;
তুমি জাতিৰ জ্যোতি;
তোমালৈ আমাৰ হেজাৰ প্ৰণতি।।

তুমি চাইছিলা,ৰকেটযুগৰ 'ভাৰতবৰ্ষ'ৰ দৰে,
ক্ষুদ্ৰ জাতিপুঞ্জ মিলি বৃহত্তৰ 'কমতা' গঢ়িবলে
সেযে আছিল তোমাৰ দিগ্বিজয়,
তুমি সেয়ে কোঁচ জাতিৰ ভোটাতৰা
তুমি জাতিৰ জ্যোতি,
তোমালৈ আমাৰ হেজাৰ পণতি।।
হে! বিশ্বমহাবীৰ!
তুমি "মা-দুৰ্গা"ৰ নাতি,
সেয়ে গৌড়ৰ নবাবে চক্ৰান্তৰ কাৰচাজিৰে,
বন্দী কৰি নোৱাৰিলে ৰাখিব,
সৰ্পদংশনত মুমুৰ্ষু হ'ল গৌড়ৰ নবাব মাতৃ
অকল হৰ-গোৰীৰ নাতিয়েহে ৰাখিবপাৰিলে প্ৰাণ।
আৰু গৌড় দখলেৰে ৰাখিলে বীৰৰ মান।
হে! বিশ্বমহা বীৰ।
কিম্বদন্তী মতে,কূটিল প্ৰৰোচনাত
বধিব খুজিছিলা যদিও মহাৰাজ নৰনাৰায়ন
'মা-দুৰ্গা'ৰ সকিয়নিত ভ্ৰাতৃৰ চৰণত ল'লা যে শৰন
উদ্ভাষিত হ'ল আৰু এক প্ৰচণ্ড জ্যোতি,
জ্যোতিৰ্ম্ময় হ'ল ভ্ৰাতৃস্নেহৰ অমোঘ বন্ধন।
হে! জাতিৰ জ্যোতি।
তোমাক জনাও হেজাৰ প্ৰণতি
তুমি কোঁচ তথা বৰ্ত্তমান ভাৰতৰ অমৰকীৰ্ত্তি।

শ্ৰীনৰকান্ত দাস
তামুলপুৰ

OKDISCD

স্মৃতি গ্ৰন্থৰ

# সম্পাদকীয়



"যি জাতিৰ কৃষ্টি নাই-সংস্কৃতি নাই, যি জাতিৰ বুৰঞ্জী নাই, যি জাতিৰ সাহিত্য নাই, সেই জাতি জীৱন্ততে মৰা"- এইষাৰ কথা অসমীয়া সাহিত্যৰ পুৰোধা ব্যক্তি ৰসৰাস লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ সাহিত্য সভাৰ অভিভাষণত কৈছিল, বাৰে ৰহণীয়া জাতি উপজাতিৰে সমাহাৰিত আজিৰ অসমৰ ভৌগোলিক, সামাজিক, সাংস্কৃতিক জীৱনৰ যি পৰিকাঠামোৰ সৃষ্টি হ'ল সেইটি প্ৰেক্ষাপটত অসমীয়া জাতীয় জীৱন বুলিবলৈ যে কোনো সুকীয়া পৰিচয় নাই সেই কথা ধ্ৰূৰূপ, ইটো আৰু সিটো লগ হৈ মূলটি হৈছেগৈ, পিছে কি সাহিত্য, কি সংস্কৃতি, কি সমাজ এই সকলো স্তৰতেই যে নিজকে অসমীয়া বুলি জহাই এই বৰ জাতিটোৰ অন্তৰ্গত ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠী সমূহক মৰাসূতি বুলি অস্পৃশ্য জ্ঞান কৰি দলনিত পোনা মেলিলে সিয়ে অসমীয়া বোলা ভাষাটোত বৰ ভুইকপৰ সৃষ্টি কৰিলে। আজি অসমীয়া কোন তাকে বিচাৰি ৰাজনীতি বিদ, সাহিত্য সভা,চৰকাৰ, ছাত্ৰ সংগঠন সকলোৱে দিগ্- বিদিগ্ হেৰুৱাব লগা হৈছে। জাতিগোষ্ঠীৰ স্বীকৃতি দিবলৈ টান পোৱা অসমীয়াৰ নামত ঠিকা লোৱা এক শ্ৰেণীৰ বুদ্ধি জীৱিৰ বাবেই যে আজি ৰাজ্যৰ পৰা, ভাষাৰ পৰা, সংস্কৃতিৰ পৰা সকলোবোৰৰ পৃথিকীকৰণ আৰম্ভ হৈছে সেই কথা কোনে লুকুৱাব পাৰে। আজিৰ অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটলৈ মন্ কৰিলেই আমি এই কথাৰ জীৱন্ত প্ৰমাণ পাওঁ । ভাৰতীয় সংবিধান প্ৰদত্ত নিজস্ব অধিকাৰ বিচাৰি খেনোৱে উগ্ৰবাদৰ আশ্ৰয় লৈ হলেও নিজৰ সাংস্কৃতিক সামাজিক পৰিচয়ৰ স্বাৰ্থত আন্দোলন কৰিব লগা হৈছিল। প্ৰতিটো জনগোষ্ঠীয়ে আজি ভাবিবলৈ লৈছে যে অসমীয়া বুলি সাৰটি লৈ থাকিলে থকাখিনিও হেৰুৱাব লাগিবগৈ। এই বদ্ধমূল (?) ধাৰণাৰ উপশম ঘটাবলৈ দায়বদ্ধতা কোনে গ্ৰহণ কৰিছে ? কথাষাৰ অতি চিন্তনীয়। প্ৰত্যেক জনগোষ্ঠীয়ে ক'ব লাগিছে আমি অসমীয়া নহয়- আমি অমূক, আমি তমূক আমি.... ইত্যাদি। অৱশ্যে এই ধাৰণা সৃষ্টিৰ কাৰণ বোৰো অমূলক নহয়। কিয়নো বেমাৰৰ লক্ষণ চাই ঔষধ দিয়াতকৈ তাৰ পুংখানুপুংখ অধ্যয়নেৰে বিধি বিধান দিলে অধিক ফল প্ৰসূতা লাভ হয় কিন্তু যন্ত্ৰ সদৃশ দেশৰ কাণ্ডাৰী সকলে প্ৰায় ক্ষেত্ৰতে ভণ্ডামীৰ আশ্ৰয় লোৱাৰ বাবেই আজি বৰ অসমৰ আৰু অসমীয়াৰ এই অৱস্থা। সুদূৰ ঐতিহ্য আৰু পৰম্পৰা,



সু-সংস্কৃতিবান ভাষা সংস্কৃতিৰ বাহক অসমীয়া বৃহত্তৰ জাতি গঠনত যেনেকৈ প্ৰতিটো জনগোষ্ঠীৰে অৱদান অনস্বীকাৰ্য সেই অনুকূলে সেই সেই জনগোষ্ঠীৰ কাণ্ডাৰী সকলক মূল্যায়ণ কৰি যথোপযুক্ত স্থান দিলে আজিৰ এই অৱস্থাৰ সৃষ্টি নহ'লহেতেন বুলিব পাৰি। অসমত আজি বড়ো, কোচ, ৰাজবংশী, কাৰ্বি, ডিমাছা, আহোম, মৰাণ, মটক আদি জনগোষ্ঠীবোৰে সুকীয়া শাসন বিচৰাৰ দৰে সুদূৰ সময়ৰে পৰা কোচ ৰাজবংশী সকলে নিজস্ব ৰাজনৈতিক অধিকাৰ "জনজাতিকৰণক" লৈ আন্দোলন কৰি আহিছে। চৰকাৰৰ জটিল সিদ্ধান্তই বিভ্ৰান্ত কৰা এই জনগোষ্ঠীটোৱে আজি পৃথক ৰাজ্য গঠনৰ দাবী কৰিবলৈ লাগিছে। কোনে কব পাৰে কাইলৈ দেশীয় সংবিধানৰ তলত আমি নাথাকো, আমাক স্বাধীন 'কমতালেণ্ড' লাগে বুলি জংগী আন্দোলন নকৰিব বুলি ? সেয়ে সময় থাকোতে দেশৰ কাণ্ডাৰী সকলে চিন্তা আৰু চেতনাৰে, (আবেগেৰে নহয়) গোষ্ঠীয় চিন্তা সত্বাক গুৰুত্ব দিব লাগে নহলে অৱশিষ্ট খিনি উচ্ছিষ্ট হৈ পৰিবগৈ। দেশৰ সংবিধানে স্বীকৃতি দিয়া অধিকাৰক লৈ যদি বেকাপথ লব লগীয়া হয়- তেন্তে হে ! ৰাজনীতিবিদ, বুদ্ধিজীৱি, সাহিত্য সেবী, শাসন কৰ্তা......, আপোনালোকৰ সামগ্ৰিক জীৱন ধীক্কাৰ পাবৰ যোগ্য, "ফাট মেলা আই পাতালে লুকাও"! কিমঅধিকম ঃ

নামাকৰণ বিষয়ক—

কোচ ৰাজবংশীৰ শৌৰ্য বীৰ্য্য সাহসৰ প্ৰতীক যিজনা জাতিৰ জ্যেতিয়ে যোগ্যজনক যোগ্য স্থান দিব পাৰিছিল যিজনাৰ ছত্ৰ ছায়াত থাকি অসমীয়া জাতি, ভাষা সংস্কৃতিৰ কাণ্ডাৰী মহাপুৰুষ শংকৰদেৱে সাহিত্য সাধানা কৰিছিল, যি জনা যুঁজাৰু পৰমবীৰে বিশ্বৰ তিনিগৰাকী মহাযোদ্ধাৰ শাৰীত নাম লিখিব পাৰিছিল, যি জনাই আজি আমাক আমাৰ পৰিচয় দিবলৈ জাতীয় শ্ৰী প্ৰদান কৰিছে, যি জনাৰ কৃপাতে আমি নিজক ৰাজবংশী বুলি অহংকাৰ কৰিবৰ থল আছে সেইজনা মহান পুৰুষৰ গুন-গৰিমাত, মহিমামণ্ডিত হৈ প্ৰসিদ্ধ বুৰঞ্জীবিদ আৰ্নল্ড টয়নবীয়ে "বিশ্বকোষ" গ্ৰন্থত চিলাৰায়ক বিশ্বজ্যেতি আখ্যা দিছে। সেই বিশ্বৰ জ্যোতিৰ জ্যোতিয়ে আমাৰ এই নিঃকীয় নিশকটীয়া ৰাজবংশৰ বংশধৰ সকলৰ তেজ চিন্তা আদৰ্শ ভাৱনাক উজ্বলাই জননীৰ সেৱাত ব্ৰতী কৰক।

পুনশ্চ ঃ পূৰ্বে প্ৰকাশিত কেতবোৰ বিষয় গোষ্ঠীয় স্বাৰ্থৰ খাতিৰত পুণৰ প্ৰকাশ কৰা হৈছে।

অজ্ঞতাৰ বাবে - সুধীজনৰ পৰামৰ্শ আৰু আশীষ বিচাৰি—।

(হেমন্ত তালুকদাৰ)



OKDISCD

# সূচীপত্ৰ


| | | |
|---|---|---|
| ১। | ৰাজবংশী ভাষাৰ উদ্ভৱ গঠন আৰু বিকাশ, ড° দ্বিজেন্দ্ৰ নাথ ভকত | ১ |
| ২। | কোচৰ ইতিহাস কল্লিল, বিমল কুমাৰ বৰ্মন | ১৭ |
| ৩। | অসমৰ জনগোষ্ঠীয় সমস্যা আৰু স্বায়ত্ব শাসন, আনন্দ ৰাজবংশী | ২২ |
| ৪। | কোচ ৰাজবংশী জনগোষ্ঠী সাজপাৰ আৰু আ-অলংকাৰ, ৰমলা ৰায় চৰকাৰ | ২৬ |
| ৫। | জনজাতীয় অনুসূচী আৰু অসমৰ কোচ ৰাজবংশী সকল, ড° অতুল তালুকদাৰ | ৩১ |
| ৬। | কোচ সকলৰ চমু আতিগুৰি, অৰুন দাস | ৩৫ |
| ৭। | কোচ ৰাজবংশী, এটি চমু সমীক্ষা, নৰহৰি মহন্ত | ৩৮ |
| ৮। | বিশ্ব মহাবীৰ চিলাৰায়ৰ বংশ পৰিচয়, হৰিনাৰায়ন দাস | ৪২ |
| ৯। | তামুলপুৰৰ ঐতিহ্য "সত্ৰ পুনিয়া", অশোক মহন্ত | ৪৬ |
| ১০। | আজিৰ প্ৰেক্ষাপটত চিলাৰায়ৰ প্ৰাসঙ্গিকতা, ৰূপক কুমাৰ ৰাজবংশী | ৪৯ |
| ১১। | ৰাজবংশী কৃষ্টি, যামিনী কুমাৰ বৰুৱা | ৫২ |
| ১২। | বৃহত্তৰ অসমীয়া জাতি গঠনত কোচ ৰাজবংশীৰ ভূমিকা, পৰমেশ্বৰ ৰায় | ৬০ |
| ১৩। | কোচ ৰাজবংশী জাতিৰ সংস্কৃতি, প্ৰদীপ চহৰীয়া | ৬৩ |
| ১৪। | সমবেত সঙ্গীত, অনুপ নাথ আৰু প্ৰফুল্ল মেধী | ৬৭ |
| ১৫। | জিলা আক্ৰাছুৰ কিছু চিন্তা | ৬৮ |
| ১৬। | অভ্যৰ্থনা সমিতিৰ কাৰ্য্যকৰী সভাপতিৰ দু-আষাৰ | ৭০ |
| ১৭। | সাময়িকী, যোগেশ তালুকদাৰ | ৭১ |
| ১৮। | সদৌ নলবাৰী জিলা কোচ ৰাজবংশী ছাত্ৰ-সন্থাৰ বিভিন্ন গোট সমূহ, পৰমেশ্বৰ ৰায় | ৭৩ |




# ৰাজবংশী ভাষাৰ উদ্ভৱ, গঠন আৰু বিকাশ

ড০ দ্বিজেন্দ্ৰ নাথ ভকত

**প্ৰস্তাৱনা ঃ** সমতল ভূমিত বসবাস কৰা মঙ্গোলীয় জনগোষ্ঠীৰ ৰাজবংশী অৰ্থাৎ কোচ ৰাজবংশী ক্ষত্ৰিয়সকলৰ কথিত ভাষাৰ নাম ৰাজবংশী। পণ্ডিতসকলে ভাষাটোৰ বিস্তৃতিলৈ লক্ষ্য কৰি ইয়াক বাংলাৰ উত্তৰবাংলা [১], অসমীয়াৰ গোৱালপৰীয়া উপভাষা [২], কমতা [৩], কামৰূপী [৪], দেশী ভাষা [৫] আদি বুলি নামকৰণ কৰা দেখা যায়। ব্যুৎপত্তিৰ ফালৰ পৰা ই আচলতে নৃগোষ্ঠীয় এটি ভাষা। কোচৰজা মহাৰাজ নৰনাৰায়ণৰ সময়ত পূৰ্ণ বিকাশ লাভ কৰি ই সকলো শ্ৰেণীৰ লোকৰে গ্ৰহণযোগ্য এটি ভাষা হৈ পৰে। প্ৰাচীন কমতাপুৰৰ সাহিত্য ৰাজি এই ভাষাতে লিখা হৈছিল। তদুপৰি চৰ্যাপদ, কৃষ্ণকীৰ্তন আদি প্ৰাচীন গ্ৰন্থবোৰতো ইয়াৰ নিদৰ্শন আছে, সম্প্ৰতি অসমৰ পশ্চিম অঞ্চল, পশ্চিম বঙ্গৰ উত্তৰাঞ্চল (উত্তৰ বঙ্গ), বিহাৰৰ দক্ষিণাঞ্চল, নেপালৰ মোৰাং - ঝাপা অঞ্চল, বাংলাদেশৰ প্ৰাচীন ৰংপুৰ ইত্যাদি অঞ্চলত এই ভাষা কোৱা হয়। আমাৰ হাতত পৰা ১৯৯১ চনৰ লোকপিয়লৰ আধাৰত যুগুত কৰা এটি চৰকাৰী তথ্যমতে ৰাজবংশী ভাষা কোৱা বিভিন্ন জিলাৰ লোকৰ শতকৰা হাৰ এনে ধৰণৰ [৬]- কোচবিহাৰ ৫০%, দাৰ্জিলিং ৩০%, জলপাইগুৰি ৬০%, মালদহ ৪০%, পশ্চিম দিনাজপুৰ ৬০%, ধুবুৰী ৩০%, বঙাইগাওঁ ৭০% আৰু কোকৰাঝাৰ জিলাত ৩৫% লোকে ৰাজবংশী ভাষা কয়। এই সংখ্যা ৰাজবংশী জনসংখ্যাৰ আধাৰত কৰা হৈছে যেন লাগে। আমাৰ ধাৰণা অন্যান্য জনগোষ্ঠীও এই ভাষা কোৱাৰ বাবে এই সংখ্যা আৰু বৃদ্ধি হ'ব পাৰে।

**ৰাজবংশী ভাষাৰ উৎপত্তি আৰু গৃহভূমি ঃ**

ৰাজবংশী ভাষাৰ উৎপত্তিৰ আলোচনা এক জটিল বিষয়। আমি পোৱা তথ্যৰ আধাৰত ইয়াক বিচাৰ কৰিবলৈ যত্ন কৰিছোঁ। ৰাজবংশী হ'ল নব্য ভাৰতীয় এটি আৰ্য ভাষা। ই মূলতঃ মাগধীয় ভাষা। প্ৰাচীন মগধেই আছিল আৰ্য সংস্কৃতিৰ মূল কেন্দ্ৰ আৰু পূৱ মাগধী আছিল আৰ্য সংস্কৃতিৰ পূৱ অঞ্চলৰ ভাষা। পূৰ্ব ভাৰতৰ আধুনিক ভাষা বিলাকৰ জননী হিচাপে পূৰ্ব মাগধীৰ নাম উল্লেখযোগ্য। আন আন প্ৰাকৃতৰ তুলনাত অনাৰ্য ভাষাৰ প্ৰভাৱত মাগধী প্ৰাকৃততে ধ্বনি বিকৃতি বেছি হৈছিল। মাগধী প্ৰাকৃতে পূৱ ফালে গতি কৰি নতুন ৰূপ লয়। সেয়ে এই ভাষাটো মগধৰ পৰা আহি প্ৰাচীন কামৰূপ ৰাজ্যৰ পশ্চিম ফালেদি প্ৰবেশ কৰে আৰু উত্তৰ বঙ্গ অঞ্চলৰ কোচ ৰাজ্যত অৰ্থাৎ কোচ বা ৰাজবংশী সকলৰ মাজত প্ৰথম 'ৰাজবংশী - উপভাষা' হিচাপে গঠন হয় অৰ্থাৎ মগধ (বিহাৰ) আৰু বঙ্গ অতিক্ৰম কৰি কোচ ৰাজ্যত ই নব্য আৰ্য ৰাজবংশী ভাষা হিচাপে কম বেছি পৰিমাণে ৰূপ পৰিগ্ৰহ কৰি আজিৰ অৱস্থালৈ আহে। জৰ্জ এব্ৰাহাম গ্ৰিয়াৰছনে অভিমত প্ৰকাশ কৰিছে যে, 'এই উপভাষা সাধাৰণতে ৰাজবংশী বুলি জনাজাত, উক্ত জনজাতিৰ পৰাই এই নাম



OKDISCD

দিয়া হৈছে। ইয়াক সঘনাই ৰংপুৰী বুলি সেই নামৰ জিলা এখনত কোৱা হয়।’

তেওঁ কয় ‘সৰ্বজন বিদিত এই উপভাষা দেশৰ উত্তৰ পূৰ্বাঞ্চলত কোৱা হয়, য’ত উত্তৰবঙ্গীয় ভাষা কোৱা হৈ আছে। উত্তৰ বঙ্গ সীমান্তত কোচ সকলে আধিপত্য বিস্তাৰ কৰিছিল, কিন্তু এই আধিপত্য ইতিমধ্যে সম্পূৰ্ণ হৈ গৈছে আৰু কোচ জনজাতিয়ে এই দেশ পূৰ্বতে শাসন কৰিছিল। যিসকল কোচ, সম্প্ৰতি হিন্দু বুলি জনাজাত তেওঁলোকৰ বেছিভাগেই ৰাজবংশী বুলি পৰিচিত। কিন্তু তেওঁলোকৰ বেছিভাগেই ইতিমধ্যে মুছলমান হৈ গৈছে সেয়ে কম সংখ্যক ৰাজবংশী জনজাতিৰ মাজত কোনো ধাৰণা কৰিব নোৱাৰি যে কিমান কোচ মানুহ এই দেশত আছে। কোচ নামটো এতিয়াও কোচৰাজ্য বা কোচবিহাৰৰ নামেৰে বৰ্তি আছে। কোচসকল মূলতে ব্ৰহ্ম পুত্ৰ নদী পাৰ হৈ আহিছিল, সম্প্ৰতি তেওঁলোকে বাংলা কৰলৈ লৈছে, তথ্য সমৃদ্ধভাবে তেওঁলোকে পূৱ মূলৰ বুলি ধাৰণা কৰিব পাৰি। এই ক্ষেত্ৰত এইটোৱেই পৰিলক্ষিত হয়। ৰাজবংশী উপভাষাৰ লগত পূৰ্ব বাংলাৰ উপভাষাৰ বহুত ক্ষেত্ৰত সাদৃশ্য দেখা যায়।’

তেওঁৰ মতে ‘অকল বঙ্গ প্ৰদেশতে উক্ত উপভাষা সীমাবদ্ধ নহয়, অসমৰ গোৱালপাৰা জিলালৈকে সম্প্ৰসাৰিত হৈছে, ই লাহে লাহে অসমীয়া ভাষাৰ লগত মিলি গৈছে। উক্ত জিলাৰ পশ্চিম আৰু দক্ষিণ পশ্চিমত এই ভাষা কোৱা হয়। দক্ষিণৰ ফালে তিব্বত বৰ্মী ভাষা গাৰো পাহাৰত ব্যৱহাৰ হোৱাৰ বাবে ই স্থগিত হৈছে। বঙ্গত পূৱৰ ফালে ব্ৰহ্ম পুত্ৰ নদীৰ দ্বাৰা আৰু বিপৰীত ফালে গাৰো পাহাৰেৰে আগুৰি আছে। একেবাৰে দক্ষিণ পূৱ কোণত, সামান্যভাৱে ময়মন সিংহৰ পূৰ্ব বাংলাক স্পৰ্শ কৰিছে আৰু নদীও পাৰ হৈ গৈছে। দক্ষিণৰ ফালে আৰু পশ্চিমৰ ফালে উত্তৰ বাংলাৰ দ্বাৰা ঘেৰি আছে বুলি ইতিমধ্যে কোৱা হৈছে আৰু উত্তৰ ফালে হিমালয়ৰ নামনিত তিব্বত বৰ্মী ভাষা চলে। তলত দিয়া জিলাবোৰত এই ভাষা কোৱা হয় - ৰংপুৰ, জলপাইগুৰি, দাৰ্জিলিং জিলাৰ তৰাই অঞ্চল, দেশীয় ৰাজ্য কোচবিহাৰ, অসমৰ গোৱালপাৰা অঞ্চলকে ধৰি এই ভাষা কোৱা হয় বুলি ইতিমধ্যে কোৱা হৈছে। দাৰ্জিলিঙৰ তৰাই অঞ্চলত এই উপভাষা ওচৰ চুবুৰীয়া উত্তৰ বাংলাৰ দ্বাৰা প্ৰভাৱান্বিত আৰু ইয়াৰ এটি বিশেষ নাম আছে, ই ‘বাহে’ বিভাষা (Sub - dialect) বুলি পৰিচিত। তেওঁৰ মতে ‘অসমৰ পশ্চিম আৰু দক্ষিণ পশ্চিম গোৱালপাৰাৰ উপভাষা খাটি ৰাজবংশী।’

জে,ডি, এণ্ডাৰছনৰ প্ৰতিবেদন মৰ্মে [৮] জনা যায় যে ‘বৃহৎ কোচ সাম্ৰাজ্যত একাধিপত্য তথা শাসন চলোৱা কোচ জনজাতিৰ ভাষা ই প্ৰাচীন কোচ সাম্ৰাজ্যত হিমালয়ৰ পৰা বঙ্গোপসাগৰলৈকে বিস্তাৰ লাভ কৰিছিল।’ ড’ বাণীকান্ত কাকতি দেৱেও কয় [৯] যে ৰাজবংশী উপভাষাই কোচবিহাৰৰ কোচ ৰজা সকলৰ দিনত বিকাশ লাভ কৰিছিল, তেওঁলোকৰ উত্তৰাধিকাৰী সকলে গোৱালপাৰা আৰু ওচৰা ওচৰি কামৰূপৰ অংশও শাসন কৰিছিল।’

ড° সুনীতি কুঃ চট্টোপাধ্যায়ৰ ৰচনাতো পাওঁ [১০] যে ১২৬১ খৃঃত ৰচিত মিনাজ - জ - ছিৰাজৰ ‘তবকত - ই - নাছিৰি’ গ্ৰন্থত উল্লেখ কৰা মতে জনা যায়, কামৰূপত কোচ, মেচ আৰু থাৰু জনগোষ্ঠীয়ে বসবাস কৰিছিল। তেওঁলোক মঙ্গোলীয় আৰু তেওঁলোকৰ ভাষাই তুৰ্কী সকলৰ ওপৰত পৃথক সাঁচ বহুৱাইছিল, তেওঁলোক একে জাতিৰ, তেওঁলোকৰ তুৰ্কী অবয়ব যথা-এচলীয়া চকু (Slanting eyes), চেপেটা নাক (Snub nose) ওখ হাড়যুক্ত গাল (high sheek bones), মঙ্গোলীয়ৰ হালধীয়া বৰণ আৰু তেওঁলোকৰ মধ্যভাৰততকৈ এটি পৃথক ভাষা ব্যৱহাৰ কৰিছিল।

আন এটি তথ্য এই খিনিতে উল্লেখ কৰিব পাৰোঁ যে ৭ ম শতিকাৰ প্ৰথমাৰ্ধত কামৰূপত ৰাজত্ব কৰা কুমাৰ ভাস্কৰ বৰ্মণৰ সময়ত চীনা পৰিব্ৰাজক হিউয়েন চাঙ্ কামৰূপলৈ আহিছিল। তেওঁ বৰ্ণনা কৰিছে যে ‘মানুহ বোৰ চুটি চাপৰ আৰু তেওঁলোকৰ অবয়ব ডাঠ হালধীয়া। তেওঁলোকৰ ভাষা মধ্যভাৰতৰ ভাষাতকৈ কিছু পৃথক,” [১১] হিউয়েন চাঙৰ অভিমতৰ পৰা আমি সিদ্ধান্তলৈ আহিব পাৰো যে ৭ ম শতিকাত গোটেই বঙ্গৰ লোকসকলে আৰ্যভাষা গ্ৰহণ কৰিছিল আৰু ই পূৱলৈ সম্প্ৰসাৰিত হৈ পশ্চিম অসম পাইছিল [১২]। য’ত ৰাজবংশী ভাষা কোৱা হৈছিল।

গ্ৰিয়াৰছনে উল্লেখ কৰিছে [১৩] মগধৰ পৰা মাগধী প্ৰাকৃতে তিনি দিশলৈ গতি কৰিছে। দক্ষিণ ফালে ই উড়িয়া ভাষাত পৰিণত হৈছে। দক্ষিণ পূৱত প্ৰথমতে পশ্চিম আৰু পিছত পূৰ্ব বংগ আৰু পূৱত প্ৰথমতে উত্তৰ বাংলা আৰু পিছত অসমীয়াৰ ৰূপ লৈছে।

চট্টোপাধ্যায়ে লিখিছে [১৪] মধ্যযুগৰ প্ৰথম ভাগত অৰ্থাৎ ১২০০ খৃষ্টাব্দত অসম, বিশেষকৈ সমতল ভূমি ব্ৰহ্ম পুত্ৰৰ দ্বাৰা প্লাবিত হৈ আছিল আৰু নিশ্চয় ভাৰতীয় আৰ্য ভাষা কথিত এটি অংশ আছিল। বিহাৰৰ মাগধীয় প্ৰাকৃতে লাহে লাহে পূৱলৈ সম্প্ৰসাৰিত হৈছিল, গঙ্গা পাৰ হৈ মধ্য আৰু পূৰ্ববঙ্গ আৰু পূৱত পশ্চিমবঙ্গ আৰু নিশ্চয় আংশিক ভাৱে উত্তৰ বিহাৰৰ পৰা উত্তৰ বংগক অতিক্ৰম কৰি আংশিক ভাৱে উত্তৰ বংগৰ পৰা এই দৰে অসমলৈ প্ৰৱেশ কৰিছিল।

এইটো সঁচা যে উত্তৰ বঙ্গ বোলোতে গ্ৰিয়াৰছনে অবিভক্ত বাংলাৰ ৰাজশাহী অঞ্চলৰ কথিত উপভাষাকে বুজাইছিল আৰু ৰাজবংশীক এটি পৃথক উপভাষা বুলিছিল। কিন্তু এইটো মন কৰিবলগা যে য’ত ৰাজবংশী কোৱা হৈছিল বিশেষকৈ জলপাইগুৰি, কোচবিহাৰ আৰু পশ্চিম গোৱালপাৰা; অসম আৰু প্ৰাচীন ৰাজশাহী অঞ্চলৰ মাজত অৱস্থিত সেয়ে ৰাজবংশী ভাষাৰ লগত অসমীয়া ভাষাৰ সম্বন্ধ অতি ঘনিষ্ঠ হোৱাটো স্বাভাৱিক। গোৱালপাৰাৰ ক্ষেত্ৰত এইটো অধিক সঁচা।

এইদৰে ভাষাৰ বিখ্যাত প্ৰাধিকাৰী সকলৰ অভিমত সাপেক্ষে পণ্ডিত সকলে কয় যে অসমীয়া আৰু উত্তৰবঙ্গ ভাষাৰ লগত বিশেষকৈ জলপাইগুৰি, কোচবিহাৰ আৰু পশ্চিম গোৱালপাৰা ভাষাৰ সম্বন্ধ অতি শক্তিশালী। দীৰ্ঘম্যাদী আহোম প্ৰশাসনৰ তলত থাকি পূৰ্ব অসমৰ ভাষাই পৃথক মান্য অসমীয়া ভাষা হিচাপে মৰ্যাদা লাভ কৰে আৰু উত্তৰ বঙ্গৰ উপভাষাই কিছু পৰিমাণে ঢিলা হৈ যায় আৰু পশ্চিম অসমৰ ভাষাই সমন্বয় ৰক্ষাৰ ক্ষেত্ৰত অধিক বৰঙণি যোগায় [১৫]। ড° কাকতিয়ে উল্লেখ কৰিছে যে কোচবিহাৰৰ পৰা ১.৪ মাইল দক্ষিণ পশ্চিমত আধুনিক অসমৰ বাহিৰত অৱস্থিত কমতাপুৰৰ ৰজাসকলে প্ৰাচীন অসমীয়া সাহিত্য ৰচনাৰ ক্ষেত্ৰত পৃষ্ঠ পোষকতা আগবঢ়াইছিল। সেয়ে-



OKDISCD

বৰ্তমান পৰ্যন্ত উত্তৰবঙ্গ কথিত ভাষা আৰু পশ্চিম অসমৰ ভাষা মূলগত ভাৱে একে আৰু একে উপভাষিক গোটৰ দ্বাৰা গঠন হৈছে বুলি ধাৰণা হয় [১৬]। এই প্ৰসঙ্গত আমি কব পাৰোঁ যে উক্ত উপভাষিক গোটৰে নাম হ'ল ৰাজবংশী ভাষা। যাৰ দ্বাৰা প্ৰাচীন কমতাপুৰৰ সাহিত্য সমূহ লিখা হৈছিল। যি সময়ত আধুনিক অসমীয়া ভাষাই পূৰ্ব অসমত মান্য অসমীয়া কথিত ভাষা হিচাপে প্ৰতিষ্ঠা লাভ কৰে (১৮৩৬)। সেই একে খিনি সময়তে পশ্চিম অসম তথা উত্তৰবঙ্গ অঞ্চলত ৰাজবংশী ভাষাই স্বতন্ত্ৰ আধুনিক ৰাজবংশী ভাষা হিচাপে প্ৰতিষ্ঠা লাভ কৰি ক্ষীণ বিকাশ হয়। তেওঁৰ মতে [১৭] এটা উপভাষিক গোট অন্য এটাৰ পৰা ওলোৱাৰ প্ৰশ্ন নুঠে। একে কেন্দ্ৰৰ পৰা বিকাশ হোৱাৰ বাবে ইহঁতৰ ইটোৰ লগত সিটোৰ সম্পৰ্ক আছে যদিও সিহঁতে নিজা নিজা বিকাশ ধাৰা অনুসৰণ কৰিছে।

তদুপৰি ড° কাকতিয়ে পশ্চিম অসমৰ ভাষাৰ বিষয়ে কয় যে 'গোৱালপাৰা জিলাৰ কথিত উপভাষাৰ লগত ৰাজবংশী ভাষাৰ মিশ্ৰণ ঘটি অধিক কলুষিত কৰিছে। এই উক্তিটো আমি গোৱালপাৰাৰ পূৰ্বাঞ্চলৰ ভাষাৰ ক্ষেত্ৰত প্ৰযোজ্য বুলি কব পাৰোঁ, পশ্চিমাঞ্চলৰ ভাষাৰ ক্ষেত্ৰত নহয়। গ্ৰিয়াৰছনৰ মতে পশ্চিম গোৱালপাৰা অৰ্থাৎ বৰ্তমানৰ ধুবুৰী জিলাৰ ভাষা খাটি ৰাজবংশী। ড° কাকতিয়ো গ্ৰিয়াৰছনৰ অভিমত গ্ৰহণ কৰিছে আৰু নিজে ৰাজবংশী ভাষা হিচাপে শ্ৰেণী বিভাজন কৰিছে।[১৮]

**ৰাজবংশী সাহিত্য আৰু ভাষাৰ যুগ বিভাগ ঃ**

ৰাজবংশী ভাষাৰ সাহিত্য আমি দুই ভাগত বিভক্ত কৰিব পাৰোঁ। লিখিত সাহিত্য আৰু লোক সাহিত্য। খৃঃ সপ্তম শতিকাৰ পৰা বৰ্তমান লৈকে লিখিত সাহিত্যৰ পৰম্পৰাৰ ধাৰা ৰাজবংশী ভাষাত আছে। লোক - সাহিত্য হিচাপে জনপ্ৰিয় ভাওয়াইয়া সঙ্গীত, তন্ত্ৰ-মন্ত্ৰ, বিভিন্ন পূজা পাৰ্বণ যেনে - বিষহৰি, মাৰাই, হুদুম, কাতি আদি পূজাৰ গান; ছিলকা সাঁথৰ প্ৰবাদ - প্ৰবচন ইত্যাদি সমূহ আমি ৰাজবংশী ভাষাত পাওঁ। লোক সাহিত্যৰ ক্ষেত্ৰত ৰাজবংশী ভাষা যথেষ্ট চহকী বুলি ক'ব পাৰি। লিখিত সাহিত্যৰ নিৰ্দৰ্শনৰ আধাৰত আমি ৰাজবংশী ভাষাৰ যুগ বিভাগ তলত দিয়া ধৰণে কৰিব পাৰোঁ।

যথা (ক) উদ্ভৱ কাল ঃ (৭ ম শতিকাৰ পৰা ১২ শ শতিকালৈ) এই কালৰ নিৰ্দৰ্শন হিচাপে 'তামৰ ফলি', 'চৰ্যাপদ', বড়ু চণ্ডী দাসৰ 'শ্ৰীকৃষ্ণ কীৰ্তন' আদি ধৰিব পাৰি।

(খ) প্ৰাচীন কাল ঃ (১৩ শ শতিকাৰ পৰা ১৬ শ শতিকালৈ) এই ভাগত কমতাপুৰ আৰু কোচৰজা সকলৰ পৃষ্ঠপোষকতাত যিবোৰ সাহিত্য ৰচনা হৈছে সকলো বোৰকে ৰাজবংশী ভাষাৰ প্ৰাচীন নিদৰ্শন হিচাপে ধৰিব পাৰোঁ। এই সময়ৰ বিশিষ্ট কবি সকলৰ ভিতৰত হেম সৰস্বতী , হৰিবৰ বিপ্ৰ, পীতাম্বৰ, নাৰায়ণদেৱ, শংকৰদেৱ, মাধৱদেৱ আদি।

(গ) মধ্য যুগ ঃ (১৭ শ শতিকাৰ পৰা ১৯ শ শতিকাৰ প্ৰথম ভাগলৈ) কোচ ৰাজসভাৰ পৃষ্ঠপোষকতাৰ



উপৰি ৰাজ সভাৰ বাহিৰত কোচ ৰাজ্যত যিবোৰ সাহিত্য ৰচনা হৈছে সেইবোৰ যেনে - কৃষ্ণদাস বৈৰাগীৰ - 'গোসানী মঙ্গল', নাথ সাহিত্য', অদ্ভতাচাৰ্যৰ - 'ৰামায়ণ', 'চৰিত সাহিত্য' ইত্যাদি।

এইখিনিতে এটি মন কৰিবলগীয়া কথা হ'ল আমি ওপৰোক্ত যুগবোৰত যিবোৰ সাহিত্যৰ কথা উল্লেখ কৰিছোঁ সেইবোৰ ইতিমধ্যে বাংলা আৰু অসমীয়া ভাষাৰ পণ্ডিতসকলে নিজৰ ভাষাৰ সাহিত্য হিচাপে অন্তৰ্ভুক্ত কৰিছে। বিশেষকৈ কমতাপুৰৰ সাহিত্য ৰাজিত প্ৰাচীন অসমীয়াৰ নিদৰ্শন হিচাপে দেখুৱায়। আমি ভাবো এই যুগৰ সাহিত্যৰাজিৰ ভাষাৰ লগত অৰ্থাৎ প্ৰাচীন বাংলা আৰু প্ৰাচীন অসমীয়া ভাষাৰ মাজত প্ৰাচীন ৰাজবংশী ভাষাৰ তেনে এটা কোনো পাৰ্থক্য নাই। কমতাপুৰ আৰু কোচৰাজ দৰবাৰৰ সাহিত্য ৰাজিক যদি প্ৰাচীন অসমীয়া সাহিত্যৰ নিদৰ্শন হিচাপে কোৱা হয়, তেনেহ'লে আমি ক'ব লাগিব যে ৰাজবংশী ভাষাৰো অনেক বৈশিষ্ট্য আছে।

(ঘ) আধুনিক কাল ঃ (১৯ শ শতিকাৰ শেষ ভাগৰ পৰা বৰ্তমান লৈকে) আধুনিক আৰু অসমীয়া ভাষাৰ প্ৰতিষ্ঠাৰ সময়তে পশ্চিম অসম তথা উত্তৰ পূৰ্ববঙ্গত ৰাজবংশী ভাষাও প্ৰতিষ্ঠা লাভ কৰে। আধুনিক কালৰ ৰাজবংশী ভাষাৰ আদি নিদৰ্শন হিচাপে আমি পাওঁ ৰতিৰাম দাসৰ (১৮ শ শতিকাৰ মাজ ভাগৰ কবি) জাগগান, পঞ্চানন বৰ্মাৰ (১৯ শতিকাৰ মাজভাগৰ কবি) 'ডাংধৰী মাও', 'বেটাছওয়াৰ প্ৰতি' আদি কবিতা। বৰ্তমান কালত পশ্চিম অসম, উত্তৰ বঙ্গ, নেপাল, বিহাৰ আদি ঠাইত অনেক ৰাজবংশী ভাষাৰ গ্ৰন্থ ৰচিত হৈছে (এই বিষয়ত অধিক তথ্য লাভৰ বাবে আমাৰ ৰচিত 'ৰাজবংশী ভাষা- সাহিত্যৰ পৰিচয়' গ্ৰন্থ চাওক)।

এইখিনিতে এটি উল্লেখযোগ্য কথা কোৱা ভাল হ'ব যে ৰাজবংশী ভাষাৰ নিজস্ব লিপিৰ বিষয়টো এতিয়াও বিতৰ্কিত। ড° গ্ৰিয়াৰছনে বাংলা আৰু অসমীয়া বৰ্ণমালাক তিৰহুত ব্ৰাহ্মণৰ দ্বাৰা প্ৰযুক্ত বৰ্ণমালাৰ অনুৰূপ বুলি বৰ্ণনা কৰে আৰু এই লিপি এ কাদশ শতিকাৰ পৰা স্বতন্ত্ৰভাৱে ৰূপ লয় বুলি কয়।[১৯] সম্প্ৰতি অসম, বঙ্গ, বিহাৰ আৰু নেপালৰ ৰাজবংশী লেখক সকলে তেওঁলোকৰ নিজৰ ঠাইৰ লিপি অৰ্থাৎ অসমীয়া, বাংলা, দেৱনাগৰী আদি লিপি গ্ৰহণ কৰা দেখা যায়। লিপিৰ বিষয়টো অধ্যয়ন সাপেক্ষ বাবে আমি ইয়াত তুলি ধৰিব নোৱাৰিলোঁ।

**ৰাজবংশী ভাষাৰ বিশেষ বৈশিষ্ট্য ঃ**

ৰাজবংশী ভাষাৰ নিজস্ব সুদীৰ্ঘ ইতিহাস আছে। বাংলা আৰু অসমীয়া ভাষাৰ মাজত ইয়াৰ বহুত পাৰ্থক্য পাওঁ। ধ্বনিতত্ব, ৰূপতত্ব, শব্দ সম্ভাৰ এনেকি প্ৰবাদ, প্ৰবচন, সাঁথৰ-খণ্ডবাক্য আদিৰ ক্ষেত্ৰত ই কোনোপধ্যেই সাধু বাংলা আৰু মান্য অসমীয়াৰ লগত নিমিলে। কিছুমান বৈশিষ্ট্য আৰু লগতে পাৰ্থক্য আমি তলত উল্লেখ কৰিলোঁ।

**ধ্বনিতাত্বিক (Phonological) ঃ**

১) ৰাজবংশী ভাষাত আদি 'ল' ৰ ঠাইত সাধাৰণতে 'ন' উচ্চাৰণ হোৱা দেখা যায়। সাধু বাংলা আৰু মান্য অসমীয়াত 'ল' তলত দিয়া ধৰণে ব্যৱহাৰ হয়। যেনে-

OKDISCD

| সংস্কৃত | ৰাজবংশী | সা. বাংলা | মা. অসমীয়া |
|---|---|---|---|
| অলাবু | নাউ (Pumkin) | লাও | লাউ |
| লৱণ | নুন (Salt) | লবণ | লোণ / নিমখ |
| লক্ষ্মী | নক্ষি (Lakshmi) | লক্ষ্মী | লখিমি |
| লজাজ | নইজ্জা (Shame) | লজ্জা | লাজ |
| লেখা | নেখা (Writting) | লেখা | লিখা |
| লোক | নোক (Person) | লোক | লোক |
| লৌহ | নোঙা (iron) | লোহা | লো |
| লোম | নোম (hair of the body) | লোম | লোম ইত্যাদি। |

(২) বাংলা আৰু অসমীয়া ভাষাৰ দৰে ৰাজবংশী ভাষাত স্বৰধ্বনি সংকোচন নহয়। (contraction of vowels)[২০] যথা-

| ৰাজবংশী | সা.বাংলা | মা.অসমীয়া |
|---|---|---|
| সাতুয়া (accompany) | সাথী | লগৰী |
| থাকিয়া (having remaind) | থেকে | থাকি |
| কৰিয়া (having done) | কৰে | কৰি |
| বান্ধিয়া (having kept) | বেধেঁ | বান্ধি |
| কান্দিয়া (having wept) | কেদেঁ | কান্দি |
| শুনিয়া (having heard) | শুনে | শুনি |
| পঢ়িয়া (heaving read) | পড়ে | পঢ়ি |
| দেখিয়া (having seen) | দেখে | দেখি |
| ঠাকুৰণী (a goddes) | ঠাকুৰণ | ঠাকুৰণী/গোসানী/শীতলা ইত্যাদি। |

(৩) ৰাজবংশী ভাষাত মহাপ্ৰাণ স্পৰ্শ (aspirate plossives) ধ্বনিবোৰ মধ্যস্থানত অল্পপ্ৰাণধ্বনি হিচাপে উচ্চাৰণ হোৱা দেখা যায় [২১] কিন্তু সাধু বাংলা আৰু মান্য অসমীয়া ভাষা তেনে নহয়। যেনে -

| ৰাজবংশী | সা. বাংলা | মা. অসমীয়া |
|---|---|---|
| বন্দু (friend) | বন্ধু | বন্ধু |
| আদেক / আদা (half) | আধেক / অৰ্ধেক | অৰ্ধেক / আধা |
| শোবা (beauty) | শোভা | শোভা |

(৪) আদি ব্যঞ্জন ৰাজবংশী ভাষাত মহাপ্ৰাণ আনহাতে বাংলা আৰু অসমীয়া ভাষাত অল্পপ্ৰাণ হিচাপে উচ্চাৰিত হয়। যথা-



| ৰাজবংশী | সা. বাংলা | মা.অসমীয়া |
|---|---|---|
| ভাসা (nest) | ৰাসা | বাহা / বাহ |
| খেতা (torn cloth's blanket) | কাঁথা | কঁথা |
| ভেশ (dress) | বেশ | বেশ |
| ভোন্দা (mail cat) | – | বোন্দা |

(৫) কোনো ব্যঞ্জন ধ্বনিৰ আগতে ই থাকিলে ৰাজবংশী ভাষাত অপিনিহিতি বা স্বৰ বিপৰ্যয় (apenthesis) ঘটে আৰু কেতিয়াবা পূৰ্ব স্বৰৰ লগত সমীভূত বা পৰিৱৰ্তন (অভিশ্ৰুতি, umlaut) বা লোপ হয়।[২২] যেনে-

| ৰাজবংশী | সা.বাংলা | মা.অসমীয়া |
|---|---|---|
| গেছিনু (gone) | গিয়েছিলাম | গৈছিলোঁ |
| খাছি / খায়া আছি (eating) | খাইতেছি | খাই আছোঁ |
| হছি (become) | হয়েছিলাম | হৈছিলোঁ |

(৬) মান্য অসমীয়াৰ আদি আ অক্ষৰ সাধাৰণতে ৰাজবংশীত লোপ পায় আৰু কেতিয়াবা পদান্তৰ দ্বিস্বৰধ্বনি - অই >আই হিচাপে উচ্চাৰিত হোৱা দেখা যায়। যথা -

| ৰাজবংশী | সা. বাংলা | মা. অসমীয়া |
|---|---|---|
| খৈ (fried paddy) | খৈ | আখৈ |
| মাৰৈ (friend's mother) | মাসিমা | আমৈ |
| গৰাই (a kinf of fish) | ষাটি | গৰৈ |
| মিঠাই (sweet meat) | মিষ্টি | মিঠাই |
| দলাই (priest of temple) | দলে | দলৈ |

(৭) মান্য ভাষাত কোনো শব্দৰ ওচৰা-ওচৰি দুটা ধ্বনি থাকিলে ৰাজবংশী আৰু বাংলা ভাষাত আ থাকি যায় কিন্তু অসমীয়া ভাষাত অ লৈ ৰূপান্তৰিত হয়। যেনে -

| ৰাজবংশী | সা.বাংলা | মা.অসমীয়া |
|---|---|---|
| ৰাজা (king) | ৰাজা | ৰজা |
| চাকা (wheel) | চাকা | চকা |
| কাণা (blind of one eye) | কাণা | কণা |
| তাৰা (star) | তাৰা | তৰা |

(৮) আমি বাংলা সাধু ভাষা আৰু ৰাজবংশী ভাষাত সংখ্যাবাচক শব্দৰ আগত 'এক' (< একা) পাওঁ। আনহাতে অসমীয়াত পাওঁ এ' যেনে -



OKDISCD

| ৰাজবংশী | সা.বাংলা | মা. অসমীয়া |
|---|---|---|
| একবাৰ (once) | একবাৰ | এবাৰ |
| একবুক (breast deep) | একবুক | এবুকু |
| একফালা (one side) | একফালা | এফাল |
| একচামুচ(one tea spoon full) | একচামুচ | এচামুচ ইত্যাদি |

(৯) ৰাজবংশী আৰু বাংলা শব্দৰ আদি অক্ষৰত শ্বাসাঘাত (stress) পৰা দেখা যায়। কিন্তু মান্য অসমীয়াত শ্বাসাঘাত উপাধা অক্ষৰতহে (penultimate stress system) পৰে। যথা -

| ৰাজবংশী | সা.বাংলা | মা.অসমীয়া |
|---|---|---|
| এগাৰো (eleven) | এঘাৰো | এঘাৰ |
| কাক্ৰা (crab) | কাকড়া | কেকোঁৰা |
| কুম্ৰা (pumkin) | কুমুৰা | কোমোৰা |
| সত্ৰো (seventeen) | সতৰো | সোতৰ ইত্যাদি |

(১০) ৰাজবংশী ভাষাত আৰু বাংলাত কেতিয়াবা দ্বিত্ব ব্যঞ্জনৰ ৰূপ (gemination or doubling of consonants) পাওঁ। আনহাতে অসমীয়াত তেনে ৰূপ নাই যেনে-

| ৰাজবংশী | সা.বাংলা | মা. অসমীয়া |
|---|---|---|
| ছোট্ট (little) | চোট্ট | সৰু |
| থাপ্পৰ (slap) | থাপ্পৰ | চাপৰ / থাপৰ |
| একেবাৰে (at a time) | এক্কেবাৰে | একেবাৰে |
| কিচ্ছু (any thing) | কিচ্ছু | কিছু |
| পট্টু (skilled) | পট্টু | পটু ইত্যাদি |

(১১) প্ৰগত (progressive) পৰাগত (regressive) আৰু অন্যান্য (mutual) সমীভৱন আমি ৰাজবংশী ভাষাত দেখা পাওঁ এই ৰীতি অন্যান্য ভাষাতো নোহোৱা নহয়। ৰাজবংশী ভাষাৰ উদাহৰণ চাওক -

প্ৰগত আগৰ ধ্বনিয়ে পিছৰ ধ্বনিৰ পৰিৱৰ্তন ঘটালে প্ৰগত হয় যেনে-

| ৰাজবংশী | সা.বাংলা | মা.অসমীয়া |
|---|---|---|
| পদ্দ (lotus) | পদ্ম | পদুম |
| আত্তা (soul) | আত্মা | আত্ম |
| চক্কৰ (wheel) | চক্র | চক্র |



পৰাগত - পদান্তৰ ধ্বনিয়ে আগৰ ধ্বনিৰ পৰিৱৰ্তন ঘটালে পৰাগত বুলি কোৱা হয় যথা-

| ৰাজবংশী | সা.বাংলা | মা.অসমীয়া |
|---|---|---|
| কদ্দুৰ (how far) | কতদূৰ | কিমানদূৰ |
| যদ্দুৰ (how far) | যতদূৰ | যিমানদূৰ |
| বজ্জাত (wicket) | বদজাত | দুষ্ট / শয়তান |
| চাইট্টা (four) | চাৰটা | চাৰিটা |
| ভত্তি (full) | ভৰ্তি | পুৰা / পৰিপূৰ্ণ |

অন্যান্য - য'ত পৰস্পৰ প্ৰভাৱত দুয়োটা পৰিবৰ্তন হয় তাক অন্যান্য বোলে। যেনে-

| ৰাজবংশী | সা.বাংলা | মা.অসমীয়া |
|---|---|---|
| কিচ্ছু (any thing) | কিছু | কিছু |
| লাড্ডু (Laddu) | লাডু | লাডু |
| ভইশ (buffalo) | মহিষ | ম'হ |
| সচ্চা (true) | সত্য | সঁচা ইত্যাদি |

(১২) ৰাজবংশী ধ্বনিৰ অল্পপ্ৰাণীকৰণ (deaspiration) অন্যতম প্ৰধান বৈশিষ্ট্য। যথা-

| সংস্কৃত | ৰাজবংশী | সা. বাংলা | মা. অসমীয়া |
|---|---|---|---|
| শৃঙ্খল | ছিকল (chain) | শৃঙ্খল | শিকলি |
| সৌগন্ধ | সোন্দা (sweet smelling) | সুগন্ধ | সোন্দা |
| মহাৰ্ঘ | মঙ্গা (costly) | মঙ্গা / অভাৱ | মহঙ্গা |
| শিৰঃ স্থান | শিতান (head of a bed) | শিৰস্থান | শিতান |
| পদঃ স্থান | পৈতান (foot of a bed) | পদস্থান | পথান ইত্যাদি |

ৰূপতাত্বিক (morphological) :

(১) ৰাজবংশী ভাষাৰ বহুবচনৰ প্ৰত্যেয়বোৰৰ লগত অসমীয়া আৰু বাংলা ভাষাৰ কোনো মিল নাই। যথা-

| ৰাজবংশী | সা.বাংলা | মা.অসমীয়া |
|---|---|---|
| মানুষগুলা (men) | লোকগুলি | মানুহবোৰ |
| ছওয়াগুলা (childrens) | চেলেমেয়েগুলি | ল'ৰা-ছোৱালীবোৰ |
| চেংৰালা (boys) | ছেলেৰা | ল'ৰা বিলাক / বোৰ |
| ছওয়াৰঘৰ (childrens) | ছেলেমেয়েৰা | ল'ৰা - ছোৱালীহঁত ইত্যাদি |

(২) ৰাজবংশী ভাষাৰ ক্ৰিয়া বিশেষণৰ (adverbial formation) ৰূপবোৰৰ লগত বাংলা আৰু অসমীয়া ভাষাৰ কোনো মিল নাই। মান্য ভাষাৰ লগত এইটো ডাঙৰ পাৰ্থক্য। যেনে-



OKDISCP

| ৰাজবংশী | সা.বাংলা | মা.অসমীয়া |
|---|---|---|
| এলায় / এলা (now) | এখন | এতিয়া |
| এটাই / এটি (on this side) | এখানে | ইয়াত |
| সেটাই / সেটি (on that side) | সেখানে | তাত / তাতে |
| এংকৰিয়া/এমন কৰিয়া (in this way) | এমন কৰে / এমনিভাৱে | এনেকৈ |
| টক কৰিয়া / চটকৰিয়া (suddenly) | তাৰাতাৰি | সোনকালে ইত্যাদি |

(৩) ৰাজবংশী ভাষাৰ স্বাৰ্থিক প্ৰত্যয়ৰ (pleonastic suffix) ৰূপবোৰ সাধু বাংলা আৰু অসমীয়াতকৈ সম্পূৰ্ণ পৃথক ৰাজংবংশী ভাষাত যায়া, তো, ভালা, বোল, নে, না আদি ব্যৱহাৰ কৰা হয়।

ৰাজবংশী ঃ

ভাত খা যায় (go and take meals, request)

স্কুলত যাতো (go to school, order)

যাও তো ভালা (you please go, honou)

আসিস্ বোল (thou will please come, request)

খা নে ('go' and fo eat)

যা না (do go, order)

সাধু বাংলা ঃ

ভাত খাও গিয়ে

স্কুলে যাও

যান এখন

আসবে কিন্ত

খেয়ে নেও

এখন যাওঁ

মান্য অসমীয়া ঃ

ভাত খা গৈ,

স্কুললৈ যোৱাচোন,

যাওকচোন বাৰু,

আহিবাচোন,

খোৱা গৈ,

যোৱা গৈ,

(৪) ৰাজবংশী ভাষাৰ নিৰ্দিষ্টতাৱাচক প্ৰত্যয়বোৰ (definitives) বাংলা আৰু অসমীয়াতকৈ কিছু পৰিমাণে পৃথক। যেনে-

ৰাজবংশীঃ

মাছ খুতুৰা (a piece of fish)

মানুষটা (the man)

ছওয়াখোনা (the child)

সাধু বাংলা ঃ

মাছটুকুৰা,

লোকটি,

বাচ্চাটি

মান্য অসমীয়া ঃ মাছ টুকুৰা, মানুহজন, শিশুটো ইত্যাদি।

(৫) চৰ্ত সাপেক্ষে বাক্যবোৰত (conditional sentence) ৰাজবংশী ভাষাত 'হয়' বাংলাত 'তাম' আৰু অসমীয়াত 'হেঁতেন' ব্যৱহাৰ হয়। ৰাজবংশী 'হয়' টো পৰিণামী উপবাক্যৰ (apodosis) অতীত কাল হিচাপে যোগ হয়। আদিতে 'হইলে' বা 'ইলে' (অসমীয়াত 'হেতেন') আদি ক্ৰিয়াৰ ভূত কালৰ কৃদন্ত (past participle) হিচাপে উপসংযোগ হয়। যথাঃ

ৰাজবংশী ঃ

উয়ায় আইসা হইলে / আসিলে মুই উমাৰ সাথতে গেলুং হয়। (had he come, I would have gone with him)

উয়ায় কওয়া হইলে / কইলে মুই তাক টাকা দশটা দিলুং হয়। (had he said, I would have given him ten rupees)

মা. অসমীয়া ঃ

সি যদি আহিলহেঁতেন মই তাৰ লগতে গলোঁহেঁতেন।

সি যদি ক'লেহেঁতেন মই তাক টকা দহটা দিলোহেঁতেন।

সা. বাংলা ঃ

সে যদি আসতো আমি তাৰ সঙ্গে যাইতম / যেতাম।

সে যদি বলতো আমি তাকে টাকা দশটি দিতাম / দেতাম।



OKDISCD

(৬) ৰাজবংশী ভাষাত বাংলা বা অসমীয়াতকৈ বিশেষ্য (noun)ৰ আৰু কৃদন্তৰ (participles) পৰা ক্ৰিয়া গঠন কৰাৰ প্ৰৱণতা বেছি। ৰাজবংশী ভাষাত বেছি ভাগ নাম ধাতুৰে (de-nominative roots) বিশেষ্যৰ পৰাই গঠন হোৱা দেখা যায়, বিশেষ্য প্ৰকৃতি (noun system) ৰ লগত 'আ' প্ৰত্যয় যোগ হয়। যেনে -

কাম (work) কাম - আ কামা (to earn),
টাকা কাম (earn money),
দাড়ি কামা (the shaving beard),
কিল (a blow) কিলা (to beat with a blow),
কোব (a stroke with a stick) কোৱা (to strike, to beat)
খুৰ (razor) খুৰা (to shave)
চৰ (a slap) চৰা (to shave)
চাক (bee hive) চাকা (to test) ইত্যাদি।

(৭) অতীত কালত তৃতীয় পুৰুষৰ প্ৰত্যয় হিচাপে বাংলা, লো, ইলো, অসমীয়াত- লে, ইলে আৰু ৰাজবংশীত লো, ইলো ব্যৱহাৰ হয়। যেনে-

| ৰাজবংশী | সা.বাংলা | মা.অসমীয়া |
|---|---|---|
| উয়ায় খাইলেক (he eat) | সে খাইলো | সি খালে |
| উয়ায় শুনিলেক / শুন্‌লেক (he heard) | সে শুনিলো / শুনলো | সি শুনিলে |

(৮) তুমুনন্ত (infinitive) বুজাবলৈ ৰাজবংশী ভাষাত বিভিন্ন প্ৰত্যয় যোগ হয়। যেনে-

| ৰাজবংশী | সা.বাংলা | মা.অসমীয়া |
|---|---|---|
| খাবাৰ যাং (go to eat) | খেতে যাই | খাবলৈ যাওঁ |
| খাওৱা জল (water to drink) | খাবাৰ জল | খাবলৈ পানী বা খোৱা পানী |
| খাবাৰ বাদে / গোনে / জইন্নে নাগি আইসে (comes to eat) | খাবাৰ জন্য আসে | খাবলৈ আহে |
| শোনাৰ সময় (time to hear) | শোনাৰ সময় | শুনিবলৈ সময় |

(৯) কৰণ কাৰক (instrumental sense) বুজাবলৈ ৰাজবংশী ভাষাত 'দিয়া' অসমীয়াত 'ৰে' আৰু সাধু বাংলাত 'দিয়ে' ব্যৱহাৰ হয়। যথা-

| ৰাজবংশী | বাংলা | অসমীয়া |
|---|---|---|
| হাত দিয়া (with land) | হাত দিয়ে | হাতেৰে |
| জল দিয়া (with water) | জলদিয়ে | পানীৰে |
| আলু দিয়া (with potato) | আলুদিয়ে | আলুৰে ইত্যাদি। |



(১০) কৰ্মনি প্ৰয়োগত (passive sense) ৰাজবংশী আৰু সাধু বাংলাত ক্ৰিয়াৰ ভূতকালি কৃদন্তৰ পিছত (past participle form) 'যা' ধাতু যোগ হয় কিন্তু অসমীয়াত 'হ' ধাতু যোগ হয়। যেনে-

| ৰাজবংশী | সা.বাংলা | মা.অসমীয়া |
|---|---|---|
| কৰা যাইবে (will be done) | কৰা যাবে | কৰা হ'ব |

শব্দ ভাণ্ডাৰ (vocabulary)

ৰাজবংশী ভাষাৰ শব্দ সম্ভাৰক আমি কেবাটাও ভাগ কৰিব পাৰোঁ যথা-

(১) সংস্কৃত শব্দ
(ক) তৎসম - প্ৰাণ, কৃপণ, মাতৃ, পিতৃ ইত্যাদি
(খ) অৰ্দ্ধতৎসম - পৰাণ, ধৰণ, সোয়ামী, গোসাই ইত্যাদি
(গ) তদ্ভৱ - পেচা, থুপা, বইনী ইত্যাদি

(২) অনাৰ্য শব্দ
(ক) অষ্ট্ৰিক - তোতলা, কামতা, বাইগন ইত্যাদি
(খ) তিব্বতবৰ্মী - বোকালি, আৰলি, আলোয়া ইত্যাদি
(গ) টাই আহোম - খাং, টাকালি, কাঙ্কিণী ইত্যাদি
(ঘ) দ্ৰাবিড়ী শব্দ - ভেলা, বল্লম, পাৰা ইত্যাদি

(৩) অন্যান্য ভাষাৰ শব্দ -
(১) ভাৰতীয়
(ক) বাংলা ভাষা - অকাট্য, কাণ্ডজ্ঞান, উড়ণচণ্ডী, পটোলতোলা ইত্যাদি।
(খ) অসমীয়া - আইও, বাইও, জঞ্জাল, পালী, শিক্ষক ইত্যাদি।
(গ) উড়িয়া - সেজা মুতুৰা, আটকুৰা, হৰিনুট ইত্যাদি।
(ঘ) হিন্দী - আপোচ, খতম, খাতা, খুন, জান ইত্যাদি।
(ঙ) গুজৰাটী - হৰতাল
(চ) মাৰাঠী - হালকা, গাং ইত্যাদি
(২) অভাৰতীয়
(ক) ইংৰাজী - অফিচ, ফাইল, চেয়াৰ, টেবিল ইত্যাদি।
(খ) পৰ্তুগীজ - বাৰান্দা, বেহালা, মিস্ত্ৰী ইত্যাদি
(গ) আৰবী - আতৰ, উকিল, খবৰ, খাজনা ইত্যাদি।
(ঘ) ফাৰ্চী - আন্দাজ, কবৰ, গৰীব, খৰিদ্দাৰ ইত্যাদি।
(ঙ) নেপালী - খাল, চেপটা, ঝাপৰী, দ্ৰাব্ৰাদাব্ৰী ইত্যাদি।

OKDISCD

বাংলা, অসমীয়া আদি ভাষাৰ দৰে শব্দবোৰ ৰাজবংশী ভাষাও গ্ৰহণ কৰিছে। ওপৰোক্ত শ্ৰেণী বিভাজনৰ উপৰি ৰাজবংশী ভাষাৰ অন্যান্য অসংখ্য শব্দ পাওঁ। যিবোৰ শব্দক আমি ৰাজবংশী ভাষাৰ নিজস্ব শব্দ বুলি ক'ব পাৰোঁ। এই শব্দবোৰ বাংলা আৰু অসমীয়া ভাষাত পোৱা নাযায় মানৰ ফালৰ পৰা শব্দবোৰ বাংলা আৰু অসমীয়া ভাষাতকৈ কোনো গুণে হীন বা কম নহয়। ৰাজবংশী ভাষাত ল'ৰা-ছোৱালী উভয়কে বুজাবলৈ ছওয়া, ছওয়াপোয়া, ছওয়াছাটো আদি ৰূপ ব্যৱহাৰ কৰা হয়। আনহাতে আমি মান্য অসমীয়া বা বাংলা ভাষাত বুজাবলৈ তেনে ৰূপ দেখা নাপাওঁ। বাংলা আৰু অসমীয়া ভাষাত ব্যৱহাৰ নোহোৱা তেনে অসংখ্য শব্দ ৰাজবংশী ভাষাত আছে। বিস্তাৰৰ ভয়ত উল্লেখ কৰা নহ'ল।

**ৰাজবংশী ভাষাৰ ভেদ (variation of Rajbansi) :**

ৰাজবংশী ভাষিক গুষ্ঠীৰ মাজত আমি কিছু পাৰ্থক্য দেখা পাওঁ। কিছুমান ভাষাক বিভাষা হিচাপেও কোৱা দেখা যায়। যিহেতু অভিভক্ত গোৱালপাৰা পশ্চিম অঞ্চল অৰ্থাৎ বৰ্তমান ধুবুৰী জিলা, ৰংপুৰ, জলপাইগুৰি আৰু কোচবিহাৰৰ ভাষাই পৰম্পৰাগত ভাবে আহি ভাষা হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। আমাৰ আলোচনাত আমি উক্ত অঞ্চলৰ ভাষাকে মান্য ভাষা হিচাপে স্থান দিছোঁ। গ্ৰিয়াৰছনে গোৱালপাৰা, ৰংপুৰ, জলপাইগুৰি, মালদহ, দেশীয় ৰাজ্য কোচবিহাৰ আৰু বাহে বিভাষা দাৰ্জিলিং আদি ছ খন জিলাৰ ভাষাৰ কথা উল্লেখ কৰিছে। তেওঁৰ মতে উক্ত জিলা কেইখনৰ ভাষাৰ মাজত সিমান এটা পাৰ্থক্য নাই। ৰংপুৰ জিলাৰ ৰাজবংশী উপভাষাৰ মাজত আমি কিছু নাসিক্য ধ্বনিৰ প্ৰাধান্য লক্ষ্য কৰিছোঁ। মালদহৰ ৰাজবংশী উপভাষাৰ লগত কোচ ভাষাৰ মিশ্ৰণ ঘটিছে আৰু দাৰ্জিলিং জিলাৰ ৰাজবংশী উপভাষা আৰু শিলিগুৰি মহকুমাৰ তৰাই অঞ্চলৰ ভাষাৰ লগত উক্ত চাৰিখন জিলাৰ উল্লেখ কৰিব পাৰো বুলি গ্ৰিয়াৰছনে কয়। সেই হিচাপে আমি আমাৰ আলোচনাত পূৰ্বোল্লিখিত চাৰিখন জিলাৰ (পশ্চিম গোৱালপাৰা, ৰংপুৰ, কোচবিহাৰ আৰু জলপাইগুৰি) ভাষাক ৰাজবংশী মান্য ভাষা আৰু মালদহ আৰু দাৰ্জিলিঙৰ ভাষাক ৰাজবংশী উপভাষা হিচাপে স্থান দিব পাৰোঁ।

ব্লুমফিল্ডৰ মতে 'কোনো এটি অঞ্চলত বিভিন্ন ভাষিক গুষ্ঠীৰ লোকক শোহন কৰিলে এনে পাৰ্থক্য হ'ব পাৰে। আকৌ কোনো দেশত যদি বহু কাল ধৰি একে ভাষিক গুষ্ঠী থাকে তেনেহ'লে স্থানীয় পাৰ্থক্য অধিক হয়[২৩]।

**ৰাজবংশী ভাষাৰ বৰ্তমান অৱস্থা ঃ**

কোনো এটি ভাষাৰ উন্নতি নিৰ্ভৰ কৰে সেই ভাষাৰ সাহিত্য ৰচনা আৰু প্ৰচাৰৰ ওপৰত। আজিলৈকে এই ভাষাৰ ৰেডিঅ', দূৰদৰ্শন, বাতৰি কাকত আদিৰ ক্ষেত্ৰ সম্প্ৰচাৰ হোৱা দেখা নাযায় আৰু ই চৰকাৰৰ দ্বাৰা স্বীকৃত ভাষা নোহোৱাত ইয়াৰ উন্নতিৰ অন্তৰায় নোহোৱা নহয়। কিছুমান গণমান্য লিখকে তথা কিছুমান বেচৰকাৰী সামাজিক সংগঠন যথা অসমৰ ৰাজবংশী সাহিত্য সভা,



কোচ ৰাজবংশী সাহিত্য সভা, উত্তৰ বঙ্গৰ কামতাপুৰী সাহিত্য পৰিষদ, নেপালৰ ৰাজবংশী ভাষা বিকাশ সমিতি, বিহাৰৰ ৰাজবংশী ভাষা কল্যাণ পৰিষদ আদিয়ে এই ভাষাৰ উন্নতিৰ চিন্তা কৰি আছে আৰু বিভিন্ন গ্ৰন্থ আদি প্ৰকাশ কৰি আছে। আধুনিক ৰাজবংশী ভাষাৰ বিকাশৰ ক্ষেত্ৰত নতুন লেখক, গৱেষক আদিয়ে আগবাঢ়ি আহিলে নিশ্চয় ইয়াৰ ভৱিষ্যত আশা কৰিব পাৰি।

**উপসংহাৰ ঃ**

কোনো এটি মান্যভাষাৰ অৰ্থ হ'ল উপভাষাৰ সমাহাৰ। বহুতে ভাৱে কোনো এটি জনগোষ্ঠীয় ভাষাক উপভাষা বুলিয়ে কোৱা যুক্তি যুক্ত। ভাষা বিজ্ঞানৰ সূত্ৰ মতে ভাষা হ'ব লাগিলে আঠটা বৈশিষ্ট্যৰ প্ৰয়োজন [২৪] যথা (১) নিজস্ব শব্দ সম্ভাৰ (Vocabulary) (২) সৰ্বনাম (Pronoun) (৩) নিজস্ব ক্ৰিয়াৰূপ (Verb endings) (৪) নিজস্ব শব্দ ৰূপ (Case endings) (৫) নিজস্ব মৌখিক বা লিখিত সাহিত্য (Literature) (৬) উচ্চাৰণ ৰীতি (Intonation) (৭) নিজস্ব মানস বোধাত্মক ধ্বনি বিজ্ঞানগত অভিব্যক্তি (Psycho-acoustic notes) আৰু তান্মাত্ৰিক বোধাত্মক ধ্বনি বিজ্ঞান গত অভিব্যক্তি (inferantial acoustic notes) (৮) কৰ্তা - কৰ্ম গত ব্যাকৰণ সন্মত সংৰচনা শৈলী (Syntex)। ৰাজবংশী ভাষাত এই বৈশিষ্ট্য সমূহ সততে লক্ষ্য কৰা যায়। সেয়ে ই এটি স্বতন্ত্ৰ ভাষা বুলি কব পাৰো। ই উপভাষা নহয়। চৰকাৰৰ দ্বাৰা সাংবিধানিক স্বীকৃতি নাথাকিলেও ই এটি ভাষা। ■

**References :**


1. Chatterji, S.K., Kirata Jana Kriti, 1951. p - 60.
2. Goswami, U., Asamia Bhasar Udvab Samridhi Aru Bikash, 1994-96.
3. Rajtogir, Dr. Taracharan, Maulana Azad Academy Journal. (May 1-3, article) 1993.
4. Barman, S. Jag Gan, 1998, p - 126
5. Datta, B., Goalpara Lok Sanskriti, 1982. p - 18
6. Do No. 212 / 12/97 B (D) dt. 1997 from C.M. Ibrahi.
7. Grisrson, Linguistic Survey of India, Vol. - V, Pt - I, Rep. 1963, p - 163.
8. Anderson, J.D., Introduction to the koches, P. xvii.
9. Kakati, B., Assamese Its formation and Development, Rep, 1972, p-18.
10. Chattarji , S.K., Ibid, p-54.
11. Gait, E., A History of Assam, Rep. 1984, p-25.
12. Chatterji, The Orgin and Development of the Bengali Language, 1926, Sec. - 47.
13. Grierson, The Modern Indo Aryan Vernacular, 1931, Sec. 34.
14. Chatterji, The place of Assam in the History and Civilization of India, Lecture - II, Eec.3.
15. Datta, B., Flok Culture of the Goalpara Regiob, 1995 m p - 284.
16. Kakati, B. Ibid, p - 6.
17. Kakati, B. Ibid, p - 7.




OKDISCD

18. Ibid, Appendix A (7) p - 392.
19. Imperial Gazetter of India, 1909. p - 381.
20. Sanyal C.C. The Rajbansis of North Bengal, 1964, p - 250.
21. Ibid.
22. Ibid.
23. Bloomfield, L. Language, 1950, p - 47.
24. Sarkar, P., Byakaran Bijnan, pt - 3,1989, p - 1005

প্ৰকৃত চৰিত্ৰৱান, সমাজসেৱক, শিক্ষা প্ৰচাৰকৰ লগত সহবাস কৰিলে যিমানখিনি চৰিত্ৰ গঠন হয়, কাম কৰিবৰ মন যায়, আন কোনো উপায়েৰেই তিমানখিনি নহয়। সেয়েহে কওঁ কিতাপ পঢ়াতকৈ মানুহ পঢ়া ভাল।

— ৱাশ্বিংটন।

সংখ্যাগৰিষ্ঠতকৈ অধিক ঘৃণনীয় বস্তু আৰু একো নাই. মাত্ৰ কেইজনমান শক্তিশালী নেতাই সংখ্যাগৰিষ্ঠক বাট দেখুৱায়। বহুতো মুৰ্খ, মেৰুদণ্ডহীন মানুহে তেওঁলোকক অনুকৰণ কৰে আৰু জনতাই কি কৰিছে একো নজনাকৈয়ে তেওঁলোকৰ পিছে ঘূৰি ফুৰে।

— গ্যেটে।



# কোচৰ ইতিহাস কল্পিল

■ বিমল কুমাৰ বৰ্মন

কোচ-ৰাজবংশী সকল ভাৰতবৰ্ষৰ ভূমিপুত্ৰ। এই ভূমিপুত্ৰ সকল আৰ্থসামাজিক, ৰাজনৈতিক তথা শৈক্ষিক দিশত অতি পিছপৰা। কোচ-ৰাজবংশী জাতিৰ জাতীয় অস্তিত্ব আজি বিপদাপন্ন। তৎসত্ত্বেও জাতিটোৰ সৰহ সংখ্যক লোকেই জাতীয় অস্তিত্বক লৈ চিন্তিত নহয়। স্ব-জাতিৰ উন্নয়ণ উন্নতি তথা ঐক্য সংহতিৰে জাতীয় ভেটি শক্তিশালী কৰাত কোনোৱে আগ্ৰহী আৰু সচেতন নহয়। জাতিটোৰ মুষ্টিমেয় শিক্ষিত লোকসকলে জাতিটোৰ হৃত ইতিহাস উদ্ধাৰৰ ক্ষেত্ৰত প্ৰচেষ্টা চলোৱাটো দেখা নাযায়। কোচ-ৰাজবংশী জাতিৰ জাতীয় ঐক্য ধ্বংশ কৰি জাতিটোৰ জাতীয় উন্নয়ণৰ বিৰুদ্ধে চৰকাৰে হাত উজান দিয়াত জাতিটো পদে পদে ক্ষতিগ্ৰস্থ হৈছে। কোচ-ৰাজবংশীসকলৰ অতীত বুৰঞ্জীসমূহ পুনৰ উদ্ধাৰৰ বাবে চৰকাৰে যি পৃষ্ঠপোষকতা আগবঢ়াব লাগিছিল সেয়া আজিলৈকে হৈ নুঠিল। ফলশ্ৰুতিত একালৰ ঐতিহ্যময় কোচ-ৰাজবংশী জাতিৰ গৌৰৱময় ইতিহাস আজি কালৰ সোঁতত বিলীন হৈ যোৱাৰ উপক্ৰম হৈছে। কোচ-ৰাজবংশী জাতিটোৰ এই সংকট কালত আমি হাত সাৱটি বহি থাকিলে জাতিটোৰ শেষ অস্তিত্বকনো হেৰাই যাব। জাতিটোৰ অস্তিত্বৰ সংকট কালত ইতিহাসৰ হাতৰ পৰা হেৰাই যাব ধৰা পূৰ্ব পুৰুষ সকলক মনত পেলোৱাটো উচিত। কাৰণ যি জাতি স্বজাতিৰ মহান পূৰ্ব পুৰুষ সকলৰ প্ৰতি কৃতজ্ঞ নহয় সেই জাতি কেতিয়াও জীয়া জাতি হ'ব নোৱাৰে। কোচ-ৰাজবংশীৰ পূৰ্ব পুৰুষ সকলৰ ঐতিহ্যময় ইতিহাসক জাতিটোৰ অজ্ঞতাৰ সুযোগ লৈ এচাম জাত্যাভিমানী পণ্ডিতে নানান ৰহন সানি জাতিটোৰ ইতিহাস বিকৃত কৰাৰ ভুৰি ভুৰি প্ৰমাণ বিদ্যমান।

কোচ জাতিৰ মহা পৰাক্ৰমী বীৰ নৰকাসুৰ, ভগদত্তক অসুৰ বংশীয় ৰজাৰ শাৰীৰ বুৰঞ্জীত স্থান দি কোচ-ৰাজ বংশীয্যৰ বংশ পৰম্পৰাক বিকৃত কৰাৰ নীচ ষড়যন্ত্ৰ পূৰ্বৰে পৰা চলি আহিছে। জাত্যভিমানী পণ্ডিত সমাজে কোচ ৰজা-মহাৰাজ সকলৰ সৃষ্টিশীল গঠনমূলক কাম-কাজসমূহক ইতিহাসত সঠিক ভাৱে দাঙি ধৰাৰ তথা মূল্যায়ণৰ পৰিবৰ্তে বিকৃত ৰূপত নানান কল্প কাহিনীৰে অপযশ জাপি দিয়াটোহে দেখা যায়। এনে হীন ষড়যন্ত্ৰৰ পাকচক্ৰত পৰিয়েই স্ব-জাতিৰ লোকসকলে একালৰ স্ব-জাতিৰ বীৰ নৰকক এক দুষ্ট অসুৰ বুলি জ্ঞান কৰি আহিছে। ভাৰত বিখ্যাত প্ৰজাৰঞ্জক মহাৰাজ ভাস্কৰ বংৰ্মন কোচ -বংশীয় ৰজা হোৱা সত্ত্বেও স্ব-জাতিৰ লোকসকলে অতীত গৰিমাক লৈ গৌৰৱবোধ কৰিব আজিও নিশিকিলে। জাত্যভিমানী পণ্ডিত সমাজে অতি প্ৰাচীন কালৰ



OKDISCD

পৰা কোচ জাতিৰ ইতিহাসক বিকৃত কৰোৱাৰ যি হীন ষড়যন্ত্ৰ কৰি আহিছে তাৰ বলি হৈ আজিৰ স্ব-জাতিৰ লোক সকলে স্ব-জাতিৰ যিকোনো কথাতে হীনমন্যতাত ভুগী স্ব-জাতিৰ জাতীয় অস্তিত্বক এৰাই চলাটো দেখা যায়, এয়া জাতিটোৰ বাবে দূৰ্ভাগ্যজনক নহয় নে ? মধ্যযুগত কোচ-কমতাৰ শাসনৰ বাঘজৰী কোচ বংশীয় ৰজা-মহাৰাজৰ হাততেই ন্যস্ত আছিল। অসম তথা উত্তৰ পূৰ্বাঞ্চললৈ সুদূৰ কনৌজৰ পৰা ভাষা কৃষ্টি সংস্কৃতিৰ বিকাশ তথা উন্নয়ণৰ স্বাৰ্থতেই এই কোচ-ৰাজবংশী ৰজা-মহাৰজা সকলেই সাত ঘৰ ব্ৰাহ্মণ আৰু সাত ঘৰ কায়স্থ আনি ৰজাঘৰীয়া পৃষ্ঠ পোষকতাত নগাঁওৰ আলি পুখুৰীত সংস্থাপিত কৰিছিল। সেই বংশতেই শিৰোমনি ভূঞাৰ বংশত মহাপুৰুষ শংকৰদেৱৰ জন্ম হৈছিল। অকল সেয়াই নহয় মহাপুৰুষ শংকৰদেৱ আহোম স্বৰ্গদেউৰ ৰোষত পৰি কোচ মহাৰজা নৰ নাৰায়ণ আৰু বিশ্ব মহাবীৰ চিলাৰায়ৰ ছত্ৰ-ছায়াতহে তথা সহযোগত অসমীয়া মহাজাতিৰ মহাদেউল নিৰ্মাণ কৰিছিল। তৎসত্বেও জাত্যাভিমানী তোষামোদকাৰী পণ্ডিত সকলে ৰাজ অনুগ্ৰহতেই কোচ সকলৰ বংশ পৰম্পৰাৰ বিকৃত ইতিহাস প্ৰণয়ন কৰিছিল। ব্ৰাহ্মণ কালীচন্দ্ৰ লাহাড়ী আৰু মুন্সি জয়নাথ ঘোষে লিখা 'ৰাজোপাখ্যান'ত শৈল ৰাজৰ জীয়ৰী ৰেবতী দেৱীক হীৰাদেৱী বা হীৰেতী কৰি মেছৰ কন্যা ৰূপে অংকন কৰি কোচ-ৰাজবংশৰ ইতিহাস বিকৃত কৰিছে। ইয়াৰ পৰবৰ্তীকালত অন্যান্য বুৰঞ্জীবিদ বা লেখকসকলেও উক্ত গ্ৰন্থক সাৰোগত কৰি সম্পূৰ্ণ কল্প কাহিনীৰে সতি - সন্তানহীন পথাৰত হাড়িয়াই পথাৰত হাল বাই থাকোতে পথাৰত যা-জলপান দিয়া হীৰাক স্বয়ং মহাদেব হাড়ীয়াৰ ৰূপ ধাৰণ কৰি এডোখৰ নিৰ্জন ঠাইত ৰমণ কৰোৱাই হীৰাৰ গৰ্ভত দেৱ বীৰ্যজাত বিশুৰ জন্ম দেখুৱাই কোচ-ৰাজবংশক দেবোত্ত আৰোপ কৰি প্ৰকাৰন্তে হাড়িয়াক ন-পুংসক সজাই কোচ-জাতিৰ ইতিহাস বিকৃত কৰিছে। নৰ- নাৰায়ণ আৰু চিলাৰায়ৰ ভাতৃপ্ৰেম বিশ্বতেই বিৰল। এই ভাতৃপ্ৰেমক কেৱল অযোধ্যাৰ ৰজা ৰামচন্দ্ৰ আৰু লক্ষণৰ ভ্ৰাতৃপ্ৰেমৰ লগত তুলনা কৰিব পাৰি। নৰ-নাৰায়ণে ভ্ৰাতৃ চিলাৰায়ক মৰমতে 'নুনু' বুলি মাতিছিল। যিগৰাকী নুনুই জ্যেষ্ঠ ভ্ৰাতাৰ ৰাজ্য নিষ্কণ্টক তথা কোচ-সাম্ৰাজ্যৰ সীমা বিস্তৃত কৰাৰ বাবে দিনে নিশাই চিলাৰ দৰে উৰি যুদ্ধ কৰি ফুৰিছিল। তেনে এগৰাকী মহান ভাতৃভক্তকো তথা কথিত জাত্যাভিমানী পণ্ডিত সমাজে জন মানসত হেয় প্ৰতিপন্ন কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈ কল্প কাহিনীৰ আশ্ৰয় লৈ বুৰঞ্জী কলুসিত কৰিছে। কল্প কাহিনীত দেখুৱা হৈছে যে চিলাৰায় ৰাজ সিংহাসনৰ লোভত পৰি জ্যেষ্ঠ ভাতৃ মহাৰাজ নৰনাৰায়ণক গুপ্ত ভাৱে ৰাজ প্ৰসাদত হত্যা কৰাৰ এক ষড়যন্ত্ৰত লিপ্ত হৈ পৰিছে। কিন্তু ৰাজ ইষ্টদেৱী মহা ভৈৰৱীৰ কৃপা দৃষ্টি নৰ-নাৰায়ণৰ প্ৰতি থকাত চিলাৰায়ৰ এই প্ৰচেষ্টা ব্যৰ্থ হয়। প্ৰাচীন কালৰে পৰা জাত্যভিমানী পণ্ডিত সমাজে কোচ-ৰাজবংশী ইতিহাসক যি বিকৃত কৰি আহিছে তাৰ পৰি-প্ৰেক্ষিততেই কোচ-ৰাজবংশীৰ অতীত ইতিহাসক পূণৰ মূল্যায়ণৰ প্ৰয়োজন হৈ পৰিছে। অসম সাহিত্য সভা তথা অসম চৰকাৰে



কোচ-ৰাজবংশীৰ ঐতিহ্যময় ইতিহাসক গৱেষণা কৰাৰ ক্ষেত্ৰত যি উদ্যোগ তথা প্ৰচেষ্টা লব লাগিছিল সেয়া আজিও হৈ নুঠিল। এনে ক্ষেত্ৰত কোচৰ নৱ-প্ৰজন্মই যাতে জাত্যাভিমানী পণ্ডিত সকলৰ বিকৃত ইতিহাসৰ কল্প কাহিনীৰ পাক-চক্ৰত নপৰে তাৰ বাবে এই লিখনিটোত কোচ জাতিৰ ইতিহাসৰ কেইটিমান কথা দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ল।

আনুমানিক পঞ্চম শতাব্দীত সাংগল দেৱ বা সাংকল বা শংকল দীপ নামৰ এজন কোচ বংশীয় ৰজাই মহা পৰাক্ৰমেৰে কামৰূপ ৰাজ্যত ৰাজত্ব কৰিছিল বুলি সু-প্ৰসিদ্ধ মুছলমান ঐতিহাসিক মহম্মদ ফেৰিস্তাৰ বুৰঞ্জীৰ পৰা জানিব পৰা যায়। চাৰি হাজাৰ গজাৰোহী, এক লক্ষ অশ্বাৰোহী আৰু চাৰি লক্ষ পদাতিক সৈন্যৰে বিশাল সামৰিক বাহিনী আছিল শংকল দীপৰ। শংকলদীপ ৰজাই উত্তৰ ভাৰতৰ সামন্ত ৰজা কেদাৰ ব্ৰাহ্মণক যুদ্ধত পৰাস্ত কৰি উত্তৰ ভাৰতো বিজয় কৰিছিল। পাৰস্য বিজেতা আফ্ৰচিয়াবৰ লগত প্ৰথম যুদ্ধত শংকলাদীপ জয়ী হয় যদিও অৱশেষত এখন ছলনাময়ী যুদ্ধত শংকলাদীপৰ পৰাজয় ঘটে। এই যুদ্ধত শংকলাদীপ পৰাস্ত হৈ পলাই যায় যদিও অৱশেষত তেওঁ আফ্ৰচিয়াবৰ ওচৰত আত্ম সমৰ্পণ কৰে। এই যুদ্ধত তেৰ হাজাৰ তুৰ্কী সৈন্য আৰু পঞ্চাশ হাজাৰ কোচ সৈন্য প্ৰাণ হেৰুৱা বুলি প্ৰখ্যাত উৰ্দু লিখক ফিৰ্দুচীৰ শাহনামা গ্ৰন্থত লিপিবদ্ধ আছে। শংকলাদীপ বা শংকল বা সাংগল দেৱ নামৰ কোচ ৰজা এজন চতুৰ্থ পঞ্চম শতিকাত পৰাক্ৰমী হৈ উঠাৰ কথা এডৱাৰ্ড গেইট চাহাবে 'History of Assam' গ্ৰন্থত উল্লেখ কৰিছে।

১২০৬ খৃঃত পৃথু বা জলেশ্বৰ কামৰূপৰ ৰাজপাটত বহিছিল বুলি মুছলমান বুৰঞ্জীবিদ মিন হাজাৰৰ 'তবকৎ ই নাচিৰি' আৰু বুকানন হেমিলটনৰ বিৱৰণত উল্লেখ আছে। ১২২৮ খৃঃত দিল্লীৰ চুলতান নাচিৰুদ্দিনৰ সৈতে হোৱা এখন যুদ্ধত পৃথু বা জলেশ্বৰৰ মৃত্যু হৈছিল। জলপাইগুৰীত পৃথুই জলেশ্বৰ শিৱ মন্দিৰ আৰু পৃথুৰজাৰ গড় নিৰ্মাণ কৰিছিল। ১২৫০ খৃঃত সন্ধ্যা ৰায় কামৰূপৰ ৰাজ সিংহাসনত বহিছিল। ৰাজপাটত বহিয়েই কামৰূপ ৰাজ্যৰ নাম কামৰূপ কামতা বা কমতা ৰাজ্য আৰু নিজকে কমতেশ্বৰ ওৰফে কামেশ্বৰ বুলি ঘোষণা কৰিছিল। সন্ধ্যা ৰায়ে ১২৫৭ খৃঃত বংগৰ চুবেদাৰ মালক উজবেক তুঘ্ৰিল খাঁৰ আক্ৰমণ প্ৰতিহত কৰি যুদ্ধত তেওঁক পৰাস্ত কৰিছিল। ১২৬০ খৃঃচ সন্ধ্যা ৰায়ে উত্তৰ গুৱাহাটীৰ পৰা ৰাজ্যৰ ৰাজধানী উত্তৰ বংগৰ কমতাপুৰলৈ স্থানান্তৰিত কৰিছিল। সন্ধ্যা ৰায়ৰ (১২৭০ - ১২৮৫) পিছত ক্ৰমে ৰূপ নাৰায়ণ, সিংহধ্বজ আৰু প্ৰতাপধ্বজ কমতা ৰাজ্যৰ ৰজা হৈছিল। প্ৰতাপধ্বজৰ মৃত্যুৰ পিছত পুত্ৰ দুলভ নাৰায়ণৰ পৰা ভতিজা ধৰ্ম নাৰায়ণে কমতা ৰাজ্যৰ ৰাজপাট কাঢ়ি লোৱা বুলি কামচৰণ ঠাকুৰৰ 'গুৰু চৰিত' পুথিৰ পৰা জানিব পৰা যায়। পৰবৰ্তী কালত অৱশ্যে দুয়ো ককাই-ভাইৰ মাজত উদ্ভৱ হোৱা যুদ্ধৰ অৱসান ঘটাত কমতা ৰাজ্য দুই ভাগত বিভক্ত হৈছিল কমতা ৰাজ্যৰ উত্তৰ আৰু পূৱ অংশ দুৰ্লভ নাৰায়ণৰ ভাগত আৰু দক্ষিণ

OKDISCD

অংশৰ ৰংপুৰ, মৈমনসিং আদি ধৰ্ম নাৰায়ণৰ ভাগত পৰিছিল। ৰাজ্য বিভক্ত হোৱাৰ পিছত দুৰ্লভ নাৰায়ণে কামেশ্বৰ বা কমতেশ্বৰ আৰু ধৰ্ম নাৰায়ণে গৌড়েশ্বৰ উপাধি গ্ৰহণ কৰিছিল। দুই ভাই-ককাইৰ মাজত যুদ্ধৰ মিত্ৰতা সূত্ৰে দুৰ্লভ নাৰায়ণে সাত ঘৰ ব্ৰাহ্মণ আৰু সাত ঘৰ কায়স্থ ধৰ্ম নাৰায়ণৰ পৰা উপহাৰ হিচাবে গ্ৰহণ কৰা বুলি চৰিত পুথিত উল্লেখ আছে। দুৰ্লভ নাৰায়ণে ৰাজ পৃষ্ট পোষকতাত নগাওঁৰ আলিপুখুৰীত শিৰোমণি ভূঞা পতা চণ্ডবৰৰ বংশতেই পৰবৰ্তী কালত অসমীয়া জাতিৰ মহাদেউল নিৰ্মাতা মহাপুৰুষ শংকৰদেৱৰ জন্ম হৈছিল বুলি ইতিমধ্যে প্ৰৱন্ধটিত উল্লেখ কৰা হৈছে। দুৰ্লভ নাৰায়ণৰ মৃত্যুৰ পিছত পুত্ৰ ইন্দ্ৰ নাৰায়ণ (১৩৩০ - ১৩৫০ খৃঃ) কমতা ৰাজ্যৰ ৰজা হৈছিল। ইন্দ্ৰ নাৰায়ণৰ মৃত্যুৰ পিছত আৰিমত্ত, ফিঙুৱা, জোঙাল, কান্তেশ্বৰ নীলাম্বৰ আদি বহু কোচ বংশীয় ৰজাই কমতা ৰাজ্যৰ ৰাজপাটত বহিছিল বুলি জনা যায়। ১৪৯৩ খৃঃ পৰা ১৫১৩ খৃঃ ভিতৰত হুচেইন শ্বাহে কমতা ৰাজ্য বিজয় কৰি দখল কৰিছিল। ১৫০৩ খৃঃত কোচ সকলে স্বৰাজ্য উদ্ধাৰৰ নিমিত্তে হুচেইন শ্বাহৰ পুত্ৰ দানিয়েলৰ দুৰ্গ আক্ৰমণ কৰিছিল। এই আক্ৰমণত দানিয়েলৰ মৃত্যু হোৱাত কমতা ৰাজ্য পুনৰ বিদেশী মুক্ত হৈছিল। ড° নগেন্দ্ৰ নাথ সম্পাদিত 'বিশ্বকোষ' মতে কোচ জাতিৰ আক্ৰমণত তিষ্ঠিব নোৱাৰিহে ১৫২৩ খৃঃত গৌড়ীয় মুছলমান বাহিনীয়ে কমতা ৰাজ্য ত্যাগ কৰিবলৈ বাধ্য হৈছিল। ইয়াৰ পিছত ৰজাহীন কমতা ৰাজ্যত কিছু বছৰ অৰাজকতাই দেখা দিছিল। গুৰিয়াল বিহীন কমতা ৰাজ্যত নানা ৰকমৰ অশান্তিয়ে গা কৰি উঠিছিল। এই সময়চোৱাৰ ভিতৰতে ভূঞা সকলে নিজ নিজ অঞ্চলত সুকীয়া সুকীয়া ৰাজ্য স্থাপন কৰিছিল। ৰাজ্যত দেখা দিয়া অৰাজকতাৰ পৰা হাত সাৰিবলৈ পূৱে মানাহ, পশ্চিমে সোনকোষ, উত্তৰে হিমালয় আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ এই মধ্যবৰ্তী অঞ্চলৰ সকলোৱে লগ লাগি হাড়িয়াক মণ্ডল পাতি লৈছিল। হাড়িয়া মণ্ডলৰ পুত্ৰ বিশু সিংহই ওৰফে বিশ্ব সিংহই ১৫১৫ খৃঃত প্ৰাচীন কমতা ৰাজ্যক কোচ ৰাজ্যৰ প্ৰতিষ্ঠা কৰি মহা প্ৰাতাপেৰে ৰাজত্ব কৰিছিল। বিশ্ব সিংহই নৰিয়াপাটিত পৰা লগে লগে কোচ সাম্ৰাজ্যৰ সিংহাসনক লৈ ৰাজপুত্ৰ সকলৰ মাজত গৃহকন্দলৰ সূত্ৰপাত হৈছিল। জ্যেষ্ঠ ভাতৃ নৰসিংহই কোচ ৰাজ্যৰ দাবীদাৰ হৈ নিজকে কমতা ৰাজ বুলি ঘোষণা কৰাৰ প্ৰচেষ্টা চলাইছিল। বানাৰসিত অধ্যয়নৰত মল্লধ্বজ আৰু শুক্লধ্বজে জ্যেষ্ঠ ভাতৃৰ সবিশেষ বাৰ্তা দূতৰ মুখে জানিব পাৰি সিমানতে শিক্ষা সাং কৰি স্ব-ৰাজ্যলৈ ঘূৰি আহিছিল। মল্লধবজ আৰু শুক্লধ্বজৰ আগমণৰ বাতৰি শুনি জ্যেষ্ঠ ভাতৃ নৰসিংহই নেপাললৈ পলাই গৈছিল। জ্যেষ্ঠ ভাতৃৰ নৰসিংহৰ তেজেৰে ৰঞ্জিত নোহোৱাকৈয়েই ১৫৪০ খৃঃত ভায়েক শিৱ সিংহই মল্লধ্বজক 'নৰনাৰায়ণ' নাম দি ৰাজপাটত বহুৱাই ৰাজমুকুট পিন্ধাইছিল। শুক্লধ্বজক সংগ্ৰাম সিংহ নাম দি ৰাজপাটত বহুৱাই ৰাজমুকুট পিন্ধাইছিল। শুক্লধবজক সংগ্ৰাম সিংহ নাম দি প্ৰধান সেনাপতিৰ দায়িত্বভাৰ অৰ্পণ কৰিছিল। মহাৰাজ নৰনাৰায়ণ আৰু সংগ্ৰাম সিংহ ওৰফে বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰচেষ্টাতেই পোন প্ৰথমে আৰম্ভ হৈছিল বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া। দুয়ো গৰাকী ভাই-ককাইৰ পৃষ্ঠ পোষকতাত নব ৰত্নই অসমীয়া ভাষা সাহিত্যৰ ভাণ্ডাৰ চহকী কৰি অসমীয়া ভাষা সংস্কৃতিক জগত সভালৈ আগবঢ়াই নিয়ে। সংগ্ৰাম সিংহ বা চিলাৰায়ৰ মৃত্যুৰ পিছত মহাৰাজ নৰনাৰায়ণ দুৰ্বল হৈ পৰে। বহুদিনলৈ মহাৰাজ নৰনাৰায়ণে কোনো সতি-সন্তান নোহোৱাত চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱ নাৰায়ণক কোচ ৰাজ্যৰ ভাবি যুৱৰাজ পাতিছিল। বৃদ্ধাৱস্থাত ১৫৬৭ খৃঃত ভানুমতীৰ গৰ্ভত নৰ নাৰায়ণৰ এটি পুত্ৰ সন্তানৰ জন্ম হয়। নৰনাৰায়ণৰ পুত্ৰ সন্তানটিৰ নাম আছিল লক্ষ্মী নাৰায়ণ। লক্ষ্মী নাৰায়ণৰ জন্মৰ পিছৰে পৰা ৰঘুদেৱ নাৰায়ণ বিদ্ৰোহী হৈ উঠে। কুপৰমাৰ্শদাতাৰ প্ৰবোচনাত ৰঘুদেৱ নাৰায়ণে জেঠাকৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি মানাহ নদীৰ পাৰত অৱস্থিত বৰ নগৰত বাহৰ পাতি থাকি লয়। আৰম্ভ হয় মহা পৰাক্ৰমী কোচ ৰাজ্যৰ পতনৰ যুগ। বৃদ্ধাৱস্থাত নৰনাৰায়ণে উপায়ন্তৰ হৈ অনিচ্ছা সত্বেও ১৫৮১ খৃঃত সোণকোষ নদীক সীমা ধৰি সেই নদীৰ পূৱৰ সমূদায় ভূখণ্ড ৰঘুদেৱ নাৰায়ণক এৰি দিয়ে। তেতিয়াৰ পৰা কোচ ৰাজ্য দুই ভাগত বিভক্ত হয়। এখনৰ নাম কোচ বেহাৰ ৰাজ্য আৰু আনখনৰ নাম কোচ-হাজো। এই বিভাজনৰ ফলশ্ৰুতিত ঐক্যবদ্ধ কোচ শক্তি দুৰ্বল হৈ পৰে আৰু পূৰ্বৰ গৌৰৱ আৰু প্ৰতিপত্তি ক্ৰমাত হ্ৰাস পাবলৈ ধৰে। কোচৰ এই বিভাজনে পূৱফালে আহোম শক্তিৰ আৰু পশ্চিমফালে মোগল শক্তিৰ বাট মুকলি কৰি দিয়ে। অকল সেয়াই নহয় কোচ সকলৰ এই বিভাজনে কোচ জাতিৰ অস্তিত্বকে বিপদাপন্ন কৰি তোলে। ৰজা ঘৰীয়া গৃহকন্দলে প্ৰজা বৰ্গৰ মাজতো মুচিব নোৱাৰা এক বিভেদৰ সৃষ্টি কৰে। কোচ-ৰাজবংশীৰ এই বিভাজনৰ গইনা লৈয়েই বিভেদকামী শক্তিয়ে কোচ ৰাজবংশী জাতিৰ শেষ অস্তিত্বকণকো মষিমূৰ কৰাৰ বু প্ৰীণ্ট তৈয়াৰ কৰি এক ষড়যন্ত্ৰত লিপ্ত হৈ পৰিছে। এনে পৰিস্থিতিত প্ৰতিজন কোচ - ৰাজবংশীয়ে অতীতৰ বিভাজনমুখী মনোভাব পৰিহাৰ কৰি স্ব জাতিক ৰক্ষা কৰিবলৈ কান্ধত কান্ধ মিলাই জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত জপিয়াই পৰাটো সময়ৰ আহ্বান বুলি বিবেচিত হৈছে। ■

---

**কলমেৰে লিখা অসত্যৰে কেতিয়াও তেজেৰে লিখা সত্যক ঢাকিব নোৱাৰি। তেজৰ ঋণ তেজেৰে সোধ কৰিব লাগিব ; নহ'লে যিমানেই পলম হ'ব সিমানেই সোধৰ পৰিমাণ বাঢ়ি যাব।**

— লুচুন।

OKDISCD

# অসমৰ জনগোষ্ঠীয় সমস্যা আৰু স্বায়ত্বশাসন

শ্ৰীআনন্দ ৰাজবংশী

ব্ৰহ্ম পুত্ৰ সভ্যতাৰ ইতিহাস অতি প্ৰাচীন। প্ৰাগ-ঐতিহাসিক যুগৰ পৰাই কাৰ্বি, বড়ো, কছাৰী, ৰাভা, চুতিয়া, কোঁচ, মেছ, ডিমাছা, মিকিৰ, গাৰো, লালুং, বৰ্মন, কলিতা, ব্ৰাহ্মিণ, কোল, মুণ্ডা, ভীল, মুছলমান, আদি বিভিন্ন ভাষা ধৰ্ম আৰু গোষ্ঠীৰ লোকৰ পাৰস্পৰিক সম্পৰ্ক আৰু সংশ্লেষণৰ ফলশ্ৰুতিত গঢ় লৈ উঠিছে বৃহত্তৰ অসমীয়া জাতি। একেদৰে প্ৰতিটো জনগোষ্ঠীৰ নিজস্ব ভাষা সংস্কৃতিৰ সংমিশ্ৰণত গঢ় লৈ উঠিছে অসমীয়া ভাষা-সংস্কৃতি। অসমীয়া ভাষা সংস্কৃতিৰ বিকাশত বিশেষকৈ জনজাতীয় গোষ্ঠীসমূহৰ অৱদান উল্লেখনীয়। কিনতু জনজাতীয় গোষ্ঠীসমূহৰ ভাষা সংস্কৃতিৰ বিকাশৰ ক্ষেত্ৰত জনজাতীয় সকলৰ সহযোগিতা মূলক হোৱাৰ বিপৰীতে বিৰোধী ভূমিকাৰ ফলতেই ৰাজ্য খনত জনগোষ্ঠীয় সংঘাটৰ সৃষ্টি হৈছে। বিগত তিনিটা দশকৰ পৰা অসমত বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠীৰ গোষ্ঠী চেতনাৰ ক্ৰমবৰ্দ্ধমান বিকাশ লক্ষ্য কৰা দেখা যায়। অসম সাহিত্য সভাই ৰাজ্যখনৰ সকলো শ্ৰেণীৰ ৰাইজৰ সহযোগ সমৰ্থনেৰে এটা সৰ্ববৃহৎ জাতীয় অনুষ্ঠানৰ মৰ্যাদা আৰু পৰিচিতি লাভ কৰাৰ পিচকো অসমীয়া ভাষা সাহিত্যৰ বিকাশৰ বাদে আন জনগোষ্ঠীসমূহৰ ভাষা সংস্কৃতিৰ বিকাশৰ লক্ষ্যৰে নিজ নিজ ভাষা সংস্কৃতিৰ বিকাশৰ লক্ষ্যৰে নিজ নিজ গোষ্ঠীৰ লোকক সামৰি সাহিত্য সভা গঠন কৰিলে। সেদৌ অসম ছাত্ৰ সন্থাই ৰাজ্যখন্যৰ 'ভাষা আন্দোলন' মাধ্যম আন্দোলন, তেল শোধনাগাৰ আন্দোলন, 'খাদ্য আন্দোলন' আৰু 'বিদেশী বহিষ্কাৰ'ৰ দাবীত চলোৱা ঐতিহাসিক ছবছৰীয়া 'অসম আন্দোলন'ৰ সময়ছোৱাত ৰাজ্যখনৰ সকলোবোৰ খিলঞ্জীয়া জনগোষ্ঠীৰ ছাত্ৰ সমাজৰ সহযোগ আৰু সমৰ্থন লাভ কৰিবলৈ সক্ষম হৈছিল। কিন্তু সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বধাৰী সকলৰ দুৰদৰ্শিতাৰ অভাৱত খিলঞ্জীয়া জনগোষ্ঠী সমূহৰ শৈক্ষিত, সামাজিক, ভাষা-সংস্কৃতি, অৰ্থনৈতিক ব্যৰ্থ হোৱাৰ ফলস্বৰূপেই প্ৰতিটো জনজাতীয় গোষ্ঠীৰ ছাত্ৰ সমাজে সদৌ অসম ছাত্ৰ সন্থাৰ ওপৰত আস্থা আৰু বিশ্বাস হেৰুৱাই নিজস্ব জনগোষ্ঠীৰ ছাত্ৰ সমাজক লৈ ছাত্ৰ সংগঠন গঠন কৰিছে। জাতিসত্বাৰ পৰ্য্যায়লৈ বিকাশ লাভ কৰিব ধৰা বিভিন্ন জনগোষ্ঠীৰ মাজত স্বকীয় অস্তিত্ব ৰক্ষা, সাংস্কৃতিক, অৰ্থনৈতিক বিকাশৰ দাবীত বিক্ষিপ্ত সংগ্ৰাম গঢ় লৈ উঠিছে। অতি সম্প্ৰতি অসমত সংৰক্ষণ, অনুসূচীকৰণ, ভাষা - লিপি আদি সমস্যাৰ পৰা বিভিন্ন পৰ্য্যায়ৰ ৰাজনৈতিক স্বায়ত্ব শাসনৰ দাবী উত্থাপিত হৈছে। জন গোষ্ঠী সমূহৰ বিকাশৰ এনে আশা-আকাংক্ষা খুবেই স্বাভাৱিক আৰু বাস্তৱসন্মত। অসমৰ জনগোষ্ঠীয় সমস্যা আৰু স্বায়ত্ব শাসন প্ৰসংগক লৈ আলোচনা কৰিবলৈ হ'লে অসমৰ জনগোষ্ঠীয় সমস্যাৰ স্বৰূপ আৰু ইয়াত বিভিন্ন জনগোষ্ঠীৰ স্থিতি সম্পৰ্কে জনাটো প্ৰয়োজন।

সাম্প্ৰাতিক কালৰ এগাৰাকী বিশিষ্ট সমাজ বিজ্ঞানী এচ. চি. ডুবেই লিখিছে - "Tribal sub-nationalism dormant in some parts and explosive in others contributes to the uneasy masaic so characterstic of contemporary India. Evidence of simmering discontent is all too clear. Dark and ominous clouds are gethering on the teribal horiyon a cloud-burst, sollowed by an tornado, may come any day." অসমৰ জাতীয় জীৱনৰ অন্যতম অংশীদাৰ কাৰ্বি, বড়ো, ডিমাচা, মিচিং, কোঁচ, আহোম, মৰাণ, মোটক, তিৱা, দেউৰী, সোণোৱাল কছাৰী আদি খিলঞ্জীয়া জনগোষ্ঠী সমূহে নিজৰ স্বকীয় পৰিচয় ৰক্ষা আৰু আত্ম বিকাশৰ দাবীত যি বিক্ষিপ্ত আন্দোলন গঢ়ি তুলিছে। সিয়ে উল্লেখিত উক্তিটোৰ যথাৰ্থতা প্ৰতিপন্ন কৰিছে।

অসমৰ জনগোষ্ঠীয় সমস্যা সমূহক ঘাইকৈ তিনিটা ভাগত বিভক্ত কৰিব পাৰি। (ক)সংৰক্ষণ, (খ)অনুসূচীকৰণ আৰু (গ)স্বায়ত্বশাসন।

আমি জানো যে পশ্চাদপদ জনগোষ্ঠীসমূহক সামাজিক আৰু অৰ্থনৈতিক ভাবে আগবঢ়াই আনিবলৈ ভাৰতবৰ্ষৰ সংবিধানে কেতবোৰ বিশেষ সুযোগ-সুবিধা প্ৰদান কৰিছে। অনুসূচীত জাতি, অনুসূচীত জনজাতি, অন্যান্য পিচপৰা শ্ৰেণী আদি সুৰক্ষিত শ্ৰেণীৰ লোকসকলৰ বাবে এনে সুবিধা সমূহ সংৰক্ষিত। চাকৰি-বাকৰি, ঠিকা-ঠুকুলি, শিক্ষা গ্ৰহণ, পদোন্নতি, সংস্থাপনৰ উদ্দেশ্যে বিভিন্ন কল্যাণমূলক অনুদান লাভ, ৰাষ্টা-ঘাট, বিজুলী সেৱা আদি বিভিন্ন ক্ষেত্ৰত অনুদান লাভ কৰা ইত্যাদিত সংৰক্ষণৰ ব্যৱস্থা আছে।

অসমৰ কোঁচ ৰাজবংশী, চাহজনগোষ্ঠী, আহোম, মৰাণ, মটক, চুতীয়া আদি জনগোষ্ঠীয়ে অনুসূচীকৰণৰ দাবীত বিভিন্ন পৰ্য্যায়ত আন্দোলমন গঢ়ি তুলিছে। কোঁচ ৰাজবংশী আৰু চাহজনগোষ্ঠীসকল অসমৰ বাদে অন্যান্য ৰাজ্যত অনুসূচীভূক্ত (মেঘালয়, পশ্চিমবঙ্গ, বিহাৰ ইত্যাদি), কিন্তু অসমত নহয়। আনকি বৃটিছৰ অসমতো এওঁলোক অনুসূচীভুক্ত আছিল। কোঁচ সকল মঙ্গোলীয় বড়ো জনগোষ্ঠীৰ বংশধৰ। অসমৰ ভূমিপুত্ৰ এসময়ত ৰাজ্যশাসন চলোৱা ৰাজ্যখন্যৰ বৃহত্তম জনগোষ্ঠীটোৰ জাতীয় সংগন সমূহে য়াঠিৰ দশকৰ পৰাই জনগোষ্ঠীটোক জনজাতিৰ স্বীকৃতি প্ৰদানৰ দাবীত অবিৰত ভাবে আন্দোলন চলাই আহিছে। ১৯৯৬ চনত ভাৰতবৰ্ষৰ তদানীন্তন মহামান্য ৰাষ্ট্ৰপতিয়ে এক অধ্যাদেশ জাৰি কৰি কোঁচ ৰাজবংশী জনগোষ্ঠীটোক অনুসূচীত জনজাতিৰ মৰ্যাদা প্ৰদান কৰে। ৰাষ্ট্ৰপতিৰ দ্বাৰা ছয়মাহৰ অন্তৰে অন্তৰে তিনিবাৰকৈ অধ্যাদশ জাৰি কৰাৰ পিচতো সংসদত বিল উত্থাপন কৰি এই বিষয়ক এখন আইন প্ৰস্তুত কৰাৰ ক্ষেত্ৰত শাসক বিৰোধী ৰাজনৈতিক দল নেতাৰ ৰাজনৈতিক ষড়যন্ত্ৰৰ কাৰণে জনগোষ্ঠীটো প্ৰাপ্য অধিকাৰৰ পৰা আজিকোপতি বঞ্চিত হৈ থাকিল। পৰৱৰ্তী

OKDISCD

কালত জনগোষ্ঠীটোক অনুসূচীত কৰণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰলৈ ৰাজ্য চৰকাৰৰ অনুমোদন পত্ৰ প্ৰেৰণৰ ক্ষেত্ৰতো ষড়যন্ত্ৰমূলক ভাবে অইন পাঁচটা জনগোষ্ঠীৰ নাম একোখন তালিকাত সন্নিবিষ্ট কৰি জনগোষ্ঠীটোৰ আশাত চেচা পানী ঢালিলে।ইতিমধ্যে ছটা জনগোষ্ঠীয়ে উমৈহতীয়া মঞ্চ গঠন কৰি অনুসূচী কৰণৰ দাবীত বিভিন্ন পৰ্য্যায়ত আন্দোলন অব্যাহত ৰাখিছে।

শৰণীয়া সকলৰ কছাৰী জনগোষ্ঠীটোৰ এটা ফৈদ। এই জনগোষ্ঠীটোৱে এটা সুকীয়া উপজাতি হিচাপে স্বীকৃতি লাভ কৰি সকলো ধৰণৰ সাংবিধানিক সা সুবিধা লাভ কৰি আহিছে।১৯৬৭ - ৬৮ ইং চনলৈকে জনজাতীয় তালিকাত শৰণীয়া উপ জনজাতি গোষ্ঠী হিচাপে বাহাল আছিল। কিন্তু ১৯৭৬ চনৰ সংশোধিত তালিকাত অন্যান্য উপ জনগোষ্ঠীসমূহৰ লগতে শৰণীয়া জনগোষ্ঠীৰ নাম বিলুপ্তি ঘটাই মূল গোষ্ঠীত অন্তভূক্ত কৰিছে। উল্লেখযোগ্য যে তালিকাত নাম নথকা অন্যান্য উপজনগোষ্ঠী সমূহে লাভ কৰি অহা জনজাতিৰ মৰ্য্যদা শৰণীয়া সকলেও পোৱাটো উচিত। কিন্তু উপাধিৰ অচিলাৰে এই জনগোষ্ঠীৰ পিতৃ-পিতা মোহে লাভ কৰি অহা জনজাতিৰ প্ৰমাণ পত্ৰ সতি-সন্ততি সকলে লাভ কৰাৰ পৰা বঞ্চিত হব লগীয়া হোৱাটো দুৰ্ভাগ্যজনক।

স্বায়ত্ব শাসনক কেন্দ্ৰ কৰি হোৱা বিতৰ্ক আৰু বিক্ষিপ্ত আন্দোলন সমূহে অসমৰ সমাজ জীৱন আলোড়িত কৰিছে। কাৰ্বি আৰু ডিমাচা সকলে জিলা ভিত্তিক স্বায়ত্ব শাসন লাভ কৰিছে। অতি সম প্ৰতি এ. এছ. ডি. চি কে ধৰি পাঁচটা ৰাজনৈতিক অৰাজনৈতিক সংগঠনে কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ জিলাকে সামৰি সংবিধানৰ ২৪৪ (৭) অনুচ্ছেদৰ অধীনত স্বায়ত্ব শাসিত ৰাজ্য গঠনৰ দাবী উত্থাপন কৰিছে। নিখিল বড়ো ছাত্ৰ সন্থা (আবছু) কে ধৰি বড়োজাতীয় সংগঠন সমূহে সুকীয়া ৰাজ্য গঠনৰ দাবীৰে দীৰ্ঘদিন ধৰি আন্দোলন কৰাৰ ফলশ্ৰুতিত বি.টি.চি. পিচলৈ ষষ্ঠ অনুসূচীৰ আধাৰত বি.টি.এ.ডি. লাভ কৰিবলৈ সক্ষম হৈছে। দেউৰী, সোনোৱাল কাছাৰী, ঠেঙাল কাছাৰী সকলক স্বায়ত্ব শাসন প্ৰদান কৰিছে। মিচিং, তিৱা আৰু ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদসমূহক ষষ্ঠ অনুসূচীত অন্তভূক্ত কৰিবলৈ জোৰদাৰ দাবী উত্থাপন কৰিছে।সদৌ অসম কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ লগতে কেইবাটাও জাতীয় সংগঠনে 'কমতাপুৰ ৰাজ্য' গঠনৰ দাবীত বিভিন্ন পৰ্য্যায়ৰ আন্দোলন চলাই আছে।

অসমৰ বৰ্ত্তমান জনগাঁথনিলৈ লক্ষ্য কৰিলে দেখা যায় যে ৰাজ্যখনৰ বিশেষকৈ ভৈয়াম অঞ্চলৰ জনজাতি সকল কোনো নিৰ্দিষ্ট এলেকাত আৱদ্ধ নহয়। বিভিন্ন ক্ষুদ্ৰ ক্ষুদ্ৰ চুবুৰি, গাওঁ, পঞ্চায়ত, মৌজা আদিত তেওঁলোক সিচৰিত হৈ আছে। ভৈয়ামত অন্যান্য জনজাতীয় গোষ্ঠীতকৈ বড়ো সকলৰ সংখ্যা অধিক। কোকৰাঝাৰ, গোঁসাই গাওঁ, চিৰাং, বাক্সা, শালবাৰী, তামুলপুৰ, ওদালগুৰি, মুছলপুৰ আদি বিভিন্ন অঞ্চলত এওঁলোকৰ বসতি। বি.টি.এ.ডি. এলেকাৰ প্ৰানকেন্দ্ৰ কোকৰাঝাৰ জিলাত জনজাতি লোকৰ সংখ্যা জিলাখনৰ সৰ্বমুঠ জনসংখ্যাৰ ৪১.১৪ শতাংশ মাত্ৰ। জনজাতিৰ শতাংশ ভৈয়ামৰ সকলো জিলাৰ ভিতৰত ধেমাজিতেই সৰ্বাধিক ৪৩.৯৩ শতাংশ। গতিকে জনজাতীয় গোষ্ঠী সমূহক স্বায়ত্ব শাসন প্ৰদান কৰাৰ সময়ত, এই সম্পৰ্কে চিন্তা-চৰ্চা কৰোতে জনগাঁথনিৰ দিশটো নিশ্চয় উলাই কৰিব নোৱাৰি। ভাৰতবৰ্ষৰ কেন্দ্ৰীভূত ৰাষ্ট্ৰব্যৱস্থাৰ ফলস্বৰূপেই অসমতে নহয় ভাৰতৰ বিভিন্ন প্ৰান্তত এনে স্বায়ত্বশাসনৰ দাবী উত্থাপিত হৈছে। দীৰ্ঘদিনীয়া অবিৰত আন্দোলনৰ ফলত কেন্দ্ৰীয় চৰকাৰে চত্তিশগড়, উত্তৰাঞ্চল, ঝাৰখণ্ডক ৰাজ্যৰ মৰ্য্যদা প্ৰদান কৰাৰ পিচত পুনৰ দ্বিতীয় ৰাজ্যপুনৰ গঠন আয়োগ গঠন কৰিবলৈ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। অসমীয়া মধ্যবিত্ত নেতৃত্বই নিজৰ অহমিকা আৰু শ্ৰেণী স্বাৰ্থ ত্যাগ কৰি জাতীয় স্বাৰ্থৰ খাতিৰতে জনগোষ্ঠীয় সমস্যা সমাধানৰ কাৰণে বাস্তৱসন্মত কাৰ্য্যকৰী পদক্ষেপ গ্ৰহণ কৰক। জনগোষ্ঠীয় সমস্যা সমাধানৰ ওপৰতে আমাৰ জাতীয় ঐক্য সংহতি প্ৰগতি নিৰ্ভৰ কৰিছে। নিপিড়ীত জনগোষ্ঠী সমূহেও এইটো মনত ৰখা ভাল যে তেওঁলোকৰ যুঁজখন প্ৰচলিত ৰাষ্ট্ৰব্যৱস্থাৰ বিৰুদ্ধেহে হোৱা উচিত, কোনো জনগোষ্ঠীৰ বিৰুদ্ধে নহয়।গোষ্ঠীদ্বন্দ, সংঘৰ্ষই শত্ৰুৰ হাতহে শক্তিশালী কৰিব।

*গণতন্ত্ৰৰ এটা ডাঙৰ দোষ হ'ল এয়ে যে ইয়াত সংখ্যাগৰিষ্ঠতাই অত পালি কৰাৰ সুবিধা পায়। সংখ্যাগৰিষ্ঠ নোহোৱাকৈও কোনো এটা ৰাজনৈতিক দলে বল প্ৰয়োগ বা চল চাতুৰীৰ জৰিয়তে নিৰ্বাচনত জয়ী হোৱাৰ সুবিধা পায়।*

— লৰ্চ একটন।





OKDISCD

# কোচ ৰাজবংশী জনগোষ্ঠীৰ সাজ-পাৰ আ-অলংকাৰ

ৰমলা ৰায় সৰকাৰ, বঙাইগাওঁ
ড০ আম্বেদকাৰ ৰাষ্ট্ৰীয় পেলশ্বিপ বঁটা, ০৫

মানৱ ইতিহাসৰ পাত লুটিয়াই চালে আমি দেখা পাওঁ অতীত সম্বলিত কিছু কথা, অতীত বুৰঞ্জী।

আদিম মানুহে জীৱ-জন্তুৰ দৰে নাঙঠ হৈ ঘুৰিছিল হাবি বননিয়ে। খাদ্য সন্ধানেই তেওঁলোকৰ আছিল একমাত্ৰ লক্ষ্য। সেইমতে তেওঁলোকে শৰীৰৰ গোপন অংগবোৰ গুপুতে ৰখা আৰু শীত তাপৰ পৰা সুৰক্ষিত হোৱাৰ উপায় হিচাপে ব্যৱহাৰ কৰিছিল গছৰ বাকলি আৰু জন্তুৰ ছাল।

সভ্যতৰ অগ্ৰগতিৰ লগে লগে শৰীৰক শীত তাপৰ পৰা নিজকে ৰক্ষা কৰিবলৈ আৰু লাজ নিবাৰণৰ উপায়ৰ উপৰিও শৰীৰৰ সৌন্দৰ্যবৰ্ধক হিচাপে মানুহে উদ্ভাৱন কৰিলে আধুনিক বস্ত্ৰ, সাজ-পাৰ।

যন্ত্ৰৰ আৱিষ্কাৰ হোৱাৰ আগতে যন্ত্ৰৰ অভাৱত মানুহে নিজ হাতেৰে নিজৰ প্ৰয়োজনীয় কাপোৰ হৈ লৈছিল।

নৱ প্ৰস্তৰ যুগৰ এবিধ গুৰুত্বপূৰ্ণ আৱিষ্কাৰ হ'ল বোৱা-কটা কালৰ গতিত ধাতুৰ যুগত ইয়াৰ যথেষ্ট উন্নতি হ'ল।

স্বভাৱগত বৈশিষ্ট্য, ধৰ্ম, লোকাচাৰ, ভাষা, জীৱিকা নিৰ্বাহ প্ৰণালী, গৃহ নিৰ্মাণৰ চানেকী, সাজ-পাৰ, আ-অলংকাৰ, আচাৰ-অনুষ্ঠান, ৰাজনীতি, চিন্তা-চৰ্চা, দৰ্শন তথা মানসিকতাত একোটা জন-গোষ্ঠীৰ স্বকীয় পৰম্পৰা পৰিলক্ষিত হয়।

সাজপাৰ আৰু আ-অলংকাৰে কোনো এটা জাতি বা জনগোষ্ঠীৰ মানসিক আৰু সাংস্কৃতিক জীৱনৰ বিশ্লেষণাত্মক দিশটো সূচনা কৰে।

অসমৰ এটি অতি পুৰণি জনগোষ্ঠী হ'ল কোচ-ৰাজবংশী। কোচ-ৰাজবংশীসকল অসমৰ আদিম ভূমিপুত্ৰ, বৃহৎ মঙ্গোলীয় ফৈদৰ লোক। সাম্প্ৰতিক অসৰ বাৰেবৰণীা কলা-সংস্কৃতিৰ এক ধ্বজাবহক সংস্কৃতি-সেয়া হ'ল কোচ-ৰাজবংশী জন -গোষ্ঠীয় কলা -সংস্কৃতি।

কোচ ৰাজবংশী জনগৌষ্ঠীৰ সংস্কৃতি প্ৰকৃতাৰ্থত কৃষিভিত্তিক। পুৰণি কালৰ পৰাই বিভিন্ন শস্যৰ উৎপাদনৰ উপৰিও কপাহৰ খেতি কৰি আহিছে। কপাহ হ'ল কাপোৰ বোৱাৰ কাৰণে কেঁচা সামগ্ৰী।

কপাহৰ পৰা সূতা তৈয়াৰ কৰোতে প্ৰথমতে 'কেৰখাৰে' কপাহৰ গুটিসমূহ উলিয়াই লয়। তাৰ পিছত ধনুৰ দ্বাৰা ধুনাই লৈ 'পাজি' তৈয়াৰ কৰি লয়। আৰু টাকুৰীৰে সূতা কাটি সেই সূতাৰে নিজৰ আৰু পৰিয়ালৰ কাপোৰ বৈ লোৱা কাৰ্যই কোচ ৰাজবংশী তিৰোতাসকলৰ এটা উল্লেখনীয় বৈশিষ্ট্য। জীয়ৰীসকলে মাকৰ ঘৰৰ পৰাই কাপোৰ বোৱা, ফুল বছা, ৰন্ধা-বঢ়া বিদ্যা আয়ত্ব কৰে। হাতে কামে নিপুণতা দেখুৱাব নোৱাৰা কোচ ৰাজবংশী জীয়ৰীৰ বিয়া হোৱাটো টান। শাহু, বোৱাৰী, জীয়ৰী প্ৰতি ঘৰে ঘৰে একোখন তাঁত শাল আছে যেন কাপোৰবোৱা প্ৰতিযোগিতাহে।

কোচ ৰাজবংশী জনগোষ্ঠীৰ তিৰোতাসকলে সাজ-পাৰ হিচাপে ব্যৱহাৰ কৰে পাটানি আৰু আগৰণ। তেওঁলোকে পাটানিখন বুকুত পিন্ধে আৰু আগৰণখনেৰে শৰীৰৰ ওপৰ অংশ ঢাকি ৰাখে। বুকুৰ পৰা গেৰোৱালৈকে ঢকা এই পাটানিখনৰ এক বিশেষ তাৎপৰ্য আছে। কিছুমানৰ মতে 'পা' মানে ভৰি, 'টানি' মানে টানি ধৰা, এইখনে খোজকঢ়াত 'পা' টানি ধৰে কাৰণে ইয়াক 'পাটানি' বোলে। সন্মানীয় ব্যক্তিৰ সম্মুখেদি দীঘল ডেং দি অহা-যোৱা কৰিব নোৱাৰে। কিয়নো পা টানি ধৰে। ৰঙা, নীলা, সেউজীয়া সূতাৰে পাটানি তৈয়াৰ কৰা হয়। পাটানিবোৰত ফুলৰ পৰিৱৰ্তে পাচোটা 'পাৰি' থাকে। পাটানিৰ এই পাঁচোটা পাৰিৰো আধ্যাত্মিকতা বিজড়িত হৈ আছে। পিচলৈ পাঁচটা পাৰিৰ সলনি তিনিটা পাৰিৰো পাটানি প্ৰচলিত হৈছে। নাৰীৰ স্বভাৱ জাত, গুণ আৰু সৌন্দৰ্য হ'ল এপাহ ফুলৰ দৰে কমনীয়। ডাঙৰৰ প্ৰতি সন্মান, সমাজৰ প্ৰতি সুসংগত দায়বদ্ধতা, মাৰ্জনীয় আচৰণ কোচ-ৰাজবংশী নাৰীসকলৰ এক পৰম্পৰাগত আচৰণ বিধি। ই দেখাক দেখি জীয়ৰী-বোৱাৰীসকলে শিকি লয়।

উদং ঘৰ এখনৰ চাৰিওফালে আঁৰবেৰ থাকিলে যেনেকৈ ঘৰ এখনৰ সৌন্দৰ্য্য বাঢ়ে, ঠিক সেইদৰে পিন্ধি উৰি ওলালে নাৰী এগৰাকী সুন্দৰী হৈ পৰে।

কোচ ৰাজবংশী সমাজত এষাৰ কথা আছে।

'ঘেৰিলে বেৰিলে বাৰী
পিন্ধিলে উৰিলে নাৰী।'

কোচ ৰাজবংশী তিৰোতাসকলে তেওঁলোকে পিন্ধা সাজ পাৰবোৰ বৈ লোৱাৰ উপৰিও তেওঁলোকে দৈনন্দিন জীৱনত ব্যৱহৃত পুৰুষৰ বাবে আওঁছা, পাচাৰা, বিয়াৰ দৰা-কইনাৰ সাজ-প্ৰোছাক ইত্যাদি নিজ হাতে বৈ লয়।

পুৰুষে পিন্ধা কাপোৰ খনক আওঁছা বোলে। ঠাই বিশেষে বা অঞ্চল ভেদে ইয়াক আঁছা বুলিও কয়। এই আওঁছা শব্দটোৰ এটা বিশেষ অৰ্থ এনেধৰণৰ- 'আওঁ' মানে 'তল' আৰু 'ছা' মানে 'আগৰণ'। অৰ্থাৎ পুৰুষৰ লাজ নিবাৰণৰ কাৰণে ব্যৱহাৰ কৰা কাপোৰখনে আওঁছা। এই আওঁছা কাপোৰখন ৬ হাত দৈৰ্ঘৰ আওঁছাখনৰ ষড় ৰিপু দমনৰ কাৰক। সেয়ে ষড় ৰিপু দমনৰ কাৰণে পুৰুষে ৬ হাত দীঘল আওঁছা কাপোৰ পিন্ধা প্ৰচলিত ৰীতি। আজিকালি আওঁছাৰ পৰিৱৰ্তে মানুহে গামচা পিন্ধে বাবে আওঁছাৰ ব্যৱহাৰ কম দেখা যায়।

আওঁছা কাপোৰতকৈ সৰু কাপোৰকে গামচা বুলি কয়। হাত-ভৰি, মচা, সৰু সৰু ল'ৰা-ছোৱালীক পিঠিত বোকা বান্ধি লোৱা ইত্যাদি বিভিন্ন কামত ব্যৱহাৰ অনুযায়ী কোচ ৰাজবংশী তিৰোতাসকলে বই লয়। কিছুমান অঞ্চলত পিঠিত বোকা ধৰা গামচাখনক "বোকালী" বা "বোকাধৰা" কাপোৰ বুলি কোৱা হয়।



OKDISCD

তিৰোতাসকলে গামচাৰে কঁকাল বন্ধা আৰু গাত মেৰিয়াই লোৱা গা-মোচাৰ ব্যৱহাৰ মন কৰিবলগীয়া। ফুল বছা গামোচা শিপিনীসকলৰ শিল্পী সুলভ মনৰ পৰিচায়ক।

জাৰকালি সচৰাচৰ উৰি ফুৰা কাপোৰখনক পাচৰা নামে নামাকৰণ কৰা হয়। পাচৰা শব্দৰ অৰ্থ 'পা' মানে 'ভৰি' 'চাৰা' মানে 'এৰা'। অৰ্থাৎ ভৰিৰ ফালে এৰা। এই পাচাৰা খোজ কাঢ়ি ঘূৰি ফুৰাত ভৰিৰ ফালে ব্যৱহাৰ নহয় কাৰণে ইয়াৰ নাম পাচাৰা। পাচাৰাখনৰ নাম অঞ্চল ভেদে-টানা, ফোচা বুলিও কয়। পাচাৰা দুই ধৰণৰ- সূতাৰ পাচাৰা আৰু এণ্ডি পাচাৰা।

সূতাৰে বৈ লোৱা পাচাৰাখনক সূতাৰ পাচাৰা বোলে।

কোচ ৰাজবংশী তিৰোতাসকলে "এণ্ডি পোকা" পোহে। এণ্ডি পোক পোহা এই জনগোষ্ঠীৰ মহিলাসকলৰ এটা প্ৰধান বৈশিষ্ট্য। ঘৰে গৰে এৰা গছৰ খেতি কৰি এণ্ডি পোকা পুহি, লেটাৰ পৰা সূতা কাটি এণ্ডি কাপোৰ গঢ়োৱাত তিৰোতাসকল পাকৈত। কোচ ৰাজবংশী পুৰুষসকলে এণ্ডি পোকৰ সূতাৰে তৈয়াৰ কৰা পাচাৰা ব্যৱহাৰ কৰে। কোচ ৰাজবংশী তিৰোতাসকলে দৰা-কইনাৰ বিয়াৰ কাপোৰসমূহো যথা ৰীতি-নিয়মেৰে বৈ লয়। বিয়াত ব্যৱহৃত কাপোৰসমূহ হ'ল -

১। তেলেৰে আওঁছা
২। তেলেৰে পাটানি
৩। পঙ্খৰঙী পাটানি
৪। ফালী
৫। দোপাটী
৬। আঁৰ কাপোৰ
৭। হালধি মচা
৮। আখৈ তুলি দিয়া

তেলৰ আওঁছাখনৰ ছয় হাত দীঘল, বগা; দীঘত পাৰি নাথাকে, পথালিত সৰুকৈ ৰঙা পাৰি দিয়ে। বিয়াৰ কাপোৰ সমূহ কিছুমান নিয়ম-নীতি মানি গঢ়োৱা হয়। ৰবিবাৰ, অমাৱস্যা, পূৰ্ণিমা, গ্ৰহণ আদিত বিয়াৰ কাপোৰ গঢ়োৱা নিষেধ। পুতল চিৰিলে অমঙ্গলৰ লক্ষণ বুলি জনবিশ্বাস। বিয়াৰ কাপোৰ কাটিব নাপায়। কাপোৰৰ দহখিনি বিভিন্ন ধৰণে দি থোৱা হয়।

তেলৰ পাটানি আওঁছাৰ দৰে দীঘল পাৰি নথকা, পথালি ৰঙৰ সৰু পাৰিযুক্ত। এই তেলৰ আওঁছা আৰু পাটানি বিয়াৰ দিনা তেল চৰোৱাত ব্যৱহাৰ হোৱাৰ কাৰণে এই কাপোৰক তেলৰ আওঁছা আৰু তেলৰ পাটানি বুলি কোৱা হয়।

বিয়াৰ পাটানিখন বিয়াৰ সময়ত কইনাই পিন্ধে। বিয়াৰ পাটানিখন পঙ্খৰঙী। মাটীয়া, নীলা, ৰঙা, ধোঁৱা আৰু আকাশী ৰঙৰ সূতাৰে পাটানি গঢ়াৰ কাৰণে পঙ্খৰঙী পাটানি বুলি কয়।

বিয়াত দৰাৰ মূৰত মেৰিয়াই দিয়া কাপোৰখনক ফালী বুলি কয়। ফালীৰ কাপোৰ খন দহ হাত দীঘল; পথালিয়ে (কিছুমানৰ মতে) দহ ইঞ্চি। এই ফালীখন একেদিনাই বৈ উলিওৱা প্ৰচলিত নিয়ম। বিয়াত ফালি মৰাৰ ধাৰণাটো হ'ল ফালীয়ে সংসাৰী জীৱনৰ মূল দায়িত্ব মূৰ পাতি লোৱা বুজায়।

দোপাটীখন হ'ল বিবাহৰ যোগসূত্ৰ। দৰা-কইনাক লগন গাঁথি দি দুই প্ৰাণক এক কৰাৰ অৰ্থে ব্যৱহাৰ কৰা কাপোৰখনক দোপাটী বোলে। সেই উদ্দেশ্যেৰে দোপাটী ব্যৱহাৰ কৰে বুলি লোক বিশ্বাস। দোপাটী দুটা ৰং-বগা আৰু ৰঙা। এই ৰং দুটাই শিৱ আৰু শক্তিক বুজায় অৰ্থাৎ পুৰুষ আৰু প্ৰকৃতিক বুজায়। কইনা উলিয়াই দৰাৰ ওচৰত অনাৰ সময়ত দৰা কইনাৰ মাজত আঁৰ কাপোৰ এখন তৰি দিয়া হয়। দৰা কইনাই যাতে ইজনে সিজনক নেদেখে। প্ৰচলিত নিয়ম মতে কইনাই দৰাক প্ৰদক্ষিণ কৰি স্বামীৰূপে ফুল দি পূজা কৰাৰ পিছত এই আঁৰ কাপোৰ গুচাই দিয়া হয়।

বিয়াত ব্যৱহৃত হালধী মচা কাপোৰখন অতি গুৰুত্বপূৰ্ণ কাপোৰ। তেল-হালধিৰে গা-ধোৱাৰ পিছত দৰা-কইনাৰ গা এই কাপোৰেৰে মচা হয় বাবে ইয়াক হালধি মচা কাপোৰ বুলি কোৱা হয়। হালধি মচা কাপোৰখন বগা যদিও হালধিৰ ৰং সানি লয়। কিছুমানে আকৌ হালধীয়া সূতাৰে বৈ লয়। "তেল চৰোৱাত এই কাপোৰ" খনৰ অধিক প্ৰয়োজন।

কইনাৰ সৰু ভায়েক দৰা-কইনাৰ হাতত আখৈ তুলি দিয়ে। আখৈ তুলি দিয়াৰ সময়ত কইনাই সৰু ভায়েকক এখন কাপোৰ দিয়ে। সেই কাপোৰখনক 'আখৈ তুলি দেওৱা কাপোৰ' বুলি কয়।

আনাকটা বা নকটাকৈ বোৱা কাপোৰৰ ব্যৱহাৰ কোচ ৰাজবংশী জনগোষ্ঠীৰ মাজত দেখা যায়। এই অঞ্চলত হোৱা পূজা-পাৰ্বণ, মাংগলিক অনুষ্ঠান, চূড়াকৰণ, অন্নপ্ৰাসন, পঞ্চামৃত আদি সকলো ক্ষেত্ৰতে এই আনাকটা কাপোৰৰ ব্যৱহাৰ অপৰিহাৰ্য।

কোচ-ৰাজবংশী নাৰী সমাজত আ-অলংকাৰ পৰিধান কৰা প্ৰথা অতি প্ৰাচীন কালৰেপৰা চলি আহিছে। সোণ আৰু ৰূপৰ অলংকাবোৰ ডিঙি, হাত, নাক, কাণ, বাজু, কঁকাল, ভৰিত পিন্ধে। ডিঙিত পিন্ধে হাসা, পেওচি, চন্দ্ৰহাৰ, বেচহাৰ। কাণত পিন্ধেঝিজিৰি টানা ফুকৰি, অন্তি, উপৰ কাণৰ বালি, নাকত পিন্ধা অলংকাৰ কেইবিধ হ'ল - নোত, নলক, নাকফুল। হাতত পিন্ধা অলংকাৰবোৰ - খাৰু, মুঠাখাৰু, মুঠা কাটিলা ইত্যাদি। ভৰিত পিন্ধে ভৰি খাৰুৱা ঠেংখাৰু আৰু চেলা। কোচ ৰাজবংশীৰ কইনাই মূৰৰ সেওঁতাত সীতাপটি লৈছিল। বিয়াৰ সময়ত দৰাই মধ্যমা আঙুলিত চাৰি আঙুঠি ব্যৱহাৰ কৰে। "শ্ৰী"মানে মানে সৌন্দৰ্য বা স্বাস্থ্য যদিও এই আঙুঠিৰ "শ্ৰী" হ'ল তিনিটা গুণ বিশিষ্ট "শ্ৰী"। এই গুণ তিনিটা যথাক্ৰমে সত্ত্ব, ৰজঃ আৰু তমঃ। বাজু বা বাহুত পিন্ধা অলংকাৰ কেইপদ হ'ল কাটা ৰাজু, কংকণ।

ওপৰত উল্লেখ কৰা সাজপাৰ আৰু আ-অলংকাৰবোৰৰ ব্যৱহাৰ কিছু কম হোৱা দেখা যায়। ইয়াৰ কাৰণ বিশ্লেষণ কৰিলে দেখা যায় প্ৰযুক্তি বিদ্যাৰ অগ্ৰগতি। যন্ত্ৰৰ সহায়ত যি সাজ পাৰ, আ-অলংকাৰ তৈয়াৰ কৰা হয়। সেইবোৰ হাতে বোৱা কাপোৰ বা সাজ-পাৰৰ তুলনাত সহজ লভ্য আৰু কম খৰচত হয়। সচৰাচৰ গাওঁ অঞ্চলত এতিয়াওঁ পাটনি, আংচা পৰিধান কৰা দেখা যায়। চহৰত ইয়াৰ প্ৰচলন নাই বুলিয়েই ক'ব পাৰি। কোচ-ৰাজবংশী জনগোষ্ঠীৰ ঐতিহ্যখিনি জনগোষ্ঠী পুৰুষ-মহিলা উভয়ে ধৰি ৰাখিবৰ চেষ্টা কৰিব লাগিব।

OKDISCD

যি সাজ পাৰ কোচ ৰাজবংশী নাৰীয়ে পৰিধান কৰিলে জনগোষ্ঠীয় স্বকীয়তা ৰক্ষা কৰাৰ লগতে যাতায়তৰ সুবিধা থাকে, তেনেকুৱা সাজ-পাৰ আজিৰ যুগৰ মনোনীত সাজ-পাৰ।

পাটানি শব্দৰ অৰ্থগত দিশ আৰু ব্যৱহাৰত সৃষ্টি কৰা জটিলতাবোৰলৈ চাই, যান্ত্ৰিক যুগৰ লগত সামঞ্জস্য ৰাখি ইয়াৰ নতুনকৈ আধুনিকীকৰণ কৰাৰ আৱশ্যকতা আছে বুলি আজিৰ এই জনগোষ্ঠীৰ মহিলাসকলে দৃঢ়তাৰে কয়।

পুৰুষ-নাৰী উভয়ে গতিশীল হ'বলৈ হ'লে কোচ-ৰাজবংশীসকলক লাগিব স্বকীয় স্বাধীনতা, বাহিৰৰ বাস্তৱতাৰ স'তে যুঁজিবলৈ লাগিব সাহস-সংগ্ৰাম, যান্ত্ৰিক সভ্যতাৰ লগত মিলি চলিবলৈ প্ৰস্তুত কৰি ল'ব লাগিব নিজৰ বেশভূষা।

তেল-সেন্দুৰ লগাই, পাটানি পৰিহীতা নাৰী এজনীক কোচ ৰাজবংশী জনগোষ্ঠীৰ বুলি সহজতে নিশ্চিত কৰিব পাৰি সেই কথা সঁচা। নিজস্ব স্বকীয় সাজ-পাৰ থকাটো প্ৰত্যেক জনগোষ্ঠীৰ বাবেও বাঞ্ছনীয়, কিন্তু ই কেৱল নাৰী সমাজৰ ওপৰতে প্ৰযোজ্য হওঁক এনে মনহয়, পুৰুষ সমাজেও এই বিষয়ে চিন্তা চৰ্চা কৰক।

সাহিত্য - সমাজ পৰিনৰ্ত্তনশীল। যুগৰ স'তে খোজ মিলাই চলিবলৈ প্ৰত্যেক জনগোষ্ঠীৰ থাকিব লাগিব এৰা-ধৰাৰ মানসিকতা। স্থবিৰবোৰ হয় ক্ষণস্থায়ী, ই কালৰ বুকুত হেৰাই যায়।

বাহিৰৰ যান্ত্ৰিক যুগৰ ধুমুহাই যাতে কোচ ৰাজবংশীৰ পৰম্পৰা ঐতিহ্যখিনি নিঃশেষ কৰিব নোৱাৰে তাৰ বাবে এই জনগোষ্ঠীৰ প্ৰত্যেকজনে থিয় দিয়ক ধুমুহাজাকক আগভেটি।।

*মই সংগ্ৰামহীন জীৱন কল্পনাকে কৰিব নোৱাৰো। সংগ্ৰাম আৰু সংঘাত মোৰ জীৱনৰ শ্বাস-প্ৰশ্বাস।*

— কলম্বছ।

*আনক সমালোচনা কৰাৰ আগতে নিজকে সমালোচনা কৰা। নিজে শুদ্ধ আৰু পৱিত্ৰ হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াত যোগ্যতা অৰ্জন কৰিব পাৰিবা।*

— ছক্ৰেটিছ।



# জনজাতীয় অনুসূচী আৰু অসমৰ কোচ ৰাজবংশী সকল

ডঃ অতুল তালুকদাৰ
হাঁহকাটা, (বালাবাৰী)

ভাৰতৰ সংবিধান খন মূলতঃ সামাজিক ন্যায় আৰু সমতাৰ ভিত্তিত প্ৰতিষ্ঠিত। এই দুই নীতিৰ মাজত দেখাত কোনো বিৰোধ থকা যেন নেলাগে যদিও এই বিশাল ভাৰত বৰ্ষৰ বিভিন্ন অঞ্চলৰ মাজত থকা বৈষম্য আৰু বিভিন্ন জনগোষ্ঠী সমূহৰ উন্নতিত বিভিন্ন স্তৰত থকাৰ বাবে কাৰ্য্যক্ষেত্ৰ এই দুই নীতিক মাজত সামঞ্জস্য ৰখাত বহুতো সমস্যা হোৱাতো স্বাভাৱিক আছিল। ভাৰত স্বাধীন হোৱাৰ সময়ত দেশৰ অনেক জনগোষ্ঠী আন বহুতো জন গোষ্ঠীতকৈ পিচপৰা আৰু আৰ্থ সামাজিকভাৱে নিষ্পেষিত হৈ আছিল। এই জনগোষ্ঠীসমূহক উন্নত জনগোষ্ঠী সমূহৰ সমান স্তৰলৈ লৈ আহিব নোৱাৰালৈকে সামাজিক ন্যায় আৰু সমতাৰ কথা কোৱাটো অমূলক। সেয়েহে এই পিচপৰা জনগোষ্ঠী সমূহক দেশত অন্যান্য জনগোষ্ঠী সমূহৰ সমান স্তৰলৈ আহিবলৈ সুবিধা দিয়াৰ সমতাৰ লগে লগে কোনো কোনো ক্ষেত্ৰত যোগাত্মক বৈষম্যতাত (positive discrimination) প্ৰয়োজন আছিল, আৰু তাৰ বাবে বিশেষ ব্যৱস্থা সংবিধানত সন্নিবিষ্ট কৰা হৈছিল। ইয়াৰ অধিনত চৰকাৰে পিচপৰা জনগোষ্ঠী সমূহৰ বাবে বিশেষ পৰিকল্পনা, অগ্ৰাধিকাৰ, সংৰক্ষণ আদি কাৰ্য্যব্যৱস্থা ল'ব পাৰিছিল।

কিন্তু কোন কোন জনগোষ্ঠীক এই ব্যৱস্থাৰ অধিনলৈ অনা হব। তাৰ বাবে প্ৰয়োজন হৈছিল পিছ পৰা জনগোষ্ঠী সমূহৰ চিনাক্ত কৰণ আৰু পঞ্জীয়ন। স্বাভাৱিকতেই পাছৰ আৰু ভৈয়ামৰ জনজাতি সমূহ আৰু হিন্দুসকলক নিম্ন খাপৰ বুলি অভিহিত আৰু অস্পৃশ্যতাৰ বলি হোৱা জাতিবোৰ ইয়াৰ সাধাৰণ দাবীদাৰ হৈছিল। এওঁলোকক দুভাগত বিভক্ত কৰি ১৯৫০ চনৰ Constitution (scheduled tribe) order 1950 Constitution (Scheduled caste order 1950 অধিনত দুখন তালিকা প্ৰস্তুত কৰা হৈছিল। এই তালিকা বা অনুসূচিত অন্তভূক্ত জাতি-জনজাতি সমুহকেই পিচলৈ সন্নচুক্তি জাতি আৰু সন্নসুক্তি জনজাতি হিচাপে জনা হৈছিল। এই অনুসূচী সমূহত অন্তৰ্ভূক্তিৰ বাবে পিচপৰা জাতি সমূহক চিনাক্ত কৰাত বিশেষ অসুবিধা নাথাকিলেও জনজাতীয় জনগোষ্ঠীসমূহক চিনাক্ত কৰাত বহুতো ভুল-ক্ৰুটি ৰৈ গৈছিল। বহুতো জন জাতি যি স্বাভাবিক ভাৱেই অনুসূচীখনত ঠাই পাব লাগিছিল এই সূচী খনৰ বাহিৰত ৰৈ গৈছিল।

১৯৬০ চনৰ U.N. Dhebar Comision ৰ ৰিপোৰ্টতো এই কথা স্পষ্ঠ ভাৱে স্বীকাৰ কৰা হৈছিল।

অসমৰ ক্ষেত্ৰত এই আসোৱাহ আছিল অতি গুৰুতৰ, আৰ্থ-সামাজিক ভাৱে একে স্তৰত প্ৰতিষ্ঠিত কেইটামান জনজাতি অনুসূচীখনৰ বাহিৰত ৰৈ গৈছিল। আকৌ জনজাতীয় মূলৰ



OKDISCD

কোনোটো শাখা এই অনুসূচিত ভৰোৱা হৈছিল আৰু কোনোটো শাখা ইয়াৰ বাহিৰত ৰৈ গৈছিল। এনে হোৱাৰ মূল কাৰণ আছিল হয়তা সংবিধানৰ এই সা সুবিধা সমূহৰ বিষয়ে তেওঁলোক অজ্ঞ হৈয়েই আছিল বা অলপ কিবা জানিলেও সংগঠিত ভাবে তেওঁলোকে তেওঁলোকৰ দাবী উত্থাপন কৰিব পৰা নাছিল। অৱশ্যে এইয়া তেওঁলোকৰ জনজাতিয় চৰিত্ৰৰে বৈশিষ্ট্য আছিল। ইয়াৰ স্পষ্ট উদাহৰণ হ'ল অসমৰ কোচ ৰাজবংশী সকল। বড়ো, ৰাভা, কোচ - ৰাজবংশী, কছাৰী, লাংলুঙ, শৰণীয়া সকলে বৃহৎ বড়ো জনগোষ্ঠীৰ শাখা প্ৰশাখা আৰু সমপৰ্য্যায়ৰ জন-জাতীয় জনগোষ্ঠী। এই জনজাতি সমূহৰ বড়ো, ৰাভা, গাৰো, কছাৰী সকলক জনজাতীয় অনুসূচীত অন্তৰ্ভূক্ত কৰা হ'ল কিন্তু কোচ ৰাজবংশী, আৰু শৰণীয়া সকল ইয়াৰ পৰা বাদ পৰিল। সেই সময়ৰ কৰ্ম কৰ্ত্তা সকলৰ অসমৰ জনজাতি চিনাক্ত কৰাত প্ৰয়োজনীয় গুৰুত্ব দিয়াত হেমাহি বা অৱহেলা ইয়াৰ মূল কাৰণ। নতুবা কোচ ৰাজবংশী আৰু শৰণীয়া সকলৰ কিয়দাংশৰ জীৱণ প্ৰণালীৰ ওপৰত হিন্দু ধৰ্মৰ সাংস্কৃতিক প্ৰভাৱ বা আগতে কোৱাৰ দৰে কোচ ৰাজবংশী সকলৰ স্বাভাবিক অজ্ঞতা আৰু উদাসীনতা। কিন্তু সেয়াই তেওঁলোকক জনজাতিয় অনুসুচীত অন্তৰ্ভূক্ত নকৰাৰ যথোচিত কাৰণ হ'ব নোৱাৰে। ইয়াৰ উপৰিও অসমৰ অন্যান্য কেইবাটাও জনজাতি (আহোম, মৰাণ, মটক) অন্যায় ভাৱে এই অনুসূচীৰ বাহিৰত ৰৈ যোৱাৰ দীৰ্ঘদিনীয়া অভিযোগ আছে। সংবিধানৰ এই জাতি, জন জাতিৰ অগ্ৰাধিকাৰ আৰু সংৰক্ষণ আদিৰ বিশেষ সুবিধা সমূহ প্ৰথমতে মাত্ৰ দহ বছৰৰ বাবেহে ৰক্ষা হৈছিল। দহবছৰৰ পিছত এই জাতি জন জাতি সমূহকো দেশৰ অন্যান্য জাতি উপজাতি সমূহৰ লগত সম পৰ্য্যায়ৰ বুলি ধৰি লোৱাৰ কথা আছিল। সেই বাবেই অনুসূচীৰ বাহিৰত থকা আৰু বিশেষ সা-সুবিধাৰ পৰা বঞ্চিত এই জনজাতি সমূহে প্ৰথম অৱস্থাত বৰকৈ এই অন্যায়ৰ প্ৰতিবাদ কৰা নাছিল বা কৰিলেও বৰ তীব্ৰ ভাৱে কৰা নাছিল। কিন্তু পিছত যেতিয়া অনুসূচীত জাতি-জনজাতিৰ সা সুবিধাবোৰ সংবিধানৰ এক সাধাৰণ ব্যৱস্থাৰ নিচিনা হ'ল আৰু প্ৰতি দহ বছৰে বিনা দ্বিধাই এই ব্যৱস্থা সমূহৰ মিয়াত নিয়মিতে ভাবে বঢ়াই থকা হ'ল। এই উপেক্ষিত জনজাতি সমূহে বুজি পালে যে তেওঁলোকে তেওঁলোকৰ প্ৰাপ্যৰ পৰা পুনৰ বঞ্চিত হৈ যাব ধৰিছে।

এই কথা সম্ভৱত পোন প্ৰথমে ভালকৈ উপলব্ধি কৰা কোচ ৰাজবংশী সকলেই। কোচ ৰাজবংশী সকলৰ জাতীয় সংগঠন সদৌ অসম কোচ ৰাজবংশী সন্মিলনী'ৰ উদ্যোগত তেওঁলোককো ১৯৫০ চনৰ অনুসূচীত জনজাতিৰ তালিকাত অন্তৰ্ভূক্ত কৰিবলৈ দাবী উত্থাপন কৰিলে। কোচ ৰাজবংশী সকলে ১৯৫৭ চনত এই দাবী উত্থাপন কৰাৰ উপৰিও ১৯৬০ চনত U.N. Dhebar আয়োগৰ ওচৰতো সাক্ষ্য প্ৰমাণ দাঙি ধৰিছিল। তেতিয়াৰ পৰাই প্ৰায় চাৰিটা দশক জুৰি বিভিন্ন মহললৈ আবেদন নিবেদন কৰিলেও অনুসূচীত জাতি আৰু জনজাতি সমূহৰ ওচৰত আবেদন জনজাতিৰ কান্যানৰ বাবে গঠন কৰা সমিতিৰ ওচৰত স্মাৰক পত্ৰ প্ৰদান, সংসদৰ Ak chanda চিলেক্ট কমিতিৰ ওচৰত তথা ১৯৭৮ ৰ সংবিধান সংশোধনী Bill, ৰ যাৰ গঠন কৰা Suraj Bhan সংসদীয় সমিতিত নথী পত্ৰ আৰু অন্যান্য প্ৰমাণ পত্ৰ প্ৰদান কৰা, ১৯৮০-৮১ চনত তিনি বাৰকৈ প্ৰধান মন্ত্ৰীৰ স্মাৰক পত্ৰ প্ৰদান কৰিলে। এই স্মাৰক পত্ৰ সমূহত অন্যান্য যুক্তিত লগতে কোচ ৰাজবংশী সকলক যে উত্তৰ পূৰ্বৰেই কোনো কোনো ৰাজ্যত অনুসূচীত জাতিৰ মৰ্য্যদা দিয়া হৈছে তাকো উল্লেখ কৰা হৈছিল লগতে এই কোচ ৰাজবংশীসকলক লৈ অনুসূচীত জাতি আৰু জন জাতিৰ তালিকাত থকা খেলি মেলি বোৰো আঙুলিয়াই দিয়া হৈছিল। দেশৰ কেইবাখনো ৰাজ্যত কোচৰাজবংশী সকলক অনুসূচীত জন জাতি আৰু আন কেইখন মান তেওঁলোক অনু সূচীত জাতি হিছাবে দেখুওৱা হৈছিল। আনহাতে অসমত তেওঁলোকক কিয় OBC কৰি জমা হৈছিল তাকো তেওঁলোকে বুজিব পৰা নাই বুলি স্পষ্ঠ ভাষাত উল্লেখ কৰিছিল।

কোচ ৰাজবংশী সকলৰ নেবানেপেৰা প্ৰচেষ্টাত তেওঁলোক যে প্ৰকৃততে জনজাতি হে আৰু তেওঁলোকৰ যে অনুসূচীত জনজাতিৰ তালিকাভূক্ত হ'ব লাগিছিল তাৰ যুক্তিযুক্ততা ইতিমধ্যেই বহুতেই বুজি উঠিছিল আৰু সংসদৰ মজিয়াত Suraj Bhan ৰ নিচিনা সাংসদেওঁ তেওঁলোকক অনুসূচীত জনজাতিৰ তালিকাভূক্ত কৰাৰ বাবে সংসদত প্ৰয়োজনীয় সংবিধানৰ সংশোধনৰ প্ৰস্থাৱ আগবঢ়াইছিল। কিন্তু দুৰ্ভাগ্য বশতঃ কোচ ৰাজবংশীসকলক জন জাতি অনুসূচীত অন্তভূক্তি কৰাৰ প্ৰশ্নটো ক্ৰমাগত ব্যস্ত স্বাৰ্থ আৰু ৰাজনীতিৰ মেৰ পাকত সোমাই পৰিছিল ভাৰতৰ বিভিন্ন প্ৰান্তত সহজেই আগতে বাদ পৰি যোৱা কেইবাটাও জনজাতি নতুনকৈ জনজাতীয় অনুসূচীভূক্ত হৈছিল কিন্তু সকলৰ ক্ষেত্ৰত ই সম্ভৱ হৈ নুঠিল। তথাপিও সদৌ অসম কোচ ৰাজবংশী সন্মলীৰ চেষ্ঠা আৰু কোচ জনজাতি সকলৰ কাম্য দাবী অব্যাহত থাকিল। ইয়াৰ ফলত দশকত ভাৰত চৰকাৰে কোচ ৰাজবংশী সকলক জনজাতিৰ তালিকাত অন্তৰ্ভূক্তি কৰাৰ যুক্তি-যুক্ততা বাৰুকৈয়ে বুজি পালে। সেই সময়ত ভাৰত চৰকাৰে সংসদত সংবিধান সংশোধনলৈ অপেক্ষা নকৰি ভাৰতৰ ৰাষ্ট্ৰপতিৰ এক অধ্যাদেশ যোগে কোচ ৰাজবংশী সকলক ১৯৫০ চনৰ জনজাতীয় অনুসূচীৰ অন্তৰ্ভূক্ত কৰিলে। কোচ ৰাজবংশীসকলে যুক্তিৰ নিশ্বাস পেলালে। অৱশেষত তেওঁলোকৰ দীৰ্ঘদিনীয়া সংগ্ৰামৰ শুভ পৰিণতি হ'ল বুলি ভাবিলে। সম্পৰ্কীয় দলৰ চৰকাৰৰ অনুমুদনত জাৰি কৰা ৰাষ্ট্ৰপতিৰ অধ্যাদেশ সংসদৰ মজিয়াত আইনৰ ৰূপ ল'বই। বিভিন্ন জিলাৰ উপায়ুক্ত সকলে কোচ ৰাজবংশী সকলক সদৌ অসম কোচ ৰাজবংশী সংগ্ৰামীৰ জৰিয়তে অনুসূচিত জনজাতিৰ প্ৰমাণ পত্ৰ দিলে। ৰাজ্যপালেও ১৯৯৬ চনৰ ২৮ জানুৱাৰীত Notification জাৰি কৰিলে। কোচ ৰাজবংশী সকলক যেহেতু অসমৰ অনুসূচিত জনজাতিৰ মৰ্য্যদা দিয়া হৈছে গতিকে OBC লিষ্টৰ পৰা তেওঁলোকৰ নাম প্ৰত্যাহাৰ কৰা হ'ল।

কিন্তু আন সকলো ক্ষেত্ৰতে যিটো সাধাৰণতে অতি সহজেই হৈ যায় কোচ



OKDISCD

ৰাজবংশী সকলৰ ক্ষেত্ৰত সেইটো নহয়। ৰাষ্ট্ৰপতিৰ অধ্যাদেশক আইন ৰূপ দিয়াৰ সাংবিধানিক সময়-সীমা পাৰ হৈ গ'ল। সংসদত প্ৰয়োজনীয় Bill উত্থাপন কৰা হৈছিল। ৰাষ্ট্ৰপতিয়ে দ্বিতীয়বাৰৰ বাবে অধ্যাদেশ জাৰি কৰিলে কিন্তু তথাপিও চৰকাৰে সংবিধান সংশোধন Bill সংসদত উত্থাপন কৰিলে। ৰাষ্ট্ৰপতি অধ্যাদেশ .... হৈ ৰ'ল। কোচ ৰাজবংশী সকল কেইমাহমানৰ কাৰণে অনুসূচীত জনজাতি হ'ল। তাৰ পিছত নাই। ইমানে OBCৰ লিষ্টৰ পৰাও তেওঁলোকক বাদ দিয়া হ'ল। অসমৰ ৰাজ্যপালে তেখেতৰ ২৮ জানুৱাৰীৰ নিৰ্দ্দেশখন ৰদ কৰি পুনৰ এখন নিৰ্দ্দেশ জাৰি কৰিলেনে নাজানো। ৰাজনীতিৰ মেৰপাক আৰু ন্যস্ত স্বাৰ্থৰ প্ৰভাৱত অসমৰ কোচ ৰাজবংশী সকল অনুসূচীত জনজাতি তালিকাত এবাৰ অন্তৰ্ভূক্ত হৈয়ো প্ৰাপ্য অধিকাৰৰ পৰা প্ৰতাৰিত হ'ল। ভাৰত চৰকাৰৰ প্ৰতিশ্ৰুতি, ৰাষ্ট্ৰপতিৰ আধ্যাদেশ সকলো অথলে গ'ল ভাৰতৰ অন্য কোনো জনগোষ্ঠীৰ ক্ষেত্ৰত এনে হোৱা হ'লে গোটেই দেশ উত্তাল হৈ উঠিলেহেঁতেন। চৰকাৰৰ পদত্যাগৰ দাবী কৰি সংসদৰ ভিতৰে-বাহিৰে চিঞৰত গগণ ফালিলেহেঁতেন। কিন্তু উপক্ষিত জনগোষ্ঠী এটাৰ বাবে এইটো সম্ভৱ নহ'ল।

ক্ৰমাত ৰাজনীতিৰ মেৰ-পাকে নতুন ৰূপ ল'লে, অইন উপক্ষিত জনজাতি সকলৰ দাবীৰ লগত কোচ ৰাজবংশীসকলৰ জনজাতি অনুসূচীত অন্তৰ্ভূক্তিৰ প্ৰশ্নটো সাঙুৰি পেলোৱা হ'ল। সাক্ষ- প্ৰমাণ নথি পত্ৰ দি এই জনগোষ্ঠীটোৱে সম্পূৰ্ণ ভাৱে তেওঁলোকৰ দাবী প্ৰতিপন্ন কৰাৰ পিছতো, ভাৰত চৰকাৰে এই দাবী মানি লোৱাৰ পিছতো আনকি ৰাষ্ট্ৰপতিৰ আধ্যাদেশ জাৰি কৰাৰ পিছতো পুনৰ গোটেই প্ৰশ্নটো নতুনকৈ বিবেচনাৰ অধিনলৈ অনা হ'ল। আন যিবোৰ জনগোষ্ঠী এতিয়াও এই তালিকাৰ পৰা বাদ পৰি আছে তেওঁলোকক আমিও অনুসুচীভূক্ত কৰাটো বিচাৰো, কিন্তু ইয়াৰ বিকল্প কৰা বাবেই গোটেই জনগোষ্ঠীটোৰ মনত ক্ষোভ আৰু বেদনাৰ ভাৱ প্ৰকট হৈছে। সেয়ে এই জনগোষ্ঠীটোক প্ৰয়োজনীয় বিধি ব্যৱস্থাৰে জনজাতিকৰণ কৰাটো চৰকাৰৰ দায়িত্ব অৱশ্যে এনে কৰিলে কোনো কোনো মহলৰ পৰা বিৰোধ অহাটো স্বাভাৱিক, কিয়নো সেইসকলে ইতিমধ্যে পাই থকা সা-সুবিধা বোৰৰ পৰা ভাগ হৈ যাব বুলি ধাৰণা কৰিব পাৰে। কিন্তু এই ধাৰণা একেবাৰে অমূলক। কোচ সকলক জনজাতি তালিকাভূক্ত কৰিলে বৰ্দ্ধিত জনজাতিয় জনসংখ্যাৰ ভিত্তিত সা-সুবিধাবোৰো বৃদ্ধি হ'বগৈ। তাৰোপৰি আগতে অন্তৰ্ভক্ত জনজাতি সকলে ইতিমধ্যে পাই থকা সা-সুবিধাবোৰৰ পৰা যাতে বঞ্চিত হ'ব নালাগে তাৰো ব্যৱস্থা কৰিব লাগিব। কোচ সকলেও এনে ব্যৱস্থা গ্ৰহণত আগভাগ ল'ব লাগিব তেতিয়াহে অসমৰ সমূহ জনজাতিয় জনগোষ্ঠীৰ মাজত সৎভাৱ অটুত থাকিব আৰু তেওঁলোকৰ সংবিধান প্ৰদত্ত সা-সুবিধাসমূহ আদায় কৰাত যৌথভালে কাম কৰি যাব পাৰিব।



# কোঁচ সকলৰ চমু আঁতি গুৰি

অৰুণ দাস (ধমধমা)

বিভিন্ন জনগোষ্ঠীৰ সু-সমন্বয়ত অসমীয়া জাতি গঢ় লৈ উঠিছে। গতিকে প্ৰতিটো জনগোষ্ঠীৰ সুষম বিকাশৰ জৰিয়তেহে অসমীয়া জাতিৰ প্ৰগতি আৰু মহিমণ্ডিত ৰূপটো অম্লান কৰি ৰখা সম্ভৱপৰ। জনগোষ্ঠীসমূহৰ জন্ম লগ্নৰ কাহিনীও বিচিত্ৰ আৰু মনোৰম। এইক্ষেত্ৰত বিভিন্ন ধৰণৰ কিংবদন্তি অথবা জনশ্ৰুতি পোৱা যায়। কোঁচ সকলৰ জন্মৰ সৈতেওঁ তেনে মনোৰম কাহিনী জড়িত হৈ আছে। কোঁচৰ অভিধানিক অৰ্থ হ'ল অসমীয়া হিন্দুৰ এটা শাখা। তন্ত্ৰ আৰু পুৰাণতো কোঁচসকলৰ কথা উল্লেখ আছে। এইক্ষেত্ৰত 'কোচ' শব্দটো ব্যৱহাৰ কৰা পৰিলক্ষিত হৈছে। কিছু ইতিহাসবিদে দক্ষিণ চাইবেৰীয়াৰ লোকৰ সৈতে কোঁচসকলৰ লগত মিল থকা বুলি উল্লেখ কৰিছে। কোঁচসকলে মঙ্গোলীয় নে দ্ৰাবিড়ীয় এই বিষয়ে কিছু মতানৈক্য থকা দেখা যায় যদিওঁ কোঁচসকল মঙ্গোলীয় বুলি পণ্ডিত সকলে ঠাৱৰ কৰিছে। এটা সময়ত মানস নৈৰ পশ্চিম ফালে থকা কোঁচসকলে হিন্দু ধৰ্ম গ্ৰহণ কৰি ৰাজবংশী বুলি কবলৈ লৈছিল। কোচ ৰজাসকলে ৰাজত্ব কৰা সময়ত কোচ আৰু ৰাজবংশীৰ মাজত সংমিশ্ৰণ হয়। তদুপৰি আনদুটি জনগোষ্ঠী গাৰো আৰু মেচৰ লগত কোঁচসকলৰ ওচৰ সম্বন্ধ আছিল। গাৰো পাহাৰ জিলাত যিবোৰ কোঁচ লোক আছে তেওঁলোকৰ ভাষাৰ লগত গাৰো ভাষাৰ মিল থকা যেন অনুভৱ হয়। অনুসন্ধিৎসু লোকে এইক্ষেত্ৰত গৱেষণা কৰি এটা সুস্থিৰ আৰু বিজ্ঞান সন্মত মত- প্ৰতিষ্ঠা কৰিব পৰাৰ যথেষ্ট অৱকাশ আছে। অৱশ্যে আজিৰ চাম নতুন প্ৰজন্মই কোঁচ ভাষা কোৱা কুই কৰা শুনিবলৈ পোৱা নাযায়। যিসকল বয়োবৃদ্ধ লোক আছে তেওঁলোকহে কোঁচভাষা কব পাৰে। কোচ সকলৰ মাজত সৰুতে কাণ ফুটা কৰা এটা ৰীতি প্ৰচলন আছিল। গাৰো সকলৰ মাজতো এই ৰীতি প্ৰচলন হৈ আছে। সেই সময়ৰ সমাজ জীৱনত বিয়া বাৰুৰ জৰিয়তে ভিন ভিন জনগোষ্ঠীৰ মাজত সমন্বয় সাধন হোৱাৰ যথেষ্ট প্ৰমাণ আছে। বিশেষকৈ কোঁচ আৰু মেচৰ মাজত সামাজিক বাধা নোহোৱাকৈ বিয়া বাৰু সম্পাদিত হৈছিল। যাৰ ফলত কোঁচৰ পূৰ্বপুৰুষ জন কোচ আছিল নে মেচ আছিল তাক খাটাংকৈ নিৰ্ণয় কৰা বৰ কষ্ট সাধ্য কাৰ্য। সূৰ্যকুমাৰ ভূঞাদেৱে সম্পাদনা কৰা দেওধাই অসম বুৰঞ্জীৰ পাতনিত তেখেতে এনেদৰে উল্লেখ কৰিছে -

"Haria Mandal had two wife, Lila and Hira. Hira became encient through Mahadev on her way to supply food and wine to her husband engaged in rearing cotton at some distance from theire home. Bishu was born, and he, as captain of the cow herds, deaet Justice to his fellows, Bishu places himself at the head of his followers and

OKDISCD

was joined by men of the neigh bouring villages. Bishu subdued the Saru - Bhuyans and captured their arms, weapons, soldiers and provi sians, and he was formally ordained as Raja in 1449 saka, or A.D. 1527, with the name Biswa singha. His twelve leading followers were appointed karjis or local governors".

হাৰিয়া মণ্ডলৰ বাসস্থান আছিল গোৱালপাৰা জিলাৰ খুন্তাঘাট পৰগণাৰ চিকনাগ্ৰাম। এই পৰগণাতে বাৰঘৰ মেচ পৰিয়ালে বসবাস কৰিছিল। তেওঁলোক হ'ল ভেদেলা, ভেদভোদো, বৰিহণা, কাঠিয়া, গুৱাবৰ, মেঘো, বৈহাগু, জেসৈ, খৰুকাটা, যুদ্ধবৰ, ডেখেৰা আৰু পাণবৰ। নামবোৰৰ ক্ষেছত এটা বৈশিষ্ট্য বিৰাজমান। সেইবোৰ প্ৰচলিত বড়ো নামযেন অনুমান হয়। তদুপৰি অসম বুৰঞ্জী আৰু দেওধাই বুৰঞ্জীত থকা নামবোৰৰ উচ্চমান অলপ অচৰপ ইফাল সিফাল হোৱা দেখা যায়। হাৰিয়ামণ্ডলৰ সৰু ভাৰ্যাৰ গৰ্ভত বিশুৰ জন্ম হৈছিল। বিশুৱে এদিন ৰজা হ'ব এইকথা মহাদেৱে হাৰিয়ামণ্ডলক সপোনত দেখুৱাইছিল। বিশুৰ লৰালিকালতে ৰাজ লক্ষণে দেখা দিছিল। গৰু চাৰিবলৈ যাওঁতে বণত যেতিয়া ভাগৰত ক্লান্ত হৈ শুইছিল তেতিয়া গোম সাপে ফেঁট তুলি ছায়া দি আছিল। লগৰ গৰখীয়া ল'ৰাবোৰে এই দৃশ্য দেখি তেওঁক বৰগৰখীয়া পাতিছিল। পৰৱৰ্তী কালত বৰহগৰখীয়া নাম সলাই গৰখীয়া ৰজা নাম লৈছিল। ৰজা হোৱাৰ পিচত তেওঁ বিশ্বসিংহ নাম ললে। বিশ্বসিংহ ৰজা হোৱাৰ পিচত যি বাৰটি মেচ পৰিয়াল আছিল তাৰে বাৰজন গৰখীয়াক কাৰ্জি পাতিছিল। সেই কাৰ্জি কেইগৰাকী হ'ল ভখুৰা, পাৰো, নিচিচলা, চুৰাচাল, সতানন্দ, মেঘা, পৃৰ্ত্তা, ভোলা, বিৰু, ষড়ানন, হৰিচন্দ্ৰ আৰু ৰিপুঞ্জয় কাৰ্জি। বিশ্বসিংহৰ ওঠৰ জন পুতেক আছিল। তেওঁলোকৰ ভিৰতৰত উল্লেখযোগ্য হ'ল মল্লদেব, শুক্লধবজ, নৰসিংহ আৰু গোহাঁই কমল। বিশ্বসিংহৰ মৃত্যুৰ পিছত মল্লদেৱ ৰজা হয়। ৰজা হৈ তেওঁ নৰনাৰায়ণ নাম লয়। ভাতৃ শুক্লধবজক প্ৰধান সেনাপতিৰ পদত অধিষ্ঠিত কৰে। শুক্লধবজে চিলাৰ দৰে চোমাৰি গৈ ৰাজ্য বিস্তাৰ কৰিছিল। কাৰণে তেওঁক চিলাৰায়ৰ নামেৰে বিভূষিত কৰা হৈছিল। নৰনাৰায়ণ আৰু চিলাৰায়ৰ ৰাজত্ব কালচোৱা কোচসকলৰ এক গৌৰৱজ্জ্বাল ইতিহাস। কোঁচৰজাৰ পৰাক্ৰমতে এদিন মনিপুৰ আৰু জয়ন্তীয়া এই ৰাজ্যৰ তলতীয়া হৈছিল। ৰংপুৰ আৰু উত্তৰ মৈমনসিংহলৈ ইয়াৰ বিস্তৃতি হৈছিল। এসময়ত ভূটানো কোচৰজাৰ অধীনত আছিল বুলি বুৰঞ্জীয়ে মত পোষণ কৰিছে। গাৰো ভাষাৰ লগত যিদৰে কোঁচ ভাষাৰ মিল দেখা যায় তদ্ৰূপ ভূটীয়া ভাষাৰ লগতো কোচ ভাষাৰ মিল থকা বুলি পণ্ডিত সকলে অনুমান কৰিছে। ৰাজ্য বিস্তাৰৰ লগতে নৰনাৰায়ণে সু শাসনৰ জৰিয়তে জনসাধাৰণৰ হিতাৰ্থে অনেক কাম কৰিছিল। তাৰ ভিতৰত এক উল্লেখযোগ্য কাম হ'ল গোহাঁইকমল আলি নিৰ্মান। এই গড় আলিটো কোচবিহাৰৰ ৰাজধানীৰ পৰা উত্তৰ লক্ষীমপুৰৰ নাৰায়ণ পুৰলৈ নিৰ্মান কৰা হৈছিল। দৈৰ্ঘ আছিল ৩৫০ মাইল। এই আলিটোৰ নিৰ্মান কাৰ্য নৰনাৰায়ণৰ ভাল এগৰাকী ভাতৃ গোহাঁই কমলে তদাৰক কৰিছিল বাবে তেওঁৰ নামেৰে আলিটো নামাংকিত কৰা হয়। আজিওঁ তাৰ ভগ্নাৱশেষ বিদ্যমান। ধৰ্মনাৰায়ণৰ মৃত্যুৰ পিচত কোচ ৰাজত্বৰ এক গৌৰবজ্জ্বাল ইতিহাসৰ সামৰণি পৰে।

অসমীয়া সাহিত্য-সংস্কৃতি জনক হ'ল- মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱ। এই মহাপুৰুষ গৰাকীক নৰনাৰায়ণে আশ্ৰয় দি সৃষ্টিশীল কাৰ্যৰ বাবে উদগনি নোযোগোৱা হ'লে অসমীয়া সাহিত্য সংস্কৃতিৰ সেন্দুৰীয়া আলি নিৰ্মাণৰ কাম আধৰুৱা হৈ ৰল হেতেন। চিলাৰায়ৰ দৰে বিশ্ববীৰ কোচ সকলেহে লাভ কৰিব পাৰিছে। তাৰো আছে এক সোণালী অধ্যয়ণ। পুৰণি মঠ-মন্দিৰ আদি নিৰ্মাণ কৰি নৰনাৰায়ণে উদাৰতাৰ এক উজ্বল চানেকি আমাৰ সম্মুখত ৰাখি থৈ গৈছে। ইমানবোৰৰ পিচতো আজি কোচসকলক ৰাজনীতিকৰ তত্ব ফিটাৰ মেচপাচত বঞ্চিত কৰি ৰখা কাম কোনো ক্ষেত্ৰতে সমৰ্থন যোগ্য হব নোৱাৰে। কোচসকলে তেওঁলোকৰ হেৰোৱা অধিকাৰ সন্মিলিত শক্তিৰে উদ্ধাৰ কৰাৰ লগতে প্ৰাচীন শৌৰ্য বীৰ্যৰ ধাৰাবাহিকতা শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক পদ্ধতিৰে ৰক্ষা কৰিব পাৰিব বুলি আমি আমি অতিশয় আশাবাদী।

■ গোলাপক আন নামেৰে মাতিলেও ইয়াৰ সুগন্ধৰ হেৰ-ফেৰ নহয়।

—চেক্সপীয়েৰ।

■ সত্যৰ দ্বাৰা সত্য লাভ কৰিব পাৰি। হিয়া দান কৰিব পাৰিলেহে হিয়া পাব পাৰি।

— মাৰ্চেল।

■ ভাল বিচৰাটো দানবীয়, ভাল কৰাটো মানৱীয় আৰু ভাল হোৱাটো স্বৰ্গীয়।

— জেমচ্ মাৰ্টিন।

OKDISCD

# কোচ ৰাজবংশী

*এটি চমু সমীক্ষা...*

■ শ্ৰীনৰহৰি মহন্ত
উলুবাৰী (তাঃ)

মুচলমান সকলৰ হাতত ধ্বংসপ্ৰাপ্ত কমতাৰাজ্যতেই ১৬ শতিকাৰ আগভাগত কোচ বংশীয় বিশ্বসিংহই (১৫১৫ - ১৫৪০) কোচ ৰাজ্য প্ৰতিষ্ঠা কৰে। কোচ বংশৰ আদি পুৰুষ গৰাকীৰ নাম হাৰিয়া মণ্ডল। হাৰিয়া মণ্ডলৰ পুত্ৰ বিশু। বিশ্বসিংহই পিতাকৰ মৃত্যুৰ পাছত বৰভূঞাসকলক পৰাস্ত কৰি কৰতোৱাৰ পৰা বৰনদীলৈকে বিস্তৃত এখন ৰাজ্য গঢ়ি তোলে। বিশ্ব সিংহৰ ৰাজত্ব কালতে কোচ ৰাজ্যৰ সু-দৃঢ় ভেটি নিৰ্মান হয়। বিশ্বসিংহই কোচ বিহাৰত ৰাজ্যৰ ৰাজধানী স্থাপন কৰে। ১৫৪০ খ্ৰীষ্টাব্দত বিশ্বসিংহৰ মৃত্যু হয়।

বিশ্বসিংহৰ মৃত্যুৰ আগতে তেওঁৰ জ্যেষ্ঠ পুত্ৰ মল্লদেৱক ৰজা মনোনীত কৰি থৈ যায় যদিও বিশ্বসিংহৰ মৃত্যুৰ সময়ত তেওঁৰ পুত্ৰ মল্লদেৱ আৰু শুক্লধ্বজ অধ্যয়ণৰ বাবে বাৰণসীত থকাৰ সুযোগতে তৃতীয় পুত্ৰ নৰসিংহই সিংহাসন অধিকাৰ কৰি লয়। পাছত মল্লদেব শুক্লধ্বজে নৰসিংহৰ পৰা সিংহাসন কাঢ়ি লৈ মল্লদেৱে নৰনাৰায়ণ নাম লৈ ৰজা হয় আৰু শুক্লধ্বজক সেনাপতি পাতে। লগতে নাৰায়ণৰ দিনতে কোচসকলৰ ৰাজনৈতিক গৌৰব উচ্চ শিখৰত আৰোহণ কৰে। ১৫৬২ খ্ৰীষ্টাব্দত চিলাৰায়ৰ সহায়ত নৰনাৰায়ণে আহোম সকলক পৰাস্ত কৰে। নৰনাৰায়ণৰ দিনতে আহোমসকলৰ পৰাস্ত হয় লগতে কোচ-ৰাজবংশীসকলৰ সাহিত্য সংস্কৃতিৰো লক্ষণীয়ভাবে বিস্তৃতি লাভ হয়।

১৫৮৪ খ্ৰীষ্টব্দত নৰনাৰায়ণৰ মৃত্যুত লক্ষ্মী নাৰায়ণ কোচবিহাৰৰ ৰজা হয় যদিওঁ ঘৰুৱা কন্দলৰ সৃষ্টি হয়। ইয়াৰ ফলত মোগল আৰু আফগানসকলে কোচ সকলৰ ভিতৰুৱা ৰাজনীতিত হস্তক্ষেপ কৰিবৈলে সুবিধা পায়। ১৬১৫ খ্ৰীষ্টাব্দত কোচ ৰাজ্য মোগলৰ অধীন হয়।

১৫৪০ - ১৬১৫ লৈ এই বিৰাট সম্প্ৰসাৰণৰ কৃতিত্ব মূলতঃ দাবীদাৰ আছিল চিলাৰায়। কিন্তু চিলাৰায় কেবল এক সামৰিক বীৰেই নাছিল, তেওঁ আছিল এক নতুন সভ্যতা সংস্কৃতিৰো বাৰ্তাবাহক। আন এজন বিশিষ্ট বুৰঞ্জীবিদ ডঃ সূৰ্য্যকুমাৰ ভূঞাই আঙুলিয়াই দিছে যে কামাখ্যা মন্দিৰ আৰু শংকৰদেৱৰ সাহিত্য সংস্কৃতি ধৰ্ম্ম হৈছে অসমীয়া জাতিৰ প্ৰতি নৰনাৰায়ণ চিলাৰায়ৰ বৰঙণি। কামাখ্যা মন্দিৰ আৰু শংকৰদেৱৰ বাবেই অসম অসমীয়াক ভাৰত ভাৰতীয়ই চিনি পায়।" অৱশ্যে ইয়াৰ বাহিৰেও চিলাৰায়ৰ আন ঐতিহাসিক ভূমিকা আছিলি, তেওঁ ক্ষুদ্ৰ ক্ষুদ্ৰ আত্ম মগ্ন জনজাতি ৰাজ্যবোৰ ভাঙি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলজুৰি এক সামন্তীয় ব্যৱস্থাৰ ভেটি স্থাপন কৰিছিল। বিশ্ব বিখ্যাত ইতিহাসবিদ আৰ্নল্ড তয়নবীয়ে নাপোলিযন বোনাপাৰ্ত আৰু ছত্ৰপতি শিৱৰাজিৰ লগতে চিলাৰায় দেৱনকো বিশ্বমহাবীৰ হিচাপে অন্তৰ্ভূক্ত কৰিছিল।

অসমৰ থলুৱা জনগোষ্ঠীসকলৰ ভিতৰত কোচ ৰাজবংশীসকল হৈছে বৃহত্তম। তেওঁলোক অসমীয়াভাষী বৃহত্তম সম্প্ৰদায়। মুঠ জনসংখ্যা প্ৰায় ৭২ লাখ। অৰ্থাৎ ৰাজ্যখনৰ মুঠ জনসংখ্যাৰ এক পঞ্চমাংশ। ১৮৯.১ চনৰ লোকপিয়ল অনুসৰি অসম, পশ্চিমবঙ্গ, আৰু পূৰ্ব্বৰ পূব পাকিস্থানত ৩৫,৯০৩৪১ জন জনভাষী আছিল। সেই একে পিয়লৰ পৰা অভিভক্ত গোৱালপাৰা জিলাৰ পৰা জিলাৰ দুই তৃতীয়াংশ মানুহে ৰাজবংশী (গোৱালপৰীয়া) ভাষা কোৱা দেখা যায়। কোচ ৰাজবংশী সকলৰ বিশিষ্ট বাওপন্থী তাত্বিক ভাষ্কৰ নন্দী আৰু বাসন্তী বৰ্মনে কৈছে ঃ উত্তৰ পূব ভাৰতৰ কোচ ৰাজবংশী সকল এক যৌগিক জনগোষ্ঠীৰ সংমিশ্ৰণত গঠিত যাৰ মাজত বহু ভাষা ভাষি জনগোষ্ঠীৰ সংমিশ্ৰণ ঘটিছে। এই জনগোষ্ঠীয়ে প্ৰায় ১৫০০ বছৰৰ এক দীৰ্ঘ সংস্কায়ণ প্ৰক্ৰিয়াৰে বিভিন্ন ভাষাৰ পৰা সংস্কৃত ভাষা ভিত্তিক ভাষা, ঝুম খেতিৰ পৰা স্থায়ী নাঙলেৰে খেতি কৰা, আপেক্ষিকভাৱে অ বৈষম্যমূলক নাৰী পুৰুষৰ বৈবাহিক সম্পৰ্কৰ পৰা নাৰীৰ ওপৰত বাধা নিষেধকাৰী, আৰোপকাৰী ব্যৱস্থালৈ আৰু ৰাষ্ট্ৰবিহীন সমাজৰ পৰা প্ৰথমে আত্মীয় ভিত্তিক (Kinship) আৰু পাছত মোটামুটি স্থায়ী ৰাষ্ট্ৰীয় ভিত্তিক সমাজ ব্যৱস্থালৈ ৰূপান্তৰিত হয়। এই ৰাষ্ট্ৰ ১৯৫০ চনত ভাৰতীয় প্ৰজাতন্ত্ৰৰ অংগীভূত হোৱাৰ আগতে প্ৰায় চাৰিশ (৪০০) বছৰ, তিকি আছিল। তথাপিও ভাৰতীয় জাতি বৰ্ণ ব্যৱস্থাত এই জনগোষ্ঠীৰ অন্তভূক্তি লৈ বহু অনিশ্চয়তা থাকি গ'ল। এইলোক পৰিচিতিৰ প্ৰশ্নই বৰ্ত্তমানে ৰাজনৈতিক সমস্যাৰ ৰূপত দেখা দিছো। এই প্ৰৱন্ধত এই জনগোষ্ঠীৰ প্ৰক্ৰিয়া আৰু প্ৰক্ৰিয়াৰ লগত পুৰণা সংস্কৃতি আৰু সমাজৰ সংঘাত অনুসন্ধান কৰাৰ চেষ্টা চলিছে। এই সংঘাতৰ ফলতে জন গোষ্ঠীটোৱে জাতি বৰ্ণ (Custe) আৰু জনজাতি (Tribe) ৰ মধ্যৱৰ্ত্তী অৱস্থাত থাকি গৈছে আৰু বৰ্ত্তমান এটি জাতিসত্তা (Nationality) ৰূপে বিকশিত হ'বৰ সম্ভবনা উপস্থিত হৈছে।"

কোচ ৰাজ্য আৰু কোচ ৰাজবংশীৰ বসতি এলেকা (বৰ্ত্তমানৰ) ভাৰত, নেপাল আৰু বাংলা দেশত বিস্তৃত হৈ পৰিছিল। নেপালৰ তৰাই অঞ্চলৰ মৰঙত পূবৰ এলেকা, বিহাৰৰ পূৰ্ণিয়া আৰু কেইখনমান সংলগ্ন জিলা, উত্তৰ বংগৰ ছখন জিলা, বাংলাদেশৰ ৰংপুৰ, দিনাজপুৰ আৰু উত্তৰ পূব মৈমনসিংহৰ বাহিৰেও, অসমৰ ধুবুৰী, গোৱাল পাৰা, বঙাইগাওঁ, কোকৰাঝাৰ, বৰপেটা, নলবাৰী, কামৰূপ আৰু দৰং জিলাত বুজন পৰিমাণৰ কোচ ৰাজবংশী জনবসতি আছে।

তিনিখন দেশ বিয়পা আৰু বিস্তীৰ্ণ অঞ্চলত তিনি শতিকাজুৰি ৰাজত্ব চলোৱা কোচ সকলৰ সকলো ক্ষমতা একালত ব্ৰিটিছৰ দ্বাৰা অপহৃত হ'ল। আহোম সকলৰ দৰেই কোচসকলকো অপমানজনক পৰিস্থিতিলৈ নিক্ষেপ কৰা হ'ল। সামাজিকভাৱে তেওঁলোকক

OKDISCD

চৰম অপৃশ্যতাৰ বলি কৰা হ'ল। ব্ৰিটিছ শাসকৰ লগত বুজাবুজি লৈ আহিব নোৱাৰাৰ ফলত তেওঁলোকে ইংৰাজী শিক্ষাকো অৱহেলা কৰিলে। তাৰ ফলত তেওঁলোকৰ মধ্যশ্ৰেণীৰ বিকাশৰ ক্ৰম লেহেম হ'ল। ফলত এই গোষ্ঠীটোৱে বিগত আঠ- ন দশক ধৰি আজিওঁ, অৱহেলা, অপৃশ্যতাৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলগীয়া হৈছে। এটা সময়ত কোচ ৰাজবংশী সকলক বৰপেটা কীৰ্ত্তন ঘৰত সোৱা সৎকাৰ কৰাৰ অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছিল। কলিকতাৰ সৰ্ব্বোচ্চ ন্যায়ালয়ত গোচৰ তৰিহে কোচ ৰাজবংশীসকলে কীৰ্ত্তন ঘৰত প্ৰৱেশৰ অধিকাৰ লাভ কৰিছিল। এনে অপৃশ্যতাৰ কাৰণে কোচ ৰাজ বংশী নেতৃত্বই সত্ৰাধিকাৰ সকলক প্ৰত্যক্ষভাৱে দায়ী কৰিছিল। অথচ যিজনা গুৰুৰ আদৰ্শৰ প্ৰাণকেন্দ্ৰ আছিল বৰপেটা ধাম, আৰু সেইজনা গুৰুৱেও যাৰ আশ্ৰয়ত সাহিত্য চৰ্চা কৰিছিল, সেই গোষ্ঠীটোকে প্ৰৱঞ্চনা কৰা হ'ল। অসমৰ মহাপুৰুষীয়া পৰম্পৰাৰ অন্যতম বাহক শ্ৰীমন্ত শংকৰ সংঘৰ প্ৰতিষ্ঠাপক আছিল হ'লধৰ ভূঞা, তেওঁ নিজৰ এটি অভিজ্ঞতাৰ বৰ্ণনা দি ল'ৰালিত তেওঁ এবাৰ তমোময় জ্বৰত আক্ৰান্ত হৈ বাটেদি থৰক-বৰককৈ গৈ থাকোতে বৰ্ণ হিন্দু বৈষ্ণৱ সকলে তেওঁক স্পৰ্শ কৰাৰ পৰাও বিৰত আছিল বুলি এঠাইত কৈছে, আনকি বৰদোৱা থানত তেওঁ অপমানিত হোৱাৰ কথাও প্ৰকাশ কৰিছিল। এইজনা ব্যক্তিয়ে দীৰ্ঘদিন ধৰি কোচ ৰাজবংশীৰ সন্মিলনীৰ নেতৃত্ব দিছিল।

বংগ আৰু অসম দুয়ো ৰাজ্যৰে বৰ্ণ হিন্দুসকলে আচৰণ কৰা এনেধৰণৰ অস্পৃশ্যতাৰ বাবেই কোচসকলে এক সংস্কৃতিবান আন্দোলনত যোগ দিছিল। পশ্চিমবংগৰ দিনহাটৰ পঞ্চানন বৰ্মা ওৰফে পঞ্চানন ঠাকুৰ ওৰফে পঞ্চানন চৰকাৰ আছিল সম্প্ৰদায়টোৰ এজন উদিয়মান অধিবক্তা তথা নেতা। তেতিয়াই এম, এ, বি, এল, ডিগ্ৰী লাভ কৰা পঞ্চাননক ৰংপুৰ (বৰ্ত্তমান বাংলাদেশৰ অন্তৰ্গত) কছাৰীৰ উকিলখানাত বৰ্ণহিন্দু সহকৰ্ম্মীসকলে বেয়াকৈ অপমান কৰে। বিক্ষোভত ফাটি পৰি পঞ্চাননে ১৯১৩ চনৰ ২৭ মাৰ্চৰ দিনটোত কৰতোৱা নদীৰ পাৰত দুইলাখ কোচ জনগণক একত্ৰিত কৰে। কোচ সকলে তাৰ পাছত এক ব্ৰাহ্মণ্যবাদী আচাৰ আনুষ্ঠিকতাৰ মাজেৰে নগুণ পৰিধান কৰে।

সমালোচক ডঃ অমলেন্দু গুহয়ো ১৮৯১ চনত কোচ ৰাজবংশীসকলে আন্দোলন কৰা বুলি দেখুৱাইছে। ১৯০৭ চনত অসমৰ চিদ্লীত অনুষ্ঠিত কুলপ্ৰদীপ অনুষ্ঠানো আছিল এনে এক উৰ্দ্ধমুখী সামাজিক সচলতাৰ বাবে হোৱা আন্দোলনৰে উদাহৰণ। আনহাতে আচাৰ আনুষ্ঠানিক/ঔপচাৰিক আন্দোলনবোৰে যে কোচ ৰাজবংশীসকলৰ সামাজিক স্থিতিত কোনো মৌলিক পৰিবৰ্ত্তন আনিব পৰা নাছিল তাৰ প্ৰমাণ পোৱা যায় এই কথাৰ পৰা যে যিসকল বাঙালী ব্ৰাহ্মণে কুৰি শতিকাৰ দ্বিতীয় তৃতীয় দশকতে কোচ ৰাজবংশীসকলক ক্ষত্ৰিয় বুলি দীঘলীয়া প্ৰমাণ পত্ৰ দিছিল, আনকি তেওঁলোকেও কোচ ৰাজবংশী সকলৰ সকাম নিকাম কৰিবলৈ অস্বীকাৰ কৰিছিল।

১৯৮৩ চনত বঙাইগাৱত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনত যোগেন্দ্ৰ চন্দ্ৰ চৰকাৰ আৰু আন কোচৰাজবংশী সাহিত্যিক সকলক অপমান কৰা হৈছিল। সাহিত্য সভাই তাৰ দীঘলীয়া কাৰ্য্যকালত কোচ ৰাজবংশীসকলৰ লগতে প্ৰত্যেক্ষ বা পৰোক্ষভাৱে সম্পাদিত মাত্ৰ দুখন কিতাপহে প্ৰকাশ কৰিছিল। তাৰে এখন আছিল “ৰজা নৰনাৰায়ণ” নামৰ পুস্তিকা এখনি, আনখন আছিল কোচৰাজবংশী জমিদাৰ আৰু অসম সাহিত্য সভাৰ বিত্তদাতা নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ ৰচনাসংগ্ৰহ। মহাৰায় চিলাৰায়ৰ জীৱনী লিখিবৰ বাবে কোচ ৰাজবংশী বুৰঞ্জীকাৰ অম্বিকাচৰণ চৌধুৰীক অনুৰোধ কৰিছিল। ১৯৮২ চনৰ তিনিচুকীয়া অধিবেশনৰ আগতে সভাই কিতাপ খন প্ৰকাশৰ প্ৰতিশ্ৰুতি দিছিল যদিও ১৯৮৩ চনত তেখেতে নিজাকৈ প্ৰকাশ কৰিবলগীয়া হয়। ৰাজবংশী / কমতাপুৰী ভাষা সাহিত্য পৰিষদৰ জন্মৰ মূলতো অসম সাহিত্য সভাৰ জাতি বৰ্ণবাদী নীতিৰ বিৰুদ্ধে এক সবল প্ৰতিবাদ আছিল।

এনেদৰে বাৰে বাৰে কোচ ৰাজবংশীসকল ভাষা সাহিত্য সংস্কৃতিৰ আগ্ৰাসনেই নহয়, কোচসকল ৰাজনৈতিক-সামাজিক, অৰ্থনৈতিক অন্যান্য ক্ষেত্ৰতো বৈষম্যৰ চিকাৰ হৈছিল। প্ৰথমতঃ ৰাজনৈতিক কাৰচাজিৰ বাবে ভাৰত, বাংলাদেশ নেপালত বিভক্ত হব লগা হ'ল। যাতে কোচ ৰাজবংশী সকল ঐক্যবদ্ধ হব নোৱাৰে। দ্বিতীয়তঃ পশিচমবঙ্গত তেওঁলোক অনুসূচীত জনজাতি, বা অ.বি.চি. বা অন্যান্য পিচপৰা শ্ৰেণীৰূপে স্বীকৃত। বিট্ৰিছ চৰকাৰে কোচ ৰাজবংশী সকলক অনুঃ জনজাতিৰূপে স্বীকৃতি দিছিল। ১৯৫০ চনত তেতিয়াৰ কংগ্ৰেছ চৰকাৰে ঝাৰখণ্ডী আদিবাসী সকলৰ আগতে অনুসূচীৰ পৰা বহিস্কাৰ কৰি সংৰক্ষণৰ সুবিধাকণো কাঢ়ি লয়। তেতিয়াৰে পৰা তেওঁলোক সংৰক্ষণৰ পৰা বঞ্চিত হৈ অহাবুলি বিভিন্ন তথ্যই কয়। আনহাতে ১৯৪৭ চনত জনজাতি বলয় আৰু আবেষ্টনীত কোচ ৰাজবংশী সকলক সংকটলৈ ঠেলি পঠায়। নিজৰ মাটি বেচিব নোৱাৰা হ'ল। এয়া আছিল স্বাধীনতাৰ উপহাৰ। বৃহত্তম অসমীয়াভাষী সম্প্ৰদায়টোক এনেকৈ ঠেলি দিয়া হ'ল, যাৰ বিষম প্ৰভাব অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াৰ ওপৰত পৰিল।

ছাত্ৰ জীৱনত জাতীয়তাৰ দ্বাৰী অনুপ্ৰাণিত হ'ব নোৱাৰিলে ছাত্ৰ-জীৱন ব্যৰ্থ।

— তৰুণৰাম ফুকন।

কেৱল প্ৰতিভাই মানুহ এজনক মহৎ নকৰে। চৰিত্ৰই মানুহক মহত্ত্ব দিয়ে।

— হেম বৰুৱা।

# বিশ্বমহাবীৰ চিলাৰায়

## *বংশ পৰিচয়....*

■ হৰিনাৰায়ণ দাস
ভকত পাৰা

কোচ ৰাজবংশীৰ প্ৰতিষ্ঠাতা আছিল হাৰিয়া মণ্ডল। হাৰিয়া মণ্ডলে কোকৰাঝাৰৰ উত্তৰে চিকনাঝাৰত ৰাজধানী পাতিছিল। তেওঁৰ দুগৰাকী ভাৰ্য্যা হীৰা আৰু জীৰা। হীৰাৰ গৰ্ভত বিশু আৰু জীৰাৰ গৰ্ভত শিশু নামেৰে দুই পুত্ৰ জন্ম হয়। পিতৃৰ মৃত্যুৰ পিছত বিশুই বিশ্বসিংহ নাম লৈ ৰাজপাটত উঠে। এই বিশ্বসিংহৰ ১৯ গৰাকী মহিষী আছিল। এওলোকৰ গৰ্ভত ১৮ জন পুত্ৰৰ জন্ম হয়। গৌড়ৰ কন্যা হেম প্ৰভাৰ গৰ্ভত মল্লদেৱ আৰু পদ্মাৱতীৰ গৰ্ভত শুক্লধ্বজৰ ১৪২২ শক (১৫১০ খৃঃ) ৰ মাঘ মাহৰ পূৰ্ণিমা তিথিত জন্ম হয়।

বিশ্বসিংহ নিজে বিদ্যানুৰাগী হোৱা হেতু পুত্ৰ মল্লদেৱ আৰু শুক্লধ্বজকো বিদ্যা শিক্ষাৰ বাবে কাশীৰ ব্ৰহ্মানন্দ স্বামীৰ (সন্ন্যাসীৰ) ওচৰলৈ পঠায় দিয়ে, স্বামীৰ আশ্ৰমত ১২ বছৰ থাকি দৰ্শন, অৰ্থনীতি ৰাজনীতি আদিৰ উপৰিও অস্ত্ৰবিদ্যা ও শিক্ষাই বুজাই সৰ্ব্ববিদ্যা বিশাৰদ হৈছিল।

বিশ্বসিংহই হেনো তেওঁৰ জীৱিতকালতে এটা ভাগ্য পৰীক্ষাৰ দ্বাৰা পুত্ৰ সকলে তেওৰ মৃত্যুৰ পিছত কৰিবলগীয়া কামৰ নিৰ্দ্দেশ দি যায়। পৰীক্ষাটো এনে ৰজাই কিছুমান টোপোলা বান্ধিপ্ৰতিজন পুত্ৰক একোটা টোপোলা নিবলৈ আদেশ কৰে আৰু যিয়ে যি নিয়ে ভৱিষ্যতে তাকেই পাব বুলি অঙ্গিকাৰ কৰে। জেষ্ঠ পুত্ৰ নৰসিংহই সোন পোৱা দেখি তেওঁক বিদেশলৈ যাবলৈ আদেশ কৰে। নৰনাৰায়ণ মাটিৰ টোপোলা অনাত নিজ দেশৰ ৰজা হবলৈ আৰু শুক্লধ্বজে লোৰ টোপোলা পোৱাত তেওঁক 'ৰণধৰ্ম' পালন কৰিবলৈ আদেশ কৰে। দৰং ৰাজবংশাৱলীত এই কাহিনীটো আছে। এই মতে মল্লদেৱ পিতৃৰ মৃত্যুৰ পিছত নৰনাৰায়ণ নাম লৈ ৰজা হয় আৰু শুক্লধ্বজে দেৱান পদ পায়। দেৱানে প্ৰধান মন্ত্ৰী আৰু প্ৰধান সেনাপতিৰ পদ চলাব লাগিছিল।

১৫৩৩ খৃঃত বিশ্বসিংহৰ মৃত্যুৰ সময়ত মল্লদেৱ আৰু শুক্লধ্বজে কাশীত অধ্যয়ণ কৰি আছিল। সেই সুযোগতে জেষ্ঠ্য ভাতৃ নৰসিংহই ৰাজপাট দখল কৰে। ৰতনী নামৰ এজনী ধাত্ৰীয়ে দুত পঠিয়াই মল্লদেৱ আৰু শুক্লধ্বজক খবৰ দিয়াত দুয়োভাই তৎক্ষানৎ ৰাজধানীলৈ উভতি আহি ৰাজ সিংহাসন দাবী কৰাত নৰসিংহৰ সৈতে সৰু সুৰাকৈ এখন যুদ্ধ হয়। যুদ্ধত নৰসিংহই তিষ্ঠিব নোৱাৰি প্ৰথমে শদিয়ালৈ আৰু পিচত নেপাললৈ পলায় যায়। মল্লদেৱ ৰজা হয় আৰু শুক্লধ্বজ দেৱান পদত অধিষ্ঠিত হৈ সংগ্ৰাম সিংহ নাম লয়।

ৰজা হৈ নৰনাৰায়ণে ৰাজ্য বিস্তাৰৰ বাবে মন মেলে। বিশ্বসিংহই ৰজা হৈ থাকোতে ভূঞা সকলৰ প্ৰৰোচনা আৰু শত্ৰুতাত এবাৰ আহোম ৰজাৰ সৈতে বিশ্বসিংহ পৰাজিত হৈছিল। এই পৰাজয়ৰ দুখ পাহৰিব নোৱাৰি বিশ্বসিংহই তেওঁৰ পুত্ৰসকলক তাৰ প্ৰতিশোধ লবলৈ আদেশ দি মৃত্যুবৰণ কৰিছিল। নৰনাৰায়ণ চিলাৰায়ৰ যুদ্ধযাত্ৰাৰ ইয়ো এটা কাৰণ। ভৈৰৱকুণ্ডত তিনিজন কোচ ৰাজকুমাৰক আহোমৰ দ্বাৰা হত্যা আৰু এগৰাকী কন্যাক অপহৰণ কৰা হয়- এই চেলু লৈয়ে চিলাৰায়ে আহোম ৰাজ্য আক্ৰমণ কৰে ১৫৬৩ খৃঃত। সেই সময়ত আহোম ৰজা আছিল চুখামফা বা খোৰা ৰজা। আহোম ৰজাই উপায়হীন হৈ সন্ধি কৰে। সন্ধিৰ চৰ্তমতে আহোম ৰজাই কোচ ৰজাক কৰ কাটল দিয়া, ব্ৰহ্ম পুত্ৰৰ উত্তৰ পাৰৰ ৰাজ্যখণ্ড এৰি দিয়া আৰু কোচ ৰাজসভাত আহোম ৰজাৰ ভায়েক সুন্দৰ গোসাইকে ধৰি কেইবাজনো আহোম ৰাজকোৱৰক বন্ধকী হিচাপে ৰখাৰ ব্যৱস্থা কৰা হৈছিল। ইয়াৰ পিছত চিলাৰায়ে কছাৰী, জয়ন্তীয়া, ত্ৰিপুৰা জয় কৰি মনিপুৰৰ ৰজাৰ পৰাও বশ্যতা দাবী কৰে। ইয়াৰ পিছত খৈৰামৰ ৰজা বীৰ্য্যাবন্তইও বিনাযুদ্ধে কোচৰজাৰ বশ্যতা স্বীকাৰ কৰে। এইদৰে পুবৰ সকলো ৰাজ্য জয় কৰি কোচ বিহাৰলৈ উভতি যাওতে বাটতে ডিমৰুৱা ৰজাকো পৰাস্ত কৰি কোচৰ তলতীয়া কৰি যায়।

ইয়াৰ পিচত চিলাৰায়ে গৌড় ৰাজ্য আক্ৰমণৰ পৰিকল্পনা কৰে আৰু এটা ডাঙৰ সৈন্যবাহিনী লৈ ১৫৫৬ খৃঃত গৌড় আক্ৰমণ কৰে। কিন্তু যুদ্ধত চিলাৰায় প্ৰথমবাৰৰ বাবে পৰাজিত হয় আৰু বঙ্গৰ চুলতানৰ হাতত বন্দি হয়। এনে সময়তে চুলতানৰ মাকক সাপে খোটাত চিলাৰায়ে চিকিৎসা কৰি ভাল কৰাত চুলতানে চিলাৰায়ক মুক্তি দিয়ে। কিছুবছৰ পিছত ১৫৭৬ খৃঃত আকবৰৰ সেনাপতি মানসিংহই গৌড় আক্ৰমণ কৰাত চিলাৰায়েও পূব ফালৰ পৰা গৌড় আক্ৰমণ কৰে। দুফালৰ পৰা আক্ৰমণ হোৱাত গৌড়ৰ নবাব পৰাস্ত হয়। এই যুদ্ধৰ পিছতে বসন্ত ৰোগত আক্ৰান্ত হৈ গঙ্গা নদীৰ পাৰত মহাবীৰ চিলাৰায়ৰ ১৫৭৯ খৃঃত মৃত্যু হয়।

বুৰঞ্জীত আছে- শুক্লধ্বজে তেজপুৰৰ ভৰলী নদী ঘোঁৰাৰে নৈত জপিয়াই পাৰ হৈছিল বাবে সৈন্য বিলাকে তেওক "চিলাৰায়" নাম দিছিল। চিলাৰায়ে দেৱান বা মন্ত্ৰীৰ কামো কৰিছিল বাবে চিলাৰায় দেৱান বোলে। কিছুমান বুৰঞ্জীবিদৰ মতে চিলাৰায় নামটো আহোম সেনা বিলাকে দিছিল। চাৰ এডোৱাৰ্ড গেইট চাহাবে লিখিছে শুক্লধ্বজে যুদ্ধৰ সময়ত সাহস আৰু ক্ষিপ্ৰগতিৰ বাবে এই নাম পাইছিল। চিলাৰায় নামটো ইংৰাজীত তেও Kite King বুলিছে।

যুদ্ধ বিশাৰদ হিচাপে চিলাৰায় যিদৰে বিখ্যাত তেনেদৰে সংগীত চৰ্চা, ধৰ্ম চৰ্চা, সাহিত্য চৰ্চা আদিতো আদিতো সকলোৰে মাজত জনাজাত আছিল। পিতৃৰ মৃত্যুত ৰাজ্য শাসনত খেলিমেলি হোৱাত আধৰুৱাকৈ শিক্ষা সাং কৰিবলগীয়া হোৱা বাবে জ্ঞানস্পৃহাৰ বাবে কাশীৰ পৰা বহুকেইজন পণ্ডিতক ৰাজধানীলৈ আনি ৰাজদৰবাৰত ঠাই দিছিল। ৰাজকাৰ্য্যৰ মাজতে চেগ বুজি পণ্ডিত সকলৰ ওচৰত বিভিন্ন

OKDISCD

বিষয়ৰ ওপৰত আলোচনা কৰিছিল। মহাপুৰুষ শঙ্কৰদেৱে তেখেতৰ শেষ নাট "ৰাম বিজয়" ত শুক্লধ্বজক "পৰম ৰসিকত্তৰ" বুলি প্ৰশংসা কৰি গৈছে।

পৰম ৰসিক গুৰু শ্ৰীশুক্লধ্বজ
ৰাজা নৃপতি প্ৰধান
জয়তি জয়তি নিত্য ঈশ্বৰ কৃষ্ণক
বেলি লীলা ৰস জান।।
ৰামক পৰম ভকতি ৰস জানা।
শ্ৰীশুক্লধ্বজ নৃপতি প্ৰধান্য।

এই নাটখন চিলাৰায়ৰ অনুপ্ৰেৰণাতে ৰচিত আৰু অভিনীত হৈছিল।

শুক্লধ্বজ বা চিলাৰায়ৰ আছিল সংস্কৃত ভাষা সাহিত্যৰ সৈতে গভীৰ সম্পৰ্ক। কবি জয়দেবৰ ৰচিত "গীত গোবিন্দ" নামৰ প্ৰসিদ্ধ গীতিকাব্য খনৰ ওপৰত চিলাৰায়ে টীকা "সাৰৱতী" ৰচনা কৰিছিল। সাৰৱতী টীকাৰ মংগলাচৰণৰ শ্লোকটিতে তেখেতৰ সংস্কৃত ভাষাত কেনে দখল আছিল অনুমান কৰিব পাৰি। মংগলাচৰণ শ্লোক কেইটা তলত দিয়া হ'ল —

কস্তুৰীমজৰীৰুচং নেত্ৰেঞ্জনানাং প্ৰিয়ম;
কণ্ঠে শ্যামসৰোজ দাম সুসমাস্যে দ্বিৰে ফদ্যুতিম।
শৃঙ্গাৰাঙ্কুৰবিভ্ৰমঞ্চ হৃদয়ে বামভ্ৰাবাং তন্বতী;
ৰাসোল্লাসডৰোদ্ধতা মধুৰিপোঃ কান্তিচ্ছটা পাতুৱঃ।
ব্যাখ্যানং বিৱিধং নিৰাহৃদ য়েয় প্ৰখ্যাত সংখ্যাৱতাম,
সাৰতস্য বিৱিচ্য সংকুলসভা সম্ভাষনৈ ভুয়সঃ।
বিব পাটাং জয়দেৱ সৎকৱিখিৰাং গূঢ়াশয়োম্ভাৱনী,
টীকাং সাৰৱতী যিমাগ্নিতনুতে শুক্লধ্বজো ভূপতিঃ।।

চিলাৰায়ে মহাপুৰুষ শঙ্কৰদেৱৰ ভতিজা জী ভূৱনেশ্বৰীক বিয়া কৰাইছিল। ভূৱনেশ্বৰীয়ে সুন্দৰ বৰগীত গাইছিল। তেওঁৰ বৰগীত শুনি চিলাৰায় শংকৰদেৱৰ প্ৰতি আকৃষ্ট কৰিছিল। আৰু চিলাৰায়ৰ আশ্ৰয়ত থাকিয়ে মহাপুৰুষে এই বৰগীত, গুনমালা, ভটিমা আদি ৰচনা কৰিছিল।

স্কুলত থাকোতে মহাবীৰ চিলাৰায় বা লাচিত বৰফুকনৰ বীৰত্ব বা দিগ্বীজয়ৰ কথা পঢ়িছিলোঁ। কিন্তু এতিয়া অনুভব কৰিছো যে সমগ্ৰ ভাৰতত ৰাজপুৰত বীৰ ৰানা প্ৰতাপ শিৱাজী আদি বীৰৰ কাহিনী যিদৰে প্ৰচাৰিত হৈছে সেইদৰে আমাৰ পূব প্ৰান্তৰ চিলাৰায় লাচিত বৰফুকন, খাচী বীৰ টিৰৎ সিং বা মনিপুৰৰ টিকেন্দ্ৰজীৎ আদি বীৰৰ বীৰত্ব সাহস আদিৰ কথা প্ৰচাৰিত হোৱা নাই। চিলাৰায় বা লাচিত বৰফুকনৰ বীৰত্বৰ সাহস আদিৰ কথা প্ৰচাৰিত হোৱা নাই। চিলাৰায় বা লাচিত বৰফুকনৰ বীৰত্বৰ কাহিনী ভাৰতবৰ্ষৰ অন্য অংশই আজিলৈ অৱহেলাই কৰি আছে। তাৰ বাবে আমাৰ প্ৰচাৰৰ অভাৱকে দুষিব লাগিব। অতুল চন্দ্ৰ হাজৰিকাদেৱে এইক্ষেত্ৰত এইদৰে লিখিছে— "ঐতিহাসিক অসমৰ প্ৰধান দুজনা মহাবীৰ হৈছে যুৱৰাজ চিলাৰায় আৰু লামিচত বৰফুকন ; প্ৰধান নৃপতি দুগৰাকী হৈছে মহাৰাজ নৰনাৰায়ণ আৰু স্বৰ্গদেৱ ৰুদ্ৰসিংহ। অতি পৰিতাপৰ কথা যে অসমৰ এই ইতিহাস প্ৰসিদ্ধ ব্যক্তিসকল ভাৰত বুৰঞ্জীত ৰানা প্ৰতাপ, ছত্ৰপতি শিৱাজী, অশোক আকবৰৰ দৰে নাঘ্য স্থানত প্ৰতিষ্ঠিত হোৱা নাই। এনে হবলৈ পাইছে ঘাইকৈ অসমীয়া পণ্ডিতৰ অক্ষমতাৰ বাবেই। অসমৰ মেটমৰা বুৰঞ্জীৰ পণ্ডিতৰ ভঁড়ালতো আহোম বুৰঞ্জীৰ তুলনাত কোচ বুৰঞ্জীৰ স্থান অতি কম।"



বুৰঞ্জীবিদ আৰ্নল্ড টনেবীয়ে বিশ্বৰ তিনিজন বীৰ নেপোলিয়ন, শিৱাজী আৰু চিলাৰায়ক বিশ্বশ্ৰেষ্ঠ বুলিছে। বিশ্বকোষতো চিলাৰায়ক পৃথিৱীৰ এজন বিখ্যাত বীৰ বুলি উল্লেখ কৰিছে।

বিশ্ববীৰ চিলাৰায় অকল কোচ ৰাজবংশী সকলৰ সেনাপতি হৈ নাথাকি বৃহত্তৰ অসমীয়া সমাজৰ এজন হৈ বিশ্ববন্দিত হওক। তেওঁৰ বীৰত্ব পৰাক্ৰম আমাৰ সকলোৰে পাথেয় হওক এই কামনাৰে সামৰিলোঁ।

*সহায়ক গ্ৰন্থ ঃ*

বিশ্বমহাবীৰ চিলাৰায় ৪৮৮ তম জয়ন্তী উদযাপন সমিতিয়ে প্ৰকাশ কৰা আৰু শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থ "বিশ্ব মহাবীৰ চিলাৰায়।"

● সপোন দেখি ছবি আঁকি থকা শিল্পীৰ দ্বাৰা আজি আমাৰ কাম নহয়। আজি নিজৰ তেজেৰে গুৱাৰ ৰঙা বেলিৰ ছবি আঁকিব পৰা শিল্পীহে আমাৰ লাগে।

—জ্যোতিপ্ৰসাদ আগৰৱালা।

● ল'ৰা-ছোৱালীক প্ৰকৃত মানুহ হ'বলৈ শিক্ষা দিব লাগে। ভদ্ৰলোক বা ভদ্ৰমহিলা হ'বলৈ নহয়।

—পদ্মনাথ গোহাঞিবৰুৱা



OKDISCD

# তামুলপুৰৰ ঐতিহ্য — “সত্ৰ পূণীয়া”

■ অশোক মহন্ত
পূণীয়া

তামুলপুৰৰ বুৰঞ্জীত প্ৰাচীন পূণীয়া সত্ৰ ঐতিহ্যমণ্ডিত। পূৰ্ণ ভকতৰ নামৰ পৰাই পূণীয়া সত্ৰৰ উৎপত্তি হয়। সত্ৰখন প্ৰতিষ্ঠাৰ আগতে ই এখন ক্ষুদ্ৰ কোঁচ ৰাজ্য আছিল। এই ৰাজ্যখমনৰ নাম হ'ল বৰখোপা ৰাজ্য। খোপা ডাঙ্গৰী ৰাণীৰ পৃষ্ঠপোষকতাত এই শ্যামৰায় মন্দিৰটো স্থাপন হয়। পূৰ্ণভকত এজন ঈশ্বৰ ভক্ত লোক আছিল। ইয়াৰ বংশধৰসকল আজিও বিদ্যমান। ৰায় চাহাবঁ ভক্ত নাৰায়ণ মহন্ত আৰু তেওঁৰ পুত্ৰ বিষ্ণু নাৰায়ণ মহন্তৰ দিনত তামুলপুৰ শব্দৰ সৃষ্টি হয়।

ইতিহাসৰ বৰখোপা ৰাজ্যত ৰাণী খোপাডাঙৰীয়ে ৰাজ্য শাসন কৰিছিল। এই ৰাজ্যখনৰ চাৰিসীমা আছিল— দক্ষিণে আড়িমত্তগড়, উত্তৰে ভূটীয়া ৰাজ্য, পূৱে দৰঙী ৰাজ্যৰ সীমা আৰু পশ্চিমে ফেহুৰা ৰাজ্যৰ সীমা আছিল বুলি জনা যায়। এই পুৰণি ৰাজ্যৰ এতিয়াও ৰাজকীয় দানপত্ৰ এই লেখকৰ হাতত আছে।

বৰখোপা ৰাজ্যৰ ৰাণী খোপা ডাঙ্গৰীয়ে বহুতদিন ধৰি সুখেৰে ৰাজ্য শাসন কৰিছিল। বিধিৰ বিপাক নাযায় খণ্ডন। গতিকে খোপা ডাঙ্গৰী ৰাণীৰ এদিন ঘোৰ অন্ধকাৰ নামি আহিল। কালক্ৰমত আড়িমত্ত ৰজা আৰু খোপাডাঙ্গৰী ৰাণীৰ মাজত ঘোৰ শত্ৰুতা আহিল। ৰাণীৰ দুটি সন্তান আছিল। এজন ৰাজকোঁৱৰ আৰু আনজনী ৰাজকন্যা সন্তান। পুত্ৰ ডাঙৰ হোৱাত বিয়া পাতিলে। ৰাজকুমাৰে বৰ সাজি বৰ কইনা ঘৰলৈ যাত্ৰা কৰিলে। বাটতে জিৰণি লওঁতে অতৰ্কিতে আহি আড়িমত্ত ৰাজাই ৰাজকুমাৰক আক্ৰমণ কৰিলে। বৰক কাটিলে আৰু লগৰ বন্ধু বৰ্গক হানি খুছি মাৰিলে। বৰক য'ত কাটিলে সেই ঠাইডোখৰ আজিও বৰকাটা বা বৰখাটা বুলি জনা যায়। ইয়াৰ পিছত আড়িমত্ত ৰাজাই বৰখোপা ৰাজ্য আক্ৰমণ কৰিলে। খোপা ডাঙ্গৰী ৰাণীকো হত্যা কৰিলে। আনহাতে ৰাজকুমাৰীক পিছে পিছে খেদি যিডোখৰ ঠাই কাটিলে, সেই ঠাইডোখৰ হ'ল কুমাৰী কাটা। কুমাৰী কাটা নলবাৰী জিলাৰ উত্তৰে অৱস্থিত এক বিখ্যাত ব্যৱসায়িক ঠাই। বৰখোপা ৰাজ্যৰ কাহিনীৰ অন্ত নাই। বৰখোপা ৰাজ্যত যিসকল প্ৰজা জীৱিত হৈ থাকিল তেওঁলোক পূণীয়া সত্ৰৰ শিষ্য হৈ থাকি গ'ল।

এই সত্ৰখনৰ দক্ষিণ পশ্চিমে খোপাডাঙ্গৰী ৰাণীয়ে এটা ডাঙৰ পুখুৰী খন্দাইছিল। আজি কিন্তু সেই পুখুৰীটো নাই। বানপানীত এই পুখুৰীটো পোত গৈছিল। এই কথা কিংবদন্তী ৰূপে চলি অহা। সত্ৰখনৰ বন্তি গোবিন্দপুৰ সত্ৰৰ পৰা কালাৰায় মহন্তই কঢ়িয়াই আনিছিল। সত্ৰখন পৰিচালনাৰ কাৰণে পূণীয়া সত্ৰৰ নামত আহোম ৰজা ৰাজেশ্বৰ সিংহই ৩০০ পূৰা (তিনিশ পূৰা) মাটি দান কৰে। ইয়াৰ কিছুবছৰ পিছত ভোটান ৰাজ্যই ৭০০০ হাজাৰ (সাত হাজাৰ) পূৰা মাটি দান কৰে। পূণীয়া সত্ৰৰ সৰ্ব্বমুঠ মাটি হ'ল ৭.৩০০ পূৰা অৰ্থাৎ ২৯.২০০ বিঘা মাটিৰে আবত্ত এক বৃহৎ অঞ্চল পূণীয়া সত্ৰৰ অধীনত আছিল। ৰায় চাহাব ভক্ত নাৰায়ণ মহন্তৰ লগত মিতিৰ সূত্ৰে পূণীয়া সত্ৰৰ মন্দিৰ ভোটান ৰাজাই দৰ্শন কৰিছিল আৰু আজিও কিছুবছৰ আগলৈকে ভোটানত লামা সকলেও এই মন্দিৰ দৰ্শন কৰা আমি নিজ চকুৰে দেখিছো। এতিয়া কিন্তু এই মন্দিৰত দৰ্শন হবলৈ নাহে। এই অঞ্চলটোত মাত্ৰ এক হাজাৰটা পৰিয়াৱলৰ শিষ্যই সত্ৰখনৰ কাৰণে খেতি বাতি কৰি যি শস্য উৎপাদন হৈছিল তাক সত্ৰখনৰ উন্নতিৰ কামত ব্যৱহাৰ কৰা হৈছিল। এই অঞ্চলত ১৮৬৪ ইং চনৰ আগতে আৰু দুখন সত্ৰ আছিল সেয়া হ'ল চাপাতল সত্ৰ আৰু বেতনা সত্ৰ।

পূৰ্ব্বপুৰুষ নামা অনুযায়ী পূৰ্ণভকতে প্ৰতিষ্ঠা কৰা সত্ৰখনৰ ২০০ বছৰ পিছত মুছলমান আক্ৰমণত (কালাপাহাৰ) মন্দিৰটো ধ্বংস হয়। মন্দিৰ ধ্বংস হোৱা স্থান ডোখৰ হ'ল বৰ্ত্তমান সাপ খোৱা চনৱস্তী বুলি জনা যায়। এই মন্দিৰটো ধ্বংস হোৱাৰ পিছত ইয়াৰ পৰা কেইখোজমান আতৰত সাধাৰণ চালিৰে নিৰ্মাণ কৰা আজিৰ এই মন্দিৰটোৱে “শ্যামৰায়” মন্দিৰ। ৰামৰায় তস্যপুত্ৰ সনাতন ৰায় মহা পুৰুষীয়া কোঞাৰ সত্ৰও মুছলমান আক্ৰমণত ধ্বংস হোৱাত তস্যপুত্ৰ কালাৰায় উক্ত সত্ৰৰ নিকটবৰ্ত্তী দামোদৰীয়া সত্ৰৰ পৰা বন্তি আনি পুণৰ পূণীয়া সত্ৰখন স্থাপন কৰে। সেই কাৰণে সত্ৰখন দামোদৰীয়া সত্ৰ নামেও জনাজাত। এই এক হাজাৰটা পৰিয়ালৰ শিষ্যৰ সৈতে কালাৰায় তস্যপুত্ৰ স্বৰূপাৰায়, তস্যপুত্ৰ মথুৰাৰায় তস্যপুত্ৰ দীনৰায়, তস্য পুত্ৰ হৰিশ্চৰণ ৰায়, তস্যপুত্ৰ ভক্তৰায়, তস্যপুত্ৰ বিষ্ণুৰায়, তস্যপুত্ৰ পুষ্পৰায় আৰু মালাৰাম মহন্ত তস্যপুত্ৰ গোবিন্দ মহন্ত, কৃষ্ণমহন্ত, ধৰ্মনাৰায়ণ মহন্ত আদি পৰ্য্যন্ত শ্ৰীশ্ৰীকৃষ্ণৰ জন্মাষ্টমী আৰু দৌল উৎসৱ আদি বৈষ্ণৱ ধৰ্ম্মত বিভিন্ন তিথিবিলাক পালন কৰি অহা হৈছে। এই উৎসৱ পালন কৰা ৪৫০ বছৰ পূৰ্ণ হ'ল। এই মন্দিৰত গুপ্ত পূজাৰ প্ৰচলন আছিল বুলি শুনা যায়। এই সত্ৰখনৰ পুৰণি সমল সমূহৰ ভিতৰত বৰ্ত্তমানে থকা অৱস্থাত সাঁচিপাত (দ্বাদশ স্কন্ধ), তাম্ৰফলি, ডোলা আৰু ভূটীয়া ৰাজাই দিয়া ঠুংখি আদি। মন্দিৰৰ আলৌকিক শক্তি অপাৰ ইয়াক বৰ্ণনা কৰিব নোৱাৰি। ১৮৬৪ ইং চনত পূণীয়া সত্ৰৰ অধঃপতন হয়। ইয়াৰ কাৰণটো হ'ল পূণীয়া সত্ৰৰ পূৰ্ণভকতৰ পৰিয়াল আৰু ভূটান ৰাজ্যৰ মাজত মিতিৰালি গঢ়ি উঠাত ব্ৰিটিছে পৰিয়ালৰ ওপৰত নজৰ ৰাখে। ব্ৰিটিছ গৰ্ভণমেণ্ট লৰ্ড হাণ্টিঙে বাৰে বাৰে চিঠি দিয়ে এই জমিদাৰ এৰি দিবলৈ। এই সূত্ৰে হঠাৎ এদিন বিট্ৰিছ আৰু ভোটান ৰাজ্যৰ মাজত যুদ্ধ আৰম্ভ হয়। এই যুদ্ধত ভূটান ৰাজ্যক সহানুভূতি দেখুওৱাত ভক্তৰায় আৰু পুত্ৰ বিষ্ণুৰায়ে মিতিৰ সূত্ৰে কৃতজ্ঞতা পালনত আৱদ্ধ হৈ ভক্ত নাৰায়ণ মহন্ত আৰু বিষ্ণু নাৰায়ণ মহন্তই প্ৰজাগণক লগত লৈ ভূটান ৰাজ্যত যুদ্ধত সহায় কৰিলে। যুদ্ধত ভূটান ৰাজ্যই সৈন্য লৈ এদিন ৰাতি বিট্ৰিছ সৈন্যৰ চাউনীত তম্বুবোৰ পুৰি পেলালে। পুৰি পেলোৱা স্থান ডোখৰ হ'ল পুৰাণ তামুলপুৰ চ'ক

OKDISCD

অৰ্থাৎ তম্বুপুৰাৰ পৰা তামুলপুৰৰ উৎপত্তি হয়। বৰ্তমান তামুলপুৰৰ উৎপত্তি সম্বন্ধে ১৪০ বছৰ পাৰ হৈ গ'ল। ইয়াৰ পিছত ব্ৰিটিছে পূণীয়া সত্ৰৰ মাটি সম্পূৰ্ণৰূপে বাজেয়াপ্ত কৰে। ফলত সত্ৰৰ শিষ্যসকল পেটৰ জ্বালাত বিভিন্ন ঠাইলৈ গুছি যায়। সত্ৰখনৰ অৱস্থা দিনক দিনে বেয়াৰ ফালে যাব ধৰিলে। পিছত বিট্ৰিছ গৰ্ভণৰ লৰ্ড হাণ্টিঙে ঁবিষ্ণুৰায়ক মৌজাদাৰ বাব দিয়ে। কিন্তু ঁবিষ্ণুৰায়ে মৌজাদাৰ বাব গ্ৰহণ নকৰিলে। বৰঞ্চ মুক্ত অঞ্চল বুলি ঘোষণা কৰিলে। তেতিয়া এই অঞ্চলত বিভিন্ন জনগোষ্ঠীৰ আগমন ঘটে।

এই অঞ্চলত যিসকল লোকে বাস কৰিলে তেওঁলোকক সুশিক্ষিত কৰাৰ কাৰণে ঁবিষ্ণুৰায়ে প্ৰথমে ১৮৮৬ ইং চনত মাইনৰ স্কুল স্থাপন কৰিলে। ইয়াৰ প্ৰধান শিক্ষক হ'ল ঁগোবিন্দ মহন্ত। ইয়াৰ কিছুবছৰ পিছত ঁকৃষ্ণকান্ত মহন্ত (চাব ডেপুটি কলেক্টৰ) আৰু ঁধৰ্ম্মনাৰায়ণ মহন্তই (চাহ বাগানৰ মেনেজাৰ) পিছত তামুলপুৰৰ উন্নতিৰ কাৰণে সামাজিক কামত ব্ৰতী হয়। ঁধৰ্ম্ম নাৰায়ণ মহন্তই চাকৰি জীৱন ত্যাগ কৰে। তেখেতে প্ৰথমে লোকেল বৰ্ডৰ সদস্য আৰু জুৰিৰ সদস্য হয়। ঘগ্ৰা চ'ক আৰু নলবাৰীলৈ যোৱা পথছোৱা তেখেতৰ নেতৃত্বত সম্পূৰ্ণ হয়। দুই ভায়েকে লোকেল বৰ্ডৰ অধীনত ১৯৩৪ ইং চনত কেইজনমানুহ লগত লৈ ডাক্তৰ খানা পাতিলে। ১৯৫৩ ইং চনত চাৰ্কোল অফিছ বনালে। আৰু এম.ভি. স্কুল পৰিচালনাৰ দায়িত্ব ঁধৰ্ম্ম নাৰায়ণ মহন্তই গ্ৰহণ কৰিলে। ১৯৫২ ইং চনত এম.ই. স্কুল এখন স্থাপন কৰিলে। ইয়াক স্থানান্তৰ কৰি উচ্চ মাধ্যমিক পৰ্য্যায়লৈ উন্নীত কৰিলে আৰু ঠাইৰ অভাৱত ইয়াক ঁকৃষ্ণ কান্ত মহন্তই ৮০ বিঘা মাটি দান কৰিলে।

বৰ্তমানেও সত্ৰখনৰ নামত ৩০ বিঘা মাটিৰে গঞা ৰাইজক দান কৰা হ'ল। বৰ্তমান তামুলপুৰৰ পূণীয়া সত্ৰখন গৌৰৱময় ঐতিহাসিক সুখ - দুখৰ ঐতিহ্য বহন কৰি আহিছে।



এম. এম. এন্টাৰপ্ৰাইজ
ঘগ্ৰাচ'ক, (তামুলপুৰ) বাগ্‌ছা, অসম
ইয়াত অফিচ্‌-কাছাৰিৰ প্ৰয়োজনীয় কাগজ-পত্ৰ, স্কুলীয়া ল'ৰা-ছোৱালীৰ প্ৰয়োজনীয় সামগ্ৰীৰ উপৰিও জাতীয় বিদ্যালয়ৰ কিতাপ-পত্ৰ যোগান ধৰা হয়।
প্ৰো — শ্ৰীমনোৰঞ্জন মেধী




# আজিৰ প্ৰেক্ষাপটত চিলাৰায়ৰ প্ৰাসংগিকতা

■ ৰূপক ৰাজবংশী
জাৰতালুক

অসম-অতীতৰ ভাৰতবৰ্ষ আৰু চুবুৰীয়া দেশৰ পৰা প্ৰব্ৰজিত হোৱা মঙ্গোলীয় আৰ্য্য-অনাৰ্য্য বিভিন্ন জনগোষ্ঠীৰ মিলনভূমি। অসমীয়া সমাজত কোনো এক বিশেষ গোষ্ঠীৰ উত্তৰণৰ পৰা ধাৰা প্ৰৱাহিত হোৱা নাই। ই হৈছে বিভিন্ন জনগোষ্ঠীয় সংস্কৃতিৰ মূৰ্ত প্ৰকাশ। বিশিষ্ট সাংবাদিক পৰাশ কুমাৰ দাসৰ ভাষাত— "অসমীয়া নামৰ বিশেষ জনগোষ্ঠী এটা কাহানিও ইতিহাসৰ কোনো কালে অসমলৈ অহা নাছিল। তেনেদৰে বৰ্তমানৰ যি অসমীয়া ভাষা সংস্কৃতি তাক কোনো এটা বিশেষ জনগোষ্ঠীয়ে অসমলৈ অনা নাছিল। ইতিহাসৰ বিভিন্ন সময়ত অসমলৈ অহা বিভিন্ন জনগোষ্ঠীৰ স্বকীয় অৱদানেৰে প্ৰৱাহমান অসমীয়া সংস্কৃতিত জীণ গৈ জন্ম দিছিল অসমীয়া জাতি আৰু সংস্কৃতিৰ।" কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱেও কৈছিল— "সৰু সৰু জুৰি-নিজৰা, উপনৈৰ সম্বন্বিত শকতিৰ দ্বাৰা অসমীয়া কৃষ্টি-সংস্কৃতি আৰু সাহিত্যৰ বিশালতা আৰু বিৰাটতা লাভ কৰিছে।"

প্ৰব্ৰজনৰ ইতিহাসেৰে সমৃদ্ধ হৈ নানা জাতিৰ মাজত সংমিশ্ৰণ আৰু সমন্বয়ৰে বৰ অসমৰ বৃহৎ অসমীয়া জাতি গঢ়ি উঠিছে। বৰ্তমান পৰ্য্যায়ত অসমীয়া কৃষ্টি সংস্কৃতি অথবা ভাষা-সাহিত্য কোনো একক জাতি-গোষ্ঠীৰ বুলি কোনেও দাবী কৰিব নোৱাৰে। অসমৰ জনগোষ্ঠীসমূহৰ ভিতৰত কোচ ৰাজবংশী সকল বহু পুৰণি। বুৰঞ্জিবিদ আৰু পুৰাতাত্বিক সকলে এই জাতিৰ ইতিবৃত্ত সম্বন্ধে নানা মন্তব্য কৰিছে। কোচ ৰাজবংশৰ অভ্যুত্থান অসমৰ ৰাজনৈতিক ইতিহাসৰ এক উল্লেখযোগ্য ঘটনা। পুৰণি কামৰূপ বা কমতাপুৰত দুৰ্লভ নাৰায়ণ নামৰ কোচ ৰজা এজনৰ ৰাজত্ব কালৰ কথা পোৱা যায় যদিও বেছি সংখ্যক বুৰঞ্জিবিদে বৰ্তমানৰ গোৱালপাৰা জিলাৰ খুন্দাঘাট অঞ্চলৰ চিকনাবাৰী (চিকনগ্ৰাম) নামে ঠাইত বাস কৰা বাৰটা কোচ ফৈদৰ মুখীয়াল হাৰিয়া মণ্ডলক কোচ ৰাজ্যৰ অন্যতম্ প্ৰতিষ্ঠাতা বুলি গণ্য কৰে। এওঁৰে পুত্ৰ বিশ্বসিংহ ১৫২০ খ্ৰীষ্টাব্দত নৱ-প্ৰতিষ্ঠিত কোচ ৰাজ্য ৰাজপটত বহে। ৰাজপটত বহা পাছতে বিশ্বসিংহই উগুৰি আৰু লুকি আদি কেবাটাও ভূঞা ফৈদক বশীভূত কৰাৰ পিছত ক্ৰমে পূৱ ফালে ৰাজ্য বিস্তাৰ কৰে। আহোম ৰজা চুহংমুংৰ (১৪৯৭-১৫৩৯ খ্ৰীষ্টাব্দ) সৈতেও যুদ্ধত লিপ্ত হয়। ভাতৃ চিলাৰায়ৰ সহযোগত নৰনাৰায়ণে কোচ ৰাজ্যখনক চাৰিওফালৰ পৰা আগুৱাই লৈ যায়। এই ৰজাজনৰ আদেশতে পুৰুষোত্তম বিদ্যাবাগীশে অলপ আয়াসতে সংস্কৃত ভাষা শিকিব পৰাকৈ প্ৰায়োগিক "ৰত্নমালা" ব্যাকৰণ ৰচনা কৰে, ভট্টাজী দীক্ষিতে সিদ্ধান্ত কৌমুদী ৰচনা কৰাৰ এশ বছৰ আগতে ১৫৬৮



OKDISCD

খ্ৰীষ্টাব্দত। শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ আদি গুৰু সকলেও নৰনাৰায়ণ আৰু উত্তৰ পুৰুষৰ ছত্ৰছায়াতে অসমত বৈষ্ণৱ ধৰ্মৰ বাণী প্ৰচাৰৰ লগতে গীত-নাট আৰু ভাগৱত পুৰাণৰো অনুবাদ অসমীয়ালৈ আগবঢ়াই ছিল। ৰাম সৰস্বতীয়ে নিজস্ব ৰচনাৰে বিপুল কলেবৰ কৰি মহাভাৰতৰ অসমীয়া ভাঙনি কৰিছিল। সৰ্বোপৰি মহাৰাজ নৰনাৰায়ণেই কামাখ্যা মন্দিৰ আৰু হাজোৰ হয়গ্ৰীৱ মন্দিৰ পুনৰ নিৰ্মাণ কৰাইছিল।আনহাতে চিলাৰায়ৰ নেতৃত্বত তেওঁৰ সামৰিক বাহিনীয়ে স্থানীয় বাৰ ভূঞা আৰু সৰু সৰু ৰজা সকলক বশীভূত কৰাৰ উপৰিও পূৱ ফালে আহোম পশ্চিমে বংগৰ নৱাব তথা মোগল সম্ৰাটৰ সতেও মুখা-মুখি হৈছিল। এইহেন বীৰ এজনৰ আজিও উচিত মূল্যায়ণ হোৱা নাই।

বৰ্ত্তমান অসমৰ এই প্ৰধান জনগোষ্ঠীটোৱে জনজাতিকৰণৰ দাবীক লৈ পৰিৱেশ উত্তাল কৰিব লাগিছে। ইয়াৰ সমান্তৰালকৈ ৰাজ শক্তিও ইয়াৰ বিৰোধিতা কৰিব ধৰিছে।ৰাষ্ট্ৰপতিৰ আধ্যাদেশৰ জৰিয়তে এই জনগোষ্ঠীটোক জনজাতিৰ মৰ্য্যদা প্ৰদান কৰা হৈছিল যদিও এই সিদ্ধান্ত পিছত ভূলুণ্ঠিত হ'ল। এয়া সময়ৰ পৰিহাস নে ৰাজনৈতিক চক্ৰান্ত......? কোচ ৰাজবংশীসকলৰ লগতে অসমৰ খীলঞ্জীয়া মৰাণ, মটক, চাহ জনগোষ্ঠী আৰু তাই আহোম সকলোও একে দাবীকে উত্থাপন কৰিছে। এই জনগোষ্ঠী ছটাৰ দাবিক লৈ অসমৰ ৰাজনীতিৰ পথাৰত সকলোৱে পানী ঘোলা কৰিব লাগিছে। শেহঁতীয়াকৈ বিগত বৰ্ষৰ চৌব্বিশ নৱেম্বৰত অসমৰ ৰাজধানী চহৰত সংঘটিত "বেলতলা কাণ্ড"ৰ পিছৰ পৰ জনজাতিকৰণ বিষয়টোয়ে ৰাষ্ট্ৰীয় পৰ্য্যয়ত প্ৰভাৱ গেলাবলৈ সক্ষম হ'ল। এই সমগ্ৰ বিষয়বো আবেগিক হোৱাতাকৈ যুক্তি সৰ্বস্ব হোৱাটো বাঞ্ছনীয়। একে ভৌগোলিক পৰিৱেশৰ মাজ থকা গোষ্ঠীসমূহে একেটা সত্তাতে বিলিন জাতি গঠন প্ৰক্ৰিয়াৰ ক্ষেত্ৰত শ্ৰেষ্ঠ উপাদান হিচাৱে জাতীয় আবেগিক ঐক্যকহে গুৰুত্ব দিয়া উচিত কোচ ৰাজবংশীসকলে বিভিন্ন শিবিৰত অৱস্থা কৰি জনজাতিকৰণৰ বিষয়টো ক্ৰমাত দীঘলীয়া কৰি নিছে। যিমান দিনলৈ এই ইছু থাকিব সিমা দিনলৈ তেওঁলোকৰ ৰাজনৈতিক স্থিতিও থাকিব কোৱা বাহুল্য যে ঐতিহ্য মণ্ডিত কমতাপুৰ বৰভেটীত পৰিৱৰ্ত্তিত পৰিস্থিতিত খহনীয় আৰম্ভ হ'ল। চিলাৰায়ৰ দৰে মহান ৰাষ্ট্ৰ নায়ক মহান আদৰ্শ আৰু প্ৰমূল্য আজি স্বজাতিয়ে নিজে পাহৰণিৰ গৰ্ভত জীণ নিয়োৱাৰ উপক্ৰম হৈছে আমি প্ৰতি বছৰে চিলাৰায় দিৱস পালিছো, সভা সমিতি পাতিছো, গুণানু-কীৰ্ত্তন কৰিছো আৰ আমি সিমানতে আমাৰ কৰ্তব্যও শেষ কৰিছো কিন্তু এই মহান লোকজনাৰ গুণৰ দ্বাৰা মহিয়া হ'বলৈ শিকা নাই। আমি উত্তৰ পুৰুষৰ উৎসাহিত কৰিবলৈ সক্ষম হোৱা নাই। ইয়াতকৈ পৰিতাপৰ বিষয় কি হ'ব পাৰে। কোচ ৰাজবংশ জাতিটো আজি অস্তিত্বৰ সংকটৰ সন্মুখীন হৈছে অস্তিত্ব বিপন্ন হোৱাৰ উপক্ৰম হৈছে। সংস্কৃতি ভেটিও উছন্ন হওঁ হওঁ এনে এক সন্ধিক্ষণ স্বমহীমাৰে মহিমা মণ্ডিত এই এসময়ৰ এই জাতিটোক সু-সংগঠিত ৰূপত গঢ়ি তোলাৰ বাবে তেখেতৰ আদৰ্শক (বীৰ চিলাৰায়) আমি



অনুধাৱন কৰিবই লাগিব। তেওঁৰ প্ৰমূল্য সমূহ মূল্যাংকন কৰাৰ এতিয়াই উপযুক্ত সময়। অন্যথা "চিলাৰায় দিৱস" এক নিয়ম মাফিক দিৱস হিচাপে উদ্‌যাপন কৰাৰ বাহিৰে ইয়াৰ কোনো সাৰ্থকতা নাথাকিব।


Icon

Ramchiary Computer Training Centre

Course Basic, D.T.P., Tally- 9.1

Contact Add- Tanulpur Puran Chock, Baksa.

Contact No.- M. - 98649-76879



প্ৰীতি আৰু শুভেচ্ছাৰে.....



ষ্টুডিঅ' মণিকা

ঘগ্ৰা চ'ক তামুলপুৰ

জিলা - বাক্সা বি.টি.এ.ডি. (অসম)

ইয়াত উৎকৃষ্ট মানৰ ফটো (ডিজিটেল) মিনিটতে যোগান ধৰা হয়।

যোগাযোগৰ ঠিকনা ঃ শ্ৰীনয়ন ডেকা (ফটোগ্ৰাফাৰ)

M. : 9854525079 - 9864843128

OKDISCD

# ৰাজবংশী কৃষ্টি

■ যামিনী কুমাৰ বৰুৱা

কৃষ্টি বুলি ক'লে লোকগীত, লোকনৃত্য, লোকনাট্য, সামাজিক পূজা পাৰ্বন, সামাজিক ৰীতি-নীতি, সাজপাৰ আৰু খাদ্যভাস আদিকে বুজায়। কোনো এটা জনগোষ্ঠীৰ কৃষ্টি বুলি ক'লে বুজিব লাগিব যে সেই বিশেষ কৃষ্টিবোৰ অইন জনগোষ্ঠীৰ মাজত নাই। উমৈহতীয়া কৃষ্টিবোৰ কোনো বিশেষ এটা জনগোষ্ঠীৰ নিজস্ব কৃষ্টি নহয়।আমাৰ আলোচ্য বিষয় হ'ল ৰাজবংশী কৃষ্টি। আমি প্ৰথমতে ৰাজবংশী লোকগীতৰ কথাই আলোচনা কৰা হ'ল।

ৰাজবংশী লোকগীত বুলি আমি সেইবোৰ লোকগীতকেই ক'ব খোজো যিবোৰ লোকগীতক গুৱাহাটী অনাতৰ কেন্দ্ৰ আৰু গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰই গোৱালপৰীয়া লোকগীত বুলি প্ৰচাৰ কৰি আছে। ইয়াত গোৱালপৰীয়া নামটোৱে পুৰণি গোৱালপাৰা জিলা তথা বৰ্তমানৰ ধুবুৰী জিলা, কোকৰাঝাৰ জিলা, বঙাইগাঁও জিলা আৰু গোৱালপাৰা জিলাক বুজায়। বৰ্তমানৰ এই কেইখন জিলাক প্ৰৱন্ধটোত অবিভক্ত গোৱালপাৰা জিলা হিচাপে উল্লেখ কৰা হৈছে। তথাকথিত গোৱালপাৰা লোকগীতবোৰ অকল অবিভক্ত গোৱালপাৰা জিলাৰে লোকগীত নহয়, এই বোৰ উত্তৰ বঙ্গৰ কোচবেহাৰ জিলা, জলপাইগুৰি জিলা, দিনাজপুৰ জিলা আৰু বাংলা দেশৰ ৰংপুৰ জিলাৰো লোকগীত। যিবোৰ লোকগীত দুখন স্বাধীন ৰাষ্ট্ৰৰ অৰ্থাৎ ভাৰতবৰ্ষৰ আৰু বাংলাদেশৰ মুঠ পাঁচখন জিলাৰ লোকগীত সেই লোকগীত অকল গোৱালপৰীয়া লোকগীত বুলি ক'ব পাৰিনে ? ই কৃষ্টিৰ ক্ষেত্ৰত চৌৰ্যবৃত্তিৰ বাহিৰে আন একো নহয়।

তেনেহলে তথাকথিত গোৱালপৰীয়া লোকগীতবোৰক কি নামেৰে অভিহিত কৰিব পৰা যায় ? ওপৰত উল্লেখ কৰা ৰাষ্ট্ৰদুখনৰ যি পাঁচখন জিলাত এই লোকগীতবোৰ প্ৰচলিত, সেই পাঁচখন জিলা আগতে কমতাপুৰ ৰাজ্যৰ অন্তৰ্গত আছিল আৰু লোকগীতবোৰ তেতিয়াৰ পৰাই প্ৰচলিত আছিল। সেই কাৰণে এই লোকগীতবোৰক 'কমতাপুৰীয়া লোকগীত' নামটোৱে কমতাপুৰ ৰাজ্য গঠনৰ দাবী আন্দোলনত ইন্ধন যোগাব পাৰে বুলি ভাবিলে ৰাজবংশী লোকগীত নাম দিয়ক। কিন্তু গোৱালপৰীয়া লোকগীত নাম নৈব নৈব চ।

ৰাজবংশী লোকগীত নাম দিয়াৰ যুক্তি এই যে, ওপৰত উল্লেখ কৰা জিলা কেইখনত অৰ্থাৎ কমতাপুৰ ৰাজ্যত ৰাজবংশী সকল আছিল ভূমিপুত্ৰ। তেওঁলোক আছিল সংখ্যাগৰিষ্ঠ জনগোষ্ঠী আৰু তেওঁলোকৰ চহা জনগণে গাই ছিল এই বোৰ গান। ৰাজবংশীসকলৰ বাহিৰেও কমতাপুৰ ৰাজ্যৰ ভূমিপুত্ৰ আছিল বড়ো, ৰাভা, আদি জনজাতি সকল। কিন্তু তেওঁলোকৰ ভাষা কৃষ্টি সম্পূৰ্ণ বেলেগ। কমতাপুৰ ৰাজ্যত ইছলামধৰ্মী লোকৰ সংখ্যা আছিল নিচেই তাকৰ। ব্ৰাহ্মণ, কায়স্থ আদি উচ্চবৰ্ণৰ লোকসকলক কমতাপুৰৰ ৰজাসকলে অন্যান্য ৰাজ্যৰ পৰা আনি কমতাপুৰত সংস্থাপন কৰিছিল। তেওঁলোকৰ ভাষা কৃষ্টি আছিল বেলেগ। পিছত লাহে লাহে তেওঁলোকে কমতাপুৰীয়া ভাষা কৃষ্টি গ্ৰহণ কৰে। তেতিয়া আন কোনো জনগোষ্ঠী কমতাপুৰ ৰাজ্যত নাছিল, থাকিলেও তেওঁলোকৰ সংখ্যা আছিল নিচেই তাকৰ। গতিকে এই লোকগীতবোৰ আছিল ৰাজবংশী জনগণৰ লোকগীত। তাত কোনো সন্দেহ নাই। তদুপৰি এই লোকগীতবোৰৰ উৎস নো কি ? এই লোকগীতবোৰৰ উৎস হ'ল -

১) কাতিকা পূজাৰ গান
২) মদনকামদেৱ পূজাৰ গান
৩) সোনাৰায় মাগা গান
৪) অ'ৰি বা এউৰি মাগা গান
৫) কুশান গানৰ ছকুৰী সকলে গোৱা মাল্শ্বী গান
৬) বাশীপুৰাণ গানৰ ছকুৰী সকলে গোৱা মালশ্বী গান
৭) নয়নশৰী গানৰ ছকুৰী সকলে গোৱা মালশ্বী গান

মৈষালী আৰু মাহুতৰ গীত বুলি তেওঁলোকৰ নিজস্ব কোনো গীত নাই। আগৰ কালত বহুতো চহকী মানুহে ম'হৰ বাথান আছিল। ম'হ চৰাবলৈ, গাখীৰ খিৰাবলৈ আৰু ম'হৰ যতন ল'বলৈ মহাজনে কিছুমান মানুহ নিযুক্ত কৰিছিল। সিহঁতকে মৈষাল বুলি কোৱা হৈছিল। মৈষালবোৰে ম'হ চৰাই ফুৰোতে নিঃ সঙ্গতা দূৰ কৰিবলৈ ওপৰত উল্লেখ কৰা গীতবোৰকে গাইছিল। মৈষালী গীত বুলি নামাকৰণ কৰাটো বিভ্ৰান্তিজনক। হাতীৰ মাউতবোৰেও সেইবোৰ গীতকে গাইছিল। মাউতৰ গীত বুলি বেলেগ কোনো গীত নাই। 'মাহুত বন্ধুৰে' নামৰ চিনেমাখনৰ মাউতে গোৱা গীতবোৰৰ পৰাহে 'মাহুৰ গীত' কথাষাৰ প্ৰচাৰ হৈছে। আচলতে সেইবোৰ লোকগীতৰ সুৰেৰে ৰচনা কৰিছিল ড° ভূপেন হাজৰিকাই। তেওঁ আছিল চিনেমাখনৰ সঙ্গীত পৰিচালক আৰু গীতিকাৰ। গায়িকা আছিল প্ৰয়াত প্ৰতিমা বৰুৱা তেতিয়া তেওঁ পাণ্ডে হোৱা নাছিল। গায়ক আছিল হাজৰিকাদেৱ নিজেই।

এহি মানৰ কথা এহি মানে থক, এতিয়া পূজা-পাতালৰ কথা আৰম্ভ হ'ক। বাশ পূজা ৰাজবংশীসকলৰ এটি বৈশিষ্ট্যপূৰ্ণ পূজা। বাশ পূজাত আচলতে বাঁহ গছক পূজা কৰা নহয়। বাশ পূজা নামেৰে কিছুমানে পূজা কৰে কালী গোসাঁনীক আৰু বাশ পূজা নামেৰে কিছুমানে পূজা কৰে মদনকামদেৱক। এই কালী পূজা কৰা হয় ব'হাগ মাহৰ 'আওয়ালী' বা আউসীৰ দিনা অৰ্থাৎ অমাৱস্য তিথিত। মদনকামদেৱৰ পূজা কৰা হয় ব'হাগ মাহৰ মদন চতুদ্দশী তিথিত। মন কৰিবলগীয়া কথা যে, দুয়োটা পূজা হয় ব'হাগ মাহত। এটা পূজা হয় কৃষ্ণপক্ষত আৰু আনটো পূজা হয় শুক্লপক্ষত। এই দুয়োবিধ পূজাত দহ-বাৰ হাতমান দীঘল দহ-বাৰডালমান বাঁহ কটা হয়



OKDISCD

প্ৰতিডাল বাঁহ কাপোৰেৰে মেৰিয়াই তাৰ মূৰত একোটাকৈ চোৰঁৰ বন্ধা হয়। পূজাৰ সময়ত মানুহবোৰে সেই বাঁহবোৰ হাতেৰে থিয়কৈ ধৰি পূজা প্ৰাঙ্গনত ঘূৰি ঘূৰি নৃত্য-গীত কৰে। বাঁহবোৰ লৈ নৃত্য গীত কৰে বুলি এই পূজাটোৰ নাম বাশ পূজা হ'ল নেকি ?

এইখিনিতে প্ৰশ্ন উদয় হয় পূজা কালী বা মদনকামদেৱৰ, নাম হ'ল বাশ পূজা। ইয়াৰ কিবা এটা গূঢ় তাৎপৰ্য নিশ্চয় আছে। আমি বৃক্ষ পূজা কৰা ধান এবিধ তৃণজাতীয় বৃক্ষ। ধানক আমি লক্ষ্মীৰূপে পূজা কৰো। ধান ৰোৱাৰ আগতে পূজা কৰিহে আমি 'গোছা দিওঁ' কাতি বিহুৰ দিনা ধাননি পথাৰত 'বাতি দিওঁ অৰ্থাৎ বন্তি জ্বলাই লক্ষ্মীক আদৰো। আকৌ ধানকটাৰ আগতে পূজা কৰি আগ আনি হে ধান কটা কাম আৰম্ভ কৰো। প্ৰথম ধান মৰণা মৰাৰ দিনাও এটা অনুষ্ঠান কৰা হয়। তাৰ পালন কৰা হয় 'ন-খোৱা' উৎসৱ। ন-খোৱাৰ সময়তো পূজা-পাতল কৰা হয়। এইদৰে ধানক আমি লক্ষ্মীৰূপে পূজা-সেৱা কৰো।

ধানৰ গছৰ পিছতে আমাৰ আটাইতকৈ লাগতিয়াল হ'ল বাঁহ। আগৰ কালৰ মানুহে ঘৰ বান্ধিছিল বাঁহৰ খুটিৰে। বাঁহৰ ৰুৱা, কামি আৰু বাঁহৰ তেঁৰালেৰে ঘৰৰ চাল বন্ধা হৈছিল। নিত্য প্ৰয়োজনীয় কুলা-ডলা, চালিনী, বিচনী, উষা আকৌ মাছমৰা সজুঁলি যেনে জাকৈ-খালৈ, পলো, চেপা, ঠুহা আদি কৃষি সজুঁলি যেনে নাঙল, গৰু বা ম'হ গাড়ীৰ যুঁৱলি, জবকা, বিন্ধা, মৈ, দলিমাৰিৰ মাৰিডাল ইত্যাদি আটাইবোৰ বস্তুৱেই হয় বাঁহৰ দ্বাৰা। এনেকৈ খেতিয়কৰ এছাৰিডালো বাঁহৰ। আগৰ কালত হাবি-বননিত ঘৰৰ ওচৰতে বাঘ ভালুক আদি হিংস্ৰ জন্তুবোৰ ঘূৰি ফুৰিছিল। পদে-পদে আছিল সাপৰ ভয়। সেয়ে মানুহে বাঁহৰ শকত লাঠি এডাল হাতত ফুৰিছিল। হাতত লাঠিডাল থাকিলে মনত সাহস জাগে, শৰীৰত শক্তিৰ সঞ্চয় হয়। সেই কাৰণে মানুহে বাঁহক শক্তিৰ প্ৰতীক বুলি মানিবলৈ ধৰিলে। ধান হ'ল আমাৰ লক্ষ্মীৰ প্ৰতীক আৰু বাঁহ হ'ল শক্তিৰ প্ৰতীক। সেয়ে ধানক পূজা কৰাৰ দৰে বাঁহকো পূজা কৰা নিয়ম প্ৰৱৰ্তিত হৈছিল। পিছত বাঁহৰ পৰিৱৰ্তে হৈছিল শক্তিৰ অধিষ্ঠাত্ৰী দেৱী কালী গোসাঁনীক পূজা কৰা নিয়ম প্ৰচলিত হ'ল। কিন্তু পূজাৰ নাম হ'ল বাশ পূজা। নামৰ লগত সঙ্গতি ৰাখি বাঁহ নৃত্যৰ প্ৰচলন হ'ল। কালীপূজা হয় লক্ষ্মীপূৰ্ণিমাৰ পিছৰ অমাৱস্যা তিথিত। কিন্তু বাশ পূজাৰ নামত কালী পূজা হয় ব'হাগ মাহৰ অমাবশ্যাত, কাৰণ ব'হাগ মাহ হ'ল বাঁহ গছ ৰুৱাৰ সময়। গতিকে ব'হাগ মাহত বাশ পূজা কৰা হয়।

কিন্তু বাশ পূজাৰ নামত মদনকামদেৱৰ পূজা কৰা হয় কিয় ? মদনকামদেৱ প্ৰজনন শক্তিৰ প্ৰতীক। প্ৰজননৰদ্বাৰা জীৱৰ সংখ্যা বৃদ্ধি হয়। উদ্ভিদো এবিধ জীৱ। আৰু ইয়াৰো বংশ বৃদ্ধি হয়। এডাল বাঁহৰ মূৰাৰ পৰাই হয় এচুপা বাঁহ। বাঁহৰ গজালিবোৰ দেখিবলৈ শিৱলিঙ্গৰ দৰে। এতেকে বাঁহক প্ৰজনন শক্তিৰ প্ৰতীক ৰূপে ধৰা হ'ল। প্ৰজনন শক্তিৰ দেৱতা হ'ল মদনকামদেৱ। সেয়ে কিছুমানে বাঁহ পূজাৰ নামত মদনকামদেৱৰো পূজা কৰে ব'হাগ মাহৰ মদন চতুৰ্দ্দশীৰ দিনা। আঘোন মাহত পূজা কৰাৰ অৰ্থ হ'ল এয়ে যে, ব'হাগ মাহত বাঁহ ৰুলে সি আঘোন মাহত ঠন ধৰি উঠে। আমি বাৰিষাৰ আৰম্ভণিতে অৰ্থাৎ জেঠ মাহৰ শেষত বা আহাৰ মাহৰ পহিলা ভাগত শালিধান ৰুলে যেনেকৈ আহিন মাহত ধানৰ গোছাবোৰ ঠন ধৰি উঠে আৰু তেতিয়া আহিন মাহৰ সংক্ৰান্তিৰ দিনা কাতি বিহুত বা 'কাতি গছা' ত ধাননি পথাৰত বন্তি জ্বলাই লখিমীক আদৰো। সেইদৰে আঘোণ মাহত অৰ্থাৎ বাঁহে ঠন ধৰি উঠাৰ সময়ত কিছুমানে মদনকামদেৱৰ পূজা পাতে। মদনকামদেৱৰ পূজাত বাঁহ নচুৱাই-নচুৱাই গীত গোৱা হয়। কিছুমান গীত যৌনধৰ্মী আৰু কিছুমান গীত অযৌনধৰ্মী। ভাল গীতবোৰক লোকগীত হিচাপেও গোৱা হয়।

কাতিকা পূজা কৰা হয় কাৰ্তিক পূৰ্ণিমাৰ দিনা। ইয়াক 'নাৰী মহোৎসৱ' আখ্যা দিব পাৰি। গাৱঁৰ তিৰোতাসকলে সমূহীয়া ভাবে কাতি পূজা পাতে। পূজা সন্ধিয়া সময়ত হয় আৰু তাৰ পিছত গোটেই ৰাতি তিৰোতাসকলে নাচ-গান কৰি কটায়, নাচ-গানত অংশ গ্ৰহণ কৰিবলৈ বা চাবলৈ বেলেগ গাঁৱৰ পৰাও তিৰোতাসকল আহে। এইদৰে আজি ইখন গাঁৱত, কালি সিখন গাঁৱত পূজা অনুষ্ঠিত হৈ প্ৰায় দু-সপ্তাহমান চলি থাকে। ইয়াৰ বেচিভাগ গীতেই যৌনধৰ্মী। অযৌনধৰ্মী গীত আছে আৰু সেই গীতবোৰ গোৱালপৰীয়া লোকগীত' হিচাপে প্ৰসিদ্ধ হৈছে। কাতিকা পূজাৰ নাচ-গান চোৱাটো পুৰুষৰ কাৰণে নিষিদ্ধ। কাতিকা পূজাত কাৰ্তিক দেৱতাক পূজা কৰা হয়। কাৰ্তিক দেৱতা সকলৰ সেনাপতি আৰু তেওঁৰ প্ৰকৃত নাম কাৰ্তিকেয়। কাৰ্তিকেয় শব্দৰ অপভ্ৰংশ ৰূপ হ'ল 'কাতিকা'। বহুতে 'কাতি পূজা' বুলি কয়। কাতি পূজা মানে কাতি মাহত হোৱা পূজাক হে বুজায়। কাতি মাহত আন বহুতো পূজা হ'ব পাৰে। সেয়ে ব্যাকৰণ মতে কাতিকা পূজা নামটোহে শুদ্ধ বুলি কব পাৰি। 'কাতিকা পূজা'ৰ লগত নাৰীজাতিৰ মনস্তত্ব জড়িত হৈ আছে। কাৰ্তিক দেৱতাসকলৰ সেনাপতি। নাৰী সকলে তেওঁক একান্ত ভাবে পূজা কৰে। নৃত্য-গীতেৰে তেওঁৰ আগত মনৰ গুপুত কামনা - বাসনা প্ৰকাশ কৰে। সেয়ে, গীতবোৰ হয় যৌনধৰ্ম্মী। ইয়াৰ অৰ্থ এয়ে যে, নাৰীসকলে বীৰ পুৰুষ আৰু খ্যাতিমান পুৰুষকহে মনে-প্ৰাণে ভাল পায় আৰু পাবলৈ বাঞ্চা কৰে।

হুমুদেও পূজাও একান্ত ভাবে নাৰীসকলৰ পূজা। কাতিকা পূজা হয় মানুহ ঘৰৰ আগচোতালত। ভিতিৰা চোতালখন আহল-বহল হ'লে তাতো কাতিকা পূজা হ'ব পাৰে। তেতিয়া যৌনধৰ্মী গানবোৰ অশ্লীল শব্দবোৰ উহ্য ৰাখি গান গায়। নামতীসকলে ভাল সাজ পাৰ পিন্ধি নাচ-গান কৰে। কিন্তু হুদুমদেও পূজাৰ আটাইবোৰ গানেই যৌনধৰ্মী আৰু নামতীসকলে উলঙ্গহৈ নাচ-গান কৰে। সেয়ে হুদুমদেও পূজা পতা হয় লোকালয়ৰ বাহিৰত

পথাৰৰ মাজত। পূজা হয় ঘোৰ অমানিশ ৰাতিত। এই পূজাৰ নিৰ্দিষ্ট কোনো মাহ বা তাৰিখ নাই। বাৰিষাকালত যেতিয়া একেৰাহে কেইবা সপ্তাহজুৰি অনাবৃষ্টি হয় তেতিয়া বৰষুণৰ বাবে তিৰোতাসকলে ইন্দ্ৰদেৱতাৰ পূজা পাতে। এই পূজাটোকে কোৱা হয় হুদুমদেও পূজা। হুদুম মানে হুদু চৰাই। হুদুম চৰাইটোক ইন্দ্ৰদেৱতাৰ প্ৰতীক বুলি ধৰা হয়। হুদু চৰায়ে কাচিৎ হে কান্দে। হুদু চৰায়ে যদি খৰাং বতৰৰ সময়ত একেৰাহে তিনিৰাতি কান্দে তেনেহ'লে বৰষুণ হয় বুলি এটি জনবিশ্বাস আছে। সেয়ে হুদু বা হুদুম চৰাইক ইন্দ্ৰৰ প্ৰতীক বুলি ধৰা হয়। কিন্তু হুদুম চৰাই ক'ত থাকে তাক সময়মতে বিচাৰি উলিওৱা টান আৰু তাক ধৰাও টান। সেয়ে এতিয়া পূজাথলীত এডাল কলগছ পুতি তাৰ গুৰিত মাটিৰ চপৰাৰে হুদুম চৰাইৰ এটি প্ৰতিকৃত বনোৱা হয়। উলঙ্গ হৈ নচাৰ কাৰণে বহতে ভাবিব পাৰে, এনে নিৰ্লজ্য আচৰণ কিয়? ইয়াৰ উত্তৰত ইয়াকে ক'ব পাৰি যে আজিকালি বাথৰুমত বহতে উলঙ্গ হৈ গা নোধোৱে নে? বাথ ৰুমত যদি উলঙ্গ হব পৰা যায় তেন্তে লোকালয়ৰ বাহিৰত অমাৱস্যাৰ ঘোৰ অন্ধকাৰত উলঙ্গ হৈ নৃত্য গীত কৰাত আপত্তি কি থাকিব পাৰে? দ্বিতীয় কথা, পূজা কৰা হয় ইন্দ্ৰদেৱতাক সন্তুষ্ট কৰাৰ কাৰণে। ইন্দ্ৰ দেৱতা যে চৰিত্ৰহীন দেৱতা তাক সকলোৱে জানে। গতিকে, ৰাইজৰ মঙ্গল কাৰনে, দেশৰ মঙ্গলৰ কাৰণে খৰাং বতৰত বৰষুণ দিবলৈ চৰিত্ৰহীন দেৱতাগৰাকীক সন্তুষ্ট কৰিবলৈ তিৰোতাসকলে উলঙ্গ হৈ নৃত্য কৰে। ইন্দ্ৰ দেৱতা হে, মানুহ নহয়। মানুহে নেদেখাকৈ দেৱতাৰ আগত উলঙ্গ হোৱাত বাধা কি?

সোনাৰায় পূজা কোনো দেৱতাৰ পূজা নহয়। ই হ'ল বনৰজা বাঘৰ পূজা। আজিকালি যাক 'ৰয়েল বেঙ্গল টাইগাৰ' বুলি কোৱা হয় তাক আমাৰ এই ফালে 'বৰ বাঘ' বুলি কোৱা হয়। বৰ বাঘ মুগা বৰনীয়া। মুগা বৰনটো সোণৰ দৰে। সোনক আমি। 'সোনা' বুলি কওঁ। 'ৰায়' শব্দৰ অৰ্থ 'ৰজা'। গতিকে 'সোনাৰায়' ৰ অৰ্থ হ'ল বনৰজা। 'বৰবাঘ' আগৰ কালত হাবি-বন বহুত বেছি আছিল। বাঘৰ উপদ্ৰবো আছিল বহুত বেচি। সন্ধিয়া হ'লেও গোহালীৰ পৰা বাঘে গৰু টানি লৈ যোৱাটো নিত্য-নৈমিত্তিক ঘটনা আছিল। এনেকি দিন দুপৰতো পালৰ পৰা বাঘে গৰু মাৰি লৈ গৈছিল। উপায়হীনহৈ মানুহে বাঘক অৰ্থাৎ বনৰজাক কৰিবলৈ পাতিছিল পূজা। ইয়াৰ নাম হ'ল সোনাৰায় পূজা।

আমাৰ মাজত কৃষি সম্পৰ্কীয় পূজাও আছে। শালি ধান ৰুৱাৰ প্ৰথম দিনটোক 'গোছা দিয়া' বুলি কোৱা হয়। পঞ্জিকাত ধান ৰোপন'ৰ তাৰিখটো চাই 'গোছা দিয়া' হয়। প্ৰথমতে পৰিয়ালৰ এজনক 'গোছা লোৱা' হিচাপে বাছনি কৰা হয়। পঞ্জিকামতে পৰিয়ালৰ যিজনৰ আয়, ব্যয়, স্থিতি ভাল সেই জনেই। 'গোছা লয়'। গোছা লোৱাজন মতাও হ'ব পাৰে, তিৰোতাও হ'ব পাৰে নাইবা লৰাও হব পাৰে, ছোৱালীও হ'ব পাৰে। নিৰ্দিষ্ট দিনা পুৱাই গা-পা ধুই, একো নোখোৱাকৈ চহোৱা পথাৰখনত নিয়ম-নীতিৰে বন্তি জ্বলাই পূজা কৰি কঠিয়া ৰুব লাগে। তাৰ পিছত আহিন মাহৰ সংক্ৰান্তিৰ দিনা বিশেষ নিয়ম নীতিৰে ধাননি পথাৰত বন্তি দিব লাগে। ঔ টেঙাৰ খোলোপাত বাঁহৰ কাঠিৰে খোচ মাৰি কাঠি ডাল ধাননি পথাৰত মাজত ওখকৈ পুতি ৰখা হয়। তাৰ ওপৰত থকা ঔ টেঙাৰ খোলোপাটোত তেল শলিতা দি চাকি জ্বলোৱা হয়। ইয়াকে 'কাতি গোছা' বুলি কয়। কাতি গোছা কাতি বিহুৰ নামান্তৰ। ধান পৰিয়ালে প্ৰথম ধান কটাৰ দিনটোক 'আগ অনা' বুলি কোৱা হয়। 'আগ অনা'ৰ বাবেও পৰিয়ালৰ নিৰ্দিষ্ট দিনত ধাননি পথাৰত পূজা কৰি ওগোছা ধান কাটি মূৰৰ ওপৰত দুহাতেৰে ধৰি ঘৰলৈ আনে। পাক ঘৰৰ দুৱাৰ মুখত তাক উৰুলি ধ্বনিৰে আদৰা হয়। এৱা গাখীৰ মিহলোৱা এলোটা পানীত তুলসীপাত আৰু দুৰ্ব্বা দি দুৱাৰ মুখৰ চালৰ ওপৰত ঢালি দিয়া হয়। সেই সময়তে ঘৰৰ গিৰিহতিনীয়ে ধানৰ গোছাটো লৈ ঘৰ গোসানী থানৰ ওপৰত ধানৰ কিছুমান শীষ ওলোমাই বান্ধি ৰাখে। বাকী থকা ধানৰ শীষবোৰ ভঁৰালত থৈ দিয়ে। প্ৰথম ধানৰ মৰনা মৰাৰ দিনাও বুঢ়া-বুঢ়ী খেদা নামেৰে এটা অনুষ্ঠান পতা হয়। তাৰ পিছত দিন বাৰ চাই এদিনা 'ন খোৱা' নবান পাতে। অৱশ্যে 'নবান্ন'ক সকল ৰাজবংশী কৃষ্টি বুলি কব নোৱাৰি। কাৰণ, অসম আৰু বঙ্গৰ সকলো হিন্দুই নবান্ন খায়। কিন্তু ৰাজবংশীসকলৰ নবান্নৰ নিয়ম-নীতি বোধ হয় বেলেগ ধৰণৰ। আমি নবান্নৰ দিনা সাতপুৰুষৰ উদ্দেশ্যে পিণ্ডদান কৰোঁ, সন্ধিয়া সময়ত প্ৰথমে গৰুক নবান্ন খুৱাও, এনেকি শিয়ালৰ বাবেও এভাগ নবান্ন বাৰীৰ পিছ ফালে থৈ আহো। তাৰ পিছতহে ৰাতি আমি নবান্ন খাওঁ।

অ'ৰি মাগা বা এউৰি মাগা আন এটি কৃষ্টি। পুহ মাহৰ পূৰ্ণিমাৰ দিনাৰ পৰা সন্ধিয়াৰ পৰা ৰাতি সাত- আঠমান বজাৰ সময়লৈকে ডেকাবোৰে ঘৰে ঘৰে অ'ৰি মাগি ফুৰে। ইয়াৰ গানবোৰৰ সুৰ-তাল-মান উত্তৰ কামৰূপৰ মহোহো গীতবোৰৰ লগত একে ধৰণৰ। গানগোৱাৰ সময়ত কোনো বাদ্যযন্ত্ৰ নবজায়। প্ৰত্যেকৰ হাতত একোডালকৈ বাঁহৰ টাঙোন থাকে। টাঙোনেৰে গৃহস্থৰ চোতালত খুন্দিয়াই খুন্দিয়াই গীত গায়। গৃহস্থৰ ঘৰত আহিয়েই প্ৰথমতে এ শিবে বা "শিৱ শিৱম শিবে" বুলি জয়ধ্বনি দিয়ে। তাৰ পিছত গাবলৈ আৰম্ভ কৰে আৰু গীত গোৱাৰ অন্তত আকৌ "এ শিবে" বুলি জয়ধ্বনি দিয়ে। ই বোধহয় মহ নিৰ্ম্মূল কৰণ অভিযান। আগৰ কালৰ হাবিবন আৰু খাল-ডোবা আদি বেচি। তাত মহৰ উৎপত্তি বেছিকৈ হৈছিল আৰু তাৰ পৰা ঘৰে ঘৰে মেলেৰিয়া জ্বৰ বিয়পি পৰিছিল। গতিকে মানুহে মহক শত্ৰুৰূপে জ্ঞান কৰিছিল। শত্ৰুৰ প্ৰতিশব্দ অৰি। অৰিৰ পৰা হৈছে 'এউৰি' গীতগোৱাৰ সময়ত এজনে গীত আৰম্ভ আৰু বাবোৰে 'অৰি অৰি' বা 'এউৰি এউৰি' বুলি দোহাৰে। ইয়ে মহ নিৰ্ম্মূলকৰণ অভিযান তাক কামৰূপৰ 'মহোহো' নামটোৰ পৰা বুজিব পাৰি।

OKDISCD

তেওঁলোকে গায়-

"মহোহো, মই মাৰক যাঁও চ"

আমাৰ ই ফালে গায়" মসৰে তেলে বাৰাবাতি জ্বলে।। অৰ্থাৎ মহ মাৰি তাৰ তেলেৰে বন্তি জ্বলায়। ইয়াৰ পৰা প্ৰতীয়মান হয় ই মূল নিৰ্ম্মূল কৰণ অভিযান। আৰু এটা কৃষ্টি আছে 'হোলি বা শ্ৰীকৃষ্ণৰ দৌলযাত্ৰাৰ সময়ত ডেকা আৰু ল'ৰাবোৰে হোলি মাগা গীত গাই ঘৰে ঘৰে ফুৰে আৰু ফাগু গুৰি ছটিয়াই আনন্দ উৎসৱ কৰে। বৰপেটা অঞ্চলত প্ৰচলিত হোলি গীতৰ লগত আমাৰ এইফালৰ হোলি গীতৰ সম্পূৰ্ণ মিল আছে। আমাৰ এইফালে বাঁহেৰে বনোৱা 'ঠিক ঠকি' ৰ বাহিৰে হোলি গীত গোৱাৰ সময়ত অইন বাদ্য যন্ত্ৰ নবজায়।

তিনিটা বিহু আমিও পালন কৰো। কিন্তু আমাৰ নাম বেলেগ বিহুৰ ৰীতি-নীতিবোৰ আমাৰ লগত একেধৰণৰ। ৰঙালী বিহু বা সাত বিহুক আমি কওঁ 'সাত বিহুৱা'। ৰঙালী বিহু আৰম্ভ হয় চ'ত মাহৰ সংক্ৰান্তিৰ দিনা। চ'ত মাহৰ সংক্ৰান্তিটোৰ নাম। মহাবিষুৱ সংক্ৰান্তি'। বিষুৱ শব্দৰ লগত উৱা প্ৰত্যেয় যোগ কৰি বিষুৱা শব্দটো হৈছে। কিছুমানে 'বিষিমা' বুলি কয়। ব্যাকৰণ মতে। বিষুৱা শব্দটোকে শুদ্ধ বুলি কব পাৰি! সাত বিহুৰ লগত আমাৰ সাত বিষুৱাৰ পাৰ্থক্যটো হ'ল এয়ে যে আমাৰ মাজত বিহুগীতৰ প্ৰচলন নাছিল। তাৰ পৰিৱৰ্ত্তে অবিভক্ত গোৱালপাৰা জিলা আৰু উত্তৰ বঙ্গৰ ঠাইত এদিনীয়া, তিনিদীনিয়া, সাত দিনীয়া আৰু গোন্ধৰ দিনীয়াকৈ বিভিন্ন থানত পূজা আৰু মেলা বহে। কাতি বিহুক আমাৰ ইয়াত কাতি গছা বুলি কয় আৰু সিদিনা ধাননি পথাৰত বন্তি দিয়া হয়।


ভোগালী বিহুটো আমাৰ ইয়াত বিভিন্ন নামেৰে পৰিচিত। যেনে দোমাহী, দোমাসী আৰু পুষুনা। ভোগালী বিহুটো ভোগৰে উৎসৱ। লাডু-পিঠাৰ উপৰিয়ো ৰাজবংশীলোকসকলে ভোগালী বিহুত 'আটকড়াই' আৰু টোপোলা ভাত' খায়। বন্নি চাউল, তিল আৰু মাহ মিহলাই আটকড়াই ভজা হয় আৰু তাৰ পিছত সৰু সৰু কৈ নাৰিকল কাটি তাৰ লগত মিহলাই খাবলৈ দিয়া হয় নতুন গুড়ৰ লগত। কুমলীয়া কলপাতত এমুঠিমানকৈ বন্নিচাউল টোপোলা বান্ধি বান্ধিব লাগে। গুড়েৰে বা দৈৰে সৈতে খাবলৈ আৰু বেচি ভাল লাগে।

যাত্ৰা পূজা কৰা হয় দূৰ্গা পূজাৰ দশমীৰ দিনা। ৰাজবংশীসকলে ঘৰে ঘৰে যাত্ৰা পূজা কৰে। যাত্ৰাপূজাৰ দিন নাঙল আদি কৰি যাতৱীয় কৃষি, সঁজুলি আৰু দা-কটাৰী, কোৰ-কুঠাৰ আদি ধুই-পখলি তুলসী গুৰিৰ কাষত থৈ প্ৰত্যেকতে সেন্দুৰৰ ফোট দিয়া হয়। তাৰ পিছত পঞ্চ দেৱতাক পূজা কৰা হয়। পূজাত পুৰোহিতৰ প্ৰয়োজন নাই। গৃহস্তই নিজে পূজা কৰে। পূজাৰ প্ৰসাদ হিচাপে দিয়া হয় চাউল-চিৰা। চাউল-চিৰা মানে চাউল আৰু চিৰা নহয়। বন্নি চাউলেৰে বনোৱা ই একৰকম চিৰা। কাৰ্ত্তন-ঘোষাত চাউল-চিৰাৰ উল্লেখ আছে। বিষহৰি পূজা মানে মানসদেৱীৰ পূজা।



ৰাজবংশী মানুহৰ মাজত বিষহৰি নামটো বেচি প্ৰচলিত। মনকৰ, দূৰ্গাবৰ আৰু কবি নাৰায়নদেৱৰ মনসা কাব্যত বিষহৰি নামটোহে বেছিকৈ উল্লেখ কৰা আছে। বিষহৰি ৰাজবংশী সকলৰ গৃহদেৱী। প্ৰত্যেকৰ ঘৰতে বিষহৰি থান আছে। বিয়াৰ সময়ত দৰা-কইনাই বিষহৰি থানত সেৱা কৰিব লাগে। সামৰ্থ্যৱান গৃহস্থই ল'ৰা-ছোৱালীৰ বিয়াৰ সময়ত 'মাৰৈ পূজা' পাতে। অৰ্থাৎ বিষহৰি পূজাৰ সময়ত 'মাৰৈ গান' গোৱাৰ ব্যৱস্থা কৰিলে সেই পূজাটোক মাৰৈ পূজা বুলি কোৱা হয়। মাৰৈ গান এদিনীয়া, তিনিদিনীয়া বা সাতদিনীয়াও হ'ব পাৰে। তিনিদিনীয়া বা সাতদিনীয়াকৈ হ'লে তাক 'গোটা মাৰৈ' বুলি কোৱা হয়। মুঠতে গৃহস্থৰ সামৰ্থৰ ওপৰত নিৰ্ভৰ কৰে।

কৃষ্টি সম্পৰ্কে লিখিবলৈ যথেষ্ট থল আছে যদিও ইয়াৰ সংক্ষিপ্তকৰণেৰে ৰাজবংশী সমাজৰ বা যিসকল এই বিষয়ত অজ্ঞ সেইসকলে ৰাজবংশী কৃষ্টি সম্পৰ্কে কিছু আভাষ পাওক বুলি এই লেখা তুলি দিয়া হ'ল। ■



জ্যোতিৰূপা ডেক'ৰেটৰ-টেণ্ট হাউচ

বিয়া, সভাসমিতিৰ লগতে উৎসৱ পাৰ্বনৰ বাবে
প্ৰয়োজনীয় সকলো ধৰণৰ সামগ্ৰী আৰু
ৰভা মঞ্চ ভাড়া দিয়া হয়।

স্থানঃ তামুলপুৰ পুৰণ চ'ক
জিলাঃ বাক্সা বি.টি.এ.ডি. (অসম)
ম'বাইল নংঃ ৯৮৫৯১৩৮৭০২



OKDISCD

# বৃহত্তৰ অসমীয়া জাতি গঠনত কোচ ৰাজবংশী জনগোষ্ঠীৰ ভূমিকা

■ পৰমেশ্বৰ ৰায়, অভয়াপুৰী

ভাৰতৰ উত্তৰ পূব প্ৰান্তত থকা বৃহৎ অসমীয়া জাতিৰ মাজৰ কোচ ৰাজবংশী জনগোষ্ঠীটো এটি উল্লেখযোগ্য জনগোষ্ঠী। অসমৰ বৰ্তমানৰ মুঠ জনসংখ্যাৰ (প্ৰায় ২ কৌটি ২২ লাখ জন) তিনি ভাগৰ এক অংশই এই জনগোষ্ঠীৰ লোক (প্ৰায় ৭০ লাখ)। কোনো এটা জাতি বা বৃহৎ জাতিগোষ্ঠী বিভিন্ন সৰু ডাঙৰ জনগোষ্ঠীৰ সন্মিলিত ৰূপ। আজিৰ বৃহৎ অসমীয়া জাতিও আগৰ বৃহৎ অসমৰ ভৌগোলিক সীমাৰেখাৰ মাজত থকা ৰাভা, গাৰো, মিচিং, দেউৰী, কোচ ৰাজবংশী, বড়ো-কছাৰী, কাৰ্বি, ডিমাচা, খাছীয়া,খাম্তি, লালুং, সোণোৱাল, ব্ৰাহ্মণ, কলিতা আৰু পমুৱা মুছলমান ভাইসকলৰ সন্মিনিত বিভিন্ন ভাষা-সংস্কৃতিৰ সমন্বয়ৰ এটি সুঁতি বুলি ক'ব পাৰি। এই সুঁতিৰ খৰস্ৰোতা ৰূপ আজি বিশ্ব দৰবাৰত আলোকিত হোৱাৰ সময়তেই যেন বিভিন্ন জনগোষ্ঠীৰ লোকসকল শঙ্কিত হৈ পৰিছে, নিজক হেৰুৱাই যোৱাৰ ভয়ত।

সকলোৱে বৰ্তমান স্বকীয় ভাষা সংস্কৃতিক উদ্ধাৰ কৰি নিজ নিজ জাতিসত্বাক বৃহৎ সমাজখনৰ লগত ফেৰ মাৰিব পৰাকৈ আগবাঢ়ি আহিবলৈ চেষ্টা কৰা দেখা গৈছে। যাৰ ফলত বিভিন্নম সময়ত উত্থাপিত হৈছে স্ব-নিয়ন্ত্ৰণৰ অধিকাৰ, বিভিন্ন অৰ্থনৈতিক সা-সুবিধাৰে সাংবিধানিক ৰক্ষণাবেক্ষণ। এনেবোৰ প্ৰৱণতা উদ্ভৱ হোৱাৰ বহুতো কাৰণ বিচাৰি পোৱা যায়। সেই কাৰণবোৰৰ অন্যতম প্ৰধান কাৰণ হ'ল অৰ্থনৈতিক। সময়ৰ কুটিল গতিত সমাজৰ সৰু সৰু জনগোষ্ঠীবোৰ বা অৰ্থনৈতিকভাবে দুৰ্বল জনগোষ্ঠীবোৰ বৃহৎ সমাজখনৰ লগত সকলোফালে প্ৰতিযোগিতাত ফেৰ মাৰিব নোৱাৰি ক্ৰমে ক্ৰমে লীন যোৱাৰ উপক্ৰম হৈছে। সেয়ে এইবোৰ জনগোষ্ঠীয়ে আজি ক্ৰমে ক্ৰমে অনুভৱ কৰিছে - তেওঁলোকৰ নিজ নিজ সত্বা বা স্বকীয় পৰিচয়।

কোনো এটি বৃহৎ জাতিক জাতি গঠনত অৰিহণা যোগোৱা সৰু সৰু জনগোষ্ঠীবোৰৰ স্বকীয় বিকাশ হ'লে জাতিৰ জাতীয় সংস্কৃতি অবক্ষয় হোৱাৰ বিপৰীতে ই বেছিকৈহে ডাল পাত মেলি ডাঙৰ বৃক্ষ স্বৰূপত পৰিণত হৈ এটি জাকতজিলিকা জাতিত পৰিণত হয় বুলি ক'ব পাৰি। ইয়াৰ বিপৰীতে বৃহৎ অসমীয়া জাতি আজি বিপদ সংকুল অৱস্থাত উপস্থিত হৈছে। ইয়াৰ মূল কাৰণ ৰাজনৈতিক।

আমি ভাবো, বৃহৎ অসমীয়া জাতিক জীয়াই ৰাখিবলৈ হ'লে অসমৰ দুৰ্বল সৰু সৰু জনগোষ্ঠীবোৰৰ লগতে অসম তথা ভাৰতৰ ভূমিপুত্ৰ কোচ ৰাজবংশীসকলক সাংবিদানিক ৰক্ষণাবেক্ষণ দি জীয়াই ৰাখিবই লাগিব। অসমৰ এই সৰু সৰু জনগোষ্ঠীবোৰৰ বহুতো অৱদান বৰ্তমান অসমীয়া জাতিটোৰ ওপৰত সদা বিদ্যমান। বৃহৎ অসমীয়া জাতি গঠনত কোচ ৰাজবংশী জনগোষ্ঠীটোৰ অৱদান কম নহয়। অসমৰ এই বৃহৎজনগোষ্ঠীটোৰ এসময়ত নিজস্ব ভাষা সংস্কৃতি আছিল। নিজস্ব কলা কৃষ্টি এতিয়াও বিদ্যমান। স্বকীয় ভাষা সম্পৰ্ণ লোপ হোৱা নাই যদিও লাহে লাহে সময়ৰ গৰ্ভত এইবোৰ লীন যোৱাৰ উপক্ৰম হৈছে। কোচ ৰাজবংশী ভাষা উত্তৰ বঙ্গৰ একাংশৰ লগতে অবিভক্ত গোৱালপাৰা জিলাৰ গাওঁসমূহত এতিয়াওঁ বিদ্যমান। ভাষাচাৰ্য গ্ৰীয়াৰ্চন চাহাৱে তেওঁৰ ভাৰতীয় ভাষা জৰীপ গ্ৰন্থত কৈ গৈছে যে, তেতিয়াৰ উত্তৰ-পূব ভাৰতত কোচ ৰাজবংশী ভাষা কোৱা লোক আছিল। ১৯০১ চনৰ পিয়ল মতে কোচ ৰাজবংশী ভাষাত কথা কোৱা লোকৰ সংখ্যা আছিল ১২,৫২২ জন (Census Report of India, 1902, Vol - VI, Pt. IP 340) । ১৯২১ চনৰ লোকপিয়ল ভিত্তিক সেই দশকত কোচ ৰাজবংশী ভাষাত কথা কোৱা লোকৰ সংখ্যা ১৬,১৬৫ জন বুলি ভাষাচাৰ্য গ্ৰীয়াৰ্চন চাহাবে তেওঁৰ ভাৰতীয় ভাষা জৰীপ গ্ৰন্থত দেখুৱাইছে।

আকৌ ডেল্টন চাহাবেও কোচ ৰাজবংশীসকলক নিজস্ব ভাষা সংস্কৃতিৰে ভাৰতবৰ্ষৰ এটি পুৰণিতম জনগোষ্ঠী বুলি স্বীকাৰ কৰিছে।

আনহাতে জে দি এণ্ডাৰচন চাহাবৰ বক্তব্যই প্ৰমাণ কৰে যে, কোচ বুলি এটি পুৰণি ভাষা আছিল। (It would seen then that the language spoken in ancient Koch Kingdom which ectended from the Himalaya to the Bay of Bangal of Koch...... (introduction to the Kachries 1975, XVII)

এইবোৰ নানা তথ্য প্ৰমাণৰ পৰা ক'ব পাৰি যে, কোচ ৰাজবংশী জনগোষ্ঠী এটা সময়ত স্বকীয় ভাষা-কৃষ্টিৰে এটি জাকত জিলিকা জাতি আছিল। আজি সেই জাতি নানা ৰাজনৈতিক হেঁচাত জৰুলা প্ৰায় হৈ বিলুপ্তি হোৱাৰ পথত।

"আছিলো ৰাজাৰ বেটা হইলো খৰি কটা
আৰো ক'ত দিন কৰিয়া থাকিবি হেচা মাথা"

নিজ ভাষা কৃষ্টি, ৰাজ্য থকা এই জনগোষ্ঠীটোৱে আজি ওলাই আহিবলৈ বাধ্য হৈছে স্বকীয় অস্তিত্ব বিচাৰি, সাংবিধানিক ৰক্ষণাবেক্ষণ্যৰ দ্বাৰা কিছুমান অৰ্থনৈতিক সুবিধা বিচাৰি। এই জনগোষ্ঠীটোৱে তাহানিৰ পৰা কেতিয়াও অসমীয়া নহয় বুলি কোৱা নাই আৰু আজিও নকয়। অসমীয়া জাতিৰ পিতা, ভাষা কৃষ্টিৰ কাণ্ডাৰী জগতগুৰু শংকৰদেৱকো কোচ ৰজা নৰনাৰায়ণেই ৰক্ষা কৰিছিল আহোমৰ হাতত সাম্ভাব্য হত্যাৰ পৰা। নৰনাৰায়ণ আৰু চিলাৰায়ৰ তত্বাৱধানত জগত গুৰুজনাই ধৰ্ম প্ৰচাৰত, ভাষা কৃষ্টিৰ বিকাশত অৰিহণা যোগোৱাৰ বাবে আজি এই বৃহৎ অসমীয়া জাতি বিশ্ব দৰবাৰত মূৰ দাঙি উঠিব পাৰিছে। ভাষা আন্দোলন, মাধ্যম আন্দোলন সদৌ শেষত দেশৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত শ্বহীদ হোৱাসকলৰ শতকৰা ৭০ - ৮০ জন শ্বহীদো হয়তো এই সম্প্ৰদায়ৰেই হ'ব। অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত শ্বহীদ হোৱা প্ৰথম শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ এই কোচ ৰাজবংশী সম্প্ৰদায়ৰেই যুৱক। আনহাতে উত্তৰ শালমাৰা মহকুমাৰ




OKDISCD

অন্যতম শ্বহীদ খড়গপুৰ গাঁৱৰ মুকুনী বালা ৰায় আৰু অগণন......। বৰ্তমানৰ ৰাষ্ট্ৰ সন্তাসৰ বলি হোৱা মুক্তি কামী সংগ্ৰামীৰ আধাতকৈ বেচি সংখ্যক প্ৰতিভাসম্পন্ন যুৱকেই হ'ল এই সম্প্ৰদায়ৰ। প্ৰতিভাসম্পন্ন এই যুৱশক্তিবোৰৰ সময়ে সময়ে হৈ থকা অপচয়বোৰৰ কথা আমি সকলোৱে চিন্তা কৰিবৰ হ'ল। নহ'লে বৃহৎ জাতি গঠনৰ প্ৰক্ৰিয়াস্বৰূপ শ্লোগানবোৰ কাগজৰ বুকুতেই আবদ্ধ হৈ থাকিব। বৰ্তমান সময়ত আমি সকলোৱে সকলোকে পৰস্পৰে পৰস্পৰক চিনিবলৈ আৰু জানিবলৈ দৰকাৰ হৈ পৰিছে। সৰু সৰু জনগোষ্ঠীবোৰক ওপৰলৈ নিয়াৰ দায়িত্ব হ'ল সমাজৰ উচ্চস্তৰৰ লোকসকলৰ। কিন্তু তথাকথিত আমাৰ সমাজৰ বুদ্ধিজীৱীসকল বা উচ্চস্তৰৰ লোকসকল এই ক্ষেত্ৰত প্ৰায় নীৰৱ ভূমিকা গ্ৰহণ কৰি আহিছে। যাৰ ফলত সৰু সৰু জনগোষ্ঠীবোৰৰ লগতে কোচ - ৰাজবংশী জনগোষ্ঠীৰ মাজত আজি চাকৰি বাকৰিত, ব্যৱসায় - বাণিজ্যত, কাৰিকৰী দিশত থকা লোকৰ সংখ্যা নিচেই তাকৰ হৈ পৰিছে। জনসংখ্যাৰ ভিত্তি তুলনা কৰি চাকৰি বাকৰি এই জনগোষ্ঠীৰ লোক শতকৰা দহ ভাগ মানেই হ'ব। সিয়ো সৰু সুৱা চাকৰি বা নিম্ন সুবিধাতেই সীমাবদ্ধ। কোচ ৰাজবংশী জনগোষ্ঠীৰ নিজস্ব ভাষা থকা সত্বেও অসমীয়া ভাষা সংস্কৃতিৰ পূজা কৰি অহা এই সম্প্ৰদায়ৰ লিখক সাহিত্যিকসকলে (বিশেষকৈ নামনি অসমৰ) অসম সাহিত্য সভাৰ পৰাও যথাসময়ত সমদৃষ্টি নোপোৱা বুলি আক্ষেপ এটিও এই সম্প্ৰদায়ৰ লোকৰ মাজত আছে। যি ক্ষোভৰ চিনস্বৰূপ ১৯৯৩ ইং চনৰ ২২ মে তাৰিখে কোকৰাঝাৰ চহৰৰ প্ৰগতি ভৱনত "কোচ ৰাজবংশী সাহিত্য সভা" নামৰ এটি অনুষ্ঠানৰ ইতিমধ্যে জন্ম হৈছে। এনেকুৱা জনগোষ্ঠী বা উপ জনগোষ্ঠীয় অনুষ্ঠান প্ৰতিষ্ঠানবোৰে আজি নিজ ভাষা কৃষ্টি বিচাৰি ইতিমধ্যে ইতিহাসৰ অটল গহ্বৰলৈ সোমাবলৈ প্ৰয়াস কৰিছে নাইবা তাৰ বাবে যথোপুক্ত ব্যৱস্থা গ্ৰহণ কৰিছেই।

খ্ৰীষ্টপূৰ্ব ৪০০০/৫০০০ বছৰৰ ভাৰতৰ পুৰণি গ্ৰন্থ ঋকবেদত উদ্ধৃত থকা কোচসকল আজি বৃহৎ অসমীয়া জাতিৰ জাতীয়কৰণত বিভিন্ন সময়মত বিভিন্ন প্ৰকাৰে অৰিহণা যোগোৱা সত্বেও আজি এই জাতিটো নিজকে অৱহেলিত আৰু ভৱিষ্যতত বিলুপ্তি হোৱাৰ শঙ্কাত ত্ৰাসিত হোৱাৰ উপক্ৰম হৈছে। আজি বৃহৎ অসমীয়া জাতিৰ কাণ্ডাৰীসকলে এই জনগোষ্ঠীটোক সাংবিধানিক সুৰক্ষা নিদিলে সময়ৰ চকৰিত কোচ ৰাজবংশী জাতিটো হেৰাই যাব আৰু এনেবোৰ হবলৈ দি থাকিলে সময়ৰ গৰ্ভত অসমীয়া জাতিও জীন যোৱাৰ বাবে বেচি দিন নেলাগিব।



# কোচ ৰাজবংশী জাতিৰ সংস্কৃতি

■ প্ৰদীপ চহৰীয়া
মহলীয়াপাৰা

সৌন্দৰ্য বোধটোক সাৰ্থকতা দি মানৱতাৰ বিশ্বাভিমুখী গতিটোৱে অবিৰাম ভাৱে যি ৰূপ -ৰেখাৰ সৃষ্টি কৰে সেয়ে হ'ল মানৱ সংস্কৃতি। সময়ৰ গতিত অতীত আৰু বৰ্তমানৰ লব্ধ অভিজ্ঞতাই সংস্কৃতিৰ আধাৰত পৰিণত হয় আৰু পৰিবৰ্তিত পৰিস্থিতিত সাংস্কৃতিক পৰম্পৰাক ৰক্ষা কৰোতে উদ্ভৱ হোৱা সমস্যাৰ সমাধান সূত্ৰত দিক্ষীত হৈ আনুগত্যপূৰ্ণ অনুশীলনীয়েই পৰিশেষত চাৰিত্ৰিক বৈশিষ্ট্যতাৰো জন্ম দিয়ে। এই চাৰিত্ৰিক বৈশিষ্ট্যতাক ৰক্ষাৰ নিমিত্তে গ্ৰহণীয় নীতিসমূহৰ আবেষ্টনীতেই কোচ ৰাজবংশী জাতিৰো বিদ্যমানতাক ইতিহাসৰ গতিবেগৰ লগত সঙ্গতি দেখুৱাই চমুভাৱে আলোচনাৰ পাতনি মেলা হ'ল।

দূৰন্ত কালৰ সোঁতত উটি - ভাহি নোযোৱাকৈ নানান পৰিবৰ্তনৰ মাজেদি পৃথিৱীৰ বুকুত আজিও বিচৰণ কৰি পৰিসীমিত সংখ্যক লোকগোষ্ঠীৰ ভিতৰতে কোচ ৰাজবংশী জাতিটো অন্যতম। নানা পৰিবৰ্তনৰ মাজতো নিজৰ স্বকীয়তা আৰু অস্তিত্ব ৰক্ষা কৰি থাকিব পৰা বাবে কোচসকল এটা মহাজাতি। এই জাতিটোৰ ইতিহাস আৰু সংস্কৃতিৰ ওপৰত পৰ্যালোচনা কৰিবলৈ গ'লে শিৱ-পাৰ্বতীৰ কথাতহে গুৰুত্ব দিবলগীয়া হয় কাৰণ কোচসকলৰ সাংস্কৃতিক, ধৰ্মীয় জীৱন আছিল ঘাইকৈ শিৱ-পাৰ্বতীকেন্দ্ৰিক।

নানা ৰূপত, নানা ভাৱত শিৱ - পাৰ্বতী কোচসকলৰ গৃহ দেৱতা, গৃহ দেৱী। কোচ ৰাজবংশী যুৱক - যুৱতীসকলৰ বিয়াত লেনিয়াই গোৱা গীতত নিশাটোৰ বাবে দৰা শিৱ আৰু কইনা পাৰ্বতীলৈ উন্নীত হয়। সময়ে সময়ে শিৱ - পাৰ্বতীৰ ভয়ানক কাজিয়া লাগে আৰু এই ভয়ানক কাজিয়াও কোচৰ অন্যতম বণিক চান্দ সদাগৰৰ লটি ঘটি হোৱাত বেউলা লক্ষীন্দৰৰ কাহিনীৰ সৃষ্টি হয়। মাৰৈ পূজাৰ কাহিনী ৰচিত হয়। এই মাৰৈ পূজাই অসমত নামনিত ভাষণ যাত্ৰা'ত আৰু উজনিৰ ফালে ই 'ওজাপালি' ৰূপে পৰিগণিত হয়।

সময়ৰ সোঁতত নানা পটভূমিৰ মাজেদি গতি কৰিবলগা হোৱা কাৰণেই অৰ্থাৎ আৰ্যকৰণ হোৱাৰ ফলত কোচসকলৰ সংস্কৃতি বিচিত্ৰ হৈছে। আৰ্যকৰণৰ গোড়ামীৰ অত্যাচাৰৰ প্ৰতিবাদত প্ৰাচীন আৰু মধ্যযুগৰ কোচসকলৰ লীলা ক্ষেত্ৰতেই জৈন আৰু বৌদ্ধ মতবাদৰ সৃষ্টি হৈছিল। পৰৱৰ্তী কালতো কোচসকলৰ লীলা ভূমিতেই ব্ৰাহ্মণ্যবাদ তথা পুৰোহিত তন্ত্ৰবাদৰ সৃষ্টি হয় আৰু এই পুৰোহিত তন্ত্ৰবাদৰ আতিশয্যত উদাৰপন্থী নৱ বৈষ্ণৱবাদৰ কৰ্ষণ হৈছিল মহাৰাজ নৰনাৰায়ণ আৰু চিলাৰায়ৰ ৰাজত্ব কালত। কোচ ৰাজশক্তি ভাঙি চিঙি দুৰ্বল

আক্ৰাচুৰ উদ্যোগত আয়োজন কৰা চিলাৰায় দিৱস উপলক্ষে প্ৰকাশ কৰা স্মৰণিকা

হৈ যোৱাৰ লগে লগে শ্ৰীমন্ত শংকৰদেৱৰ অনুগামীসকলে স্থিতি হেৰুৱাই পেলাইছিল। লগে লগে ইছলামপন্থীসকলৰ প্ৰবেশৰ পথ মুকলি হৈছিল। কামৰূপ কমতা ৰাজ্যৰ কলা কৃষ্টিৰ চৰ্চাৰ কেন্দ্ৰটো কোচবিহাৰৰ মধুপুৰৰ পৰা স্থানান্তৰিত হৈছিল কলিকতালৈ। কোচ-হাজো ৰাজ্যৰ সাহিত্য, কলা-কৃষ্টিৰ চৰ্চা কেন্দ্ৰ স্থানান্তৰিত হৈছিল যোৰহাটলৈ। ইয়াৰ ফলত একালৰ ৰঙে-ৰূপে-ৰসে ভৰপূৰ ভাটিৰ ৰংপুৰ নৱ.বৈষ্ণৱবাদীসকলৰ মধুপুৰ, ৰাজকীয় শক্তিৰ আধাৰ কমতাপুৰ, গৌৰীপুৰ, অভয়াপুৰ, বিদ্যাপুৰ আদি পৰিত্যক্ত শিবিৰত পৰিণত হৈছিল।

ৰত্নপীঠৰ একালৰ অন্যতম অংশ আজিৰ উত্তৰ বংগৰ নিচিনাকৈ পূৰ্বৰ গোৱালপাৰা জিলাৰ অঞ্চলোপ্ৰাচীন গীত, গীতিনাট্য আদিৰ কাৰণে বিখ্যাত। ঐতিহাসিক ছবি থকা গ্ৰাম্য জীৱনৰ প্ৰেম-প্ৰীতি আৰু সৃষ্টিৰ ৰহস্যমুক্ত এই গীতবোৰে যুগ যুগ ধৰি জনসাধাৰণৰ মন আপ্লুত কৰি ৰাখিছে। আজিও ৰাজবংশী লোকগীত বা গোৱালপৰীয়া লোকগীত বুলিলে শ্ৰোতাৰ মন ৰোমাঞ্চিত হৈ উঠে। ই সমগ্ৰ অসমীয়া মানুহৰ অতি জনপ্ৰিয়। কিছুমান নৃত্যগীতে সাম্প্ৰদায়িক সম্প্ৰীতি আৰু জাতীয় সংহতিৰ গাঁথনি হিচাপে বছৰ বছৰ ধৰি অৱদান যোগাই আহিছে। বিশ্লেষণ কৰিলে ইয়াৰ বহু কাৰণ ওলাব পাৰে। খুব সম্ভৱ কিৰাতসকলৰ বিহাৰ ক্ষেত্ৰ আজিও মৰনৈ, চান্দ সদাগৰৰ লীলাক্ষেত্ৰ চান্দ দিঙা, ৰঘুদেৱ আৰু পৰীক্ষিত নাৰায়ণৰ ৰাজধানী বিজয়পুৰ মোগলৰ পূৱ প্ৰান্তৰ ঘাটি জাহাঙ্গীৰবাদ ইত্যাদি এই ভূ খণ্ডৰ বিভিন্ন সংস্কৃতিৰ সংঘাতে বহুমুখী সাংস্কৃতিক উপাদানৰ অৰিহণা যোগাইছে। সেয়ে বোধকৰো এই অঞ্চলতেই আটাইতকৈ বেছি বাৰেবৰণীয়া নৃত্য-গীত, আচাৰ ব্যৱহাৰৰ মাত কথা আজিৰ একবিংশ শতিকাতো বৰ্তি থাকিব পাৰিছে।

এই বাৰেবৰণীয়া নৃত্য গীতবোৰৰ বিষয়ে থোৰতে ক'ব লাগিছে এই জিলাৰ মুখোস নৃত্য আৰু হুদুম দেওনৃত্য প্ৰাগ-ঐতিহাসিক যুগৰ পৰাই প্ৰচলিত অৱদান। মইনামতী বা মৰিসমতী গীত তান্ত্ৰিক প্ৰধান। সোণা ৰায়ৰ গীত কোচ মুছলমানৰ যুটীয়া অৱদান, বাশ (বাঁহ) পূজাৰ গীত শৈৱ প্ৰধান, শৈৱ আৰু শাক্তৰ সংঘাতৰ প্ৰতীক পদ্ম পুৰাণ, বাশী পুৰাণ, বৌদ্ধ যুগৰ শেষ ভাগৰ উত্তৰ অঞ্চলৰ সৃষ্টি। কাতিপূজাৰ গীত আৰ্য আৰু ম্লেচ্ছ্য সৃষ্ট, কুশান গান কোচসকলৰ নিজস্ব অৱদান। দেহতত্ত্বৰ গীতত বৈষ্ণৱ মতবাদৰ উপৰিও ফৰিকসকলৰ প্ৰভাৱ বিদ্যমান। সত্য পীৰৰ মনাই যাত্ৰা মাওফেলৰ গীতত মুছলমান আৰু কিৰাতসকলৰ প্ৰভাৱ পৰিলক্ষিত হয়। এইদৰে কোচসকসলৰ লীলাভূমি ৰত্নপীঠৰ এই ভূ-খণ্ডৰ নানা জাতি উপজাতিৰ পলস কৰি বাৰে - বৰণীয়া সংস্কৃতিৰে স্বয়ং সম্পূৰ্ণ হৈ আছে। এই কেঁচা সোণবোৰক সুৰগা চৰিব আৰু তেতিয়াহে প্ৰাচীন কামৰূপ ঐতিহ্যমণ্ডিত সকলোৰে ৰত্নপীঠ হৈ পৰিব।

কোচ-ৰাজবংশীসকলৰ সংস্কৃতিৰ ওপৰত আজিও বিস্তৃত গৱেষণা হোৱা নাই। সমলবোৰ হেৰাই যোৱাৰ আগতেই, উৎসবোৰ শুকাই যোৱাৰ পূৰ্বেই বৰ্তমান সংতুচিত হৈ পিছপৰা সম্প্ৰদায় হিচাপে ঘোষিত হোৱা কোচ ৰাজবংশীসকলৰ মাজত ব্যৱহৃত হৈ থকা লোকাচাৰ, লোকগীত, লোকনৃত্য, তন্ত্ৰ - মন্ত্ৰ, খাদ্যাভাস (যেনে শীদল, মাটিকলাইৰ লগত পঠাৰ মাংস, চেকাৰ ব্যৱহাৰ, বাঁহৰ গজালি, শুকান মাছৰ ব্যৱহাৰ, শাক শুকাতি খোৱা, কাপোৰ বোৱা, পাটানি পিন্ধা) আদিত কোচ সংস্কৃতিৰ সমলবোৰ সোমাই আছে।

জাতি তত্ত্ববিদ সকলৰ মতে— বৰ্তমান কোচ জাতিটো পূৰ্বৰ ক্ষত্ৰিয় ৰজাসকলৰ পৰা উদ্ভৱ হোৱা যোদ্ধা জাতি যেন লাগে। এনে ধৰণৰ মতামত পোষণ কৰাৰ একমাত্ৰ কাৰণ হ'ল— এই জাতিটো বিভিন্ন পৰিবৰ্তনৰ মাজেদি আগুৱাই আহি বলগা হোৱাটো। এই ক্ষেত্ৰত আজিলৈ কোনো সুস্থিৰ মতামত আহবঢ়াব পৰা নাই। শৰীৰ গঠন, গাৰ বৰণ, চুলিৰ প্ৰকাৰ, কোনো ভয় নকৰা স্বভাৱ, তোষামোদ কৰিব নজনা মনোবৃত্তি, স্পষ্টবাদিতা, কৰ্তব্য বিমুখ নোহোৱা, মিছা কথা ক'ব নজনা আদি প্ৰবৃত্তিৰ পৰাও ভালদৰে বিচাৰ কৰি চালে এই জাতিটো যে যুঁজাৰু ক্ষত্ৰিয় বংশধৰ তাক নুই কৰিব নোৱাৰি।

বৰ্তমান চৰকাৰৰ প্ৰতিৰক্ষা বাহিনীত কোচ ৰাজবংশী জাতিৰ সৈন্যবিলাকে যে বৰঙণি জোগাইছে বোধহয় পূৰ্ব ভাৰতৰ আন কোনো জাতিয়ে তেনে বীৰত্ব আৰু কৰ্তব্য পৰায়ণতাৰ নিদৰ্শন দেখুৱাব পৰা নাই। এই জাতিৰ পাৰিবাৰিক পূৰাতত্ব, ভাষা, চৰিত্ৰ, সভ্যতা, আচাৰ নীতি জ্ঞান, বিশ্বাস, শৌৰ্য, বীৰ্য ইত্যাদি আলোচনা কৰিলে ধৰ্ম বিপ্লৱ, ৰাষ্ট্ৰ বিপ্লৱাদি নৈসৰ্গিক মহাশক্তিৰ হেঁচাত নিগৃহীত ভাৰত পুৰাণৰ ক্ষত্ৰিয় জাতিৰ বংশধৰ বুলি সহজে অনুমান কৰিব পাৰি। এই জাতি যে সঁচাকৈ বীৰ আৰু ক্ষত্ৰিয়ৰ ৰক্ত প্ৰবাহিত তাৰ হাজাৰ প্ৰমাণৰ উপৰিও এটা সাধাৰণ প্ৰমাণৰ পৰা পাওঁ যে, ১৯১৫ চনত প্ৰায় ৫০০ ৰাজবংশী ক্ষত্ৰিয়ে সৈন্য অকল গোৱালপাৰা জিলাৰ পৰা ভিন ভিন সৈন্য বিভাগত অৱস্থান কৰি ফ্ৰান্স, বেলজিয়াম, ইটালী, বাগদাদ, ইজিপ্ত আদি ৰাষ্ট্ৰত বৈজ্ঞানিক প্ৰক্ৰিয়াৰে পৰিচালিত সমুখ সমৰত বীৰত্ব প্ৰকাশ কৰি গোৰ্খা আৰু শিখ আদি প্ৰখ্যাত বীৰ জাতিৰ সৈতে সক্ষমতা লাভ কৰি সেনাপতিৰ দৃষ্টি আকৰ্ষণ কৰিছিল। উদাহৰণ স্বৰূপে ফৰাচী সেনাধ্যক্ষই ক্ষত্ৰিয় সমিতিলৈ দিয়া এখন প্ৰশংসামূলক চিঠিত লিখিছে—

"The man of this Khatriya community make better soldiers than most of the others." (ৰাজবংশী ক্ষত্ৰিয় সমিতিৰ চতুৰ্থ অধিবেশনত দিয়া সভাপতিৰ অভিভাষণ-চাপৰ, ১৯৩৩) সেই একে কথাকে আমি সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ স্মাৰক পত্ৰত পাওঁ—

The assamese nation is highly indebted to the Koch King for its language, literature, culture and arts. The Koch is a martial race and makes fine soldiers. The people formed the army of Maharaja Naranarayana and conqurred countries for him. For defence of the country and for the Preservation of health and hole, this people

fought breavely and vailantly against the Magals, the Ahoms, the Gauroes and the Bhutias for about the country. Rajbonshies join the milatary departments in large in the first and second world war, displayed fine qualities of a soldier and the superior officers spoke very highly of them. In the military slang they are called Jharuas. rm (From Jharforest which abound in Assam).

এই জাতিৰ শৌৰ্য-বীৰ্যৰ কথা কেৱল পুৰুষৰ মাজতেই সীমাবদ্ধ কৰি ৰাখিলে ভুল কৰা হ'ব। নাৰীৰ মাজতো ক্ষত্ৰিয় শক্তিৰ পৰিচয় পোৱা যায়। সেয়া তেওঁলোকৰ কথিত ভাষাত সদায় ব্যৱহাৰ কৰি থাকে। যেনে -

নাটাইক কৰিম ধনু টাকুৱাক কৰিম শৰ।
যঁতৰৰ ৰথত চৰি যাম কেৰুৱাক কৰিম ডৰ।।
প্ৰাণৰ বৈৰীক সানিম মাল পাশত বান্ধিয়া।
সোৱামী পুত্ৰ মৰিল ৰণত মই ৰম কিহৰ লাগিয়া।।

ই মানেই বীৰত্ব কোচ ৰাজবশী তিৰোতাৰ। হাতত অস্ত্ৰ নাই, স্বামী-পুত্ৰই যুদ্ধত প্ৰাণ দিলে গতিকে যঁতৰৰ যাৱতীয় সৰঞ্জামকে লগত লৈ প্ৰাণৰ বৈৰীক যঁতৰৰ মাল পাশৰ দ্বাৰা বন্দী কৰি আনিব। নহ'লে যুদ্ধত প্ৰাণ দিব। কি প্ৰাণময়ী, আৱেগময়ী ভাষা কিন্তু কালৰ সোঁতত সেই বীৰ সন্তান প্ৰসৱিনী ৰমণীসকলে অতি দুখ কৰি দীৰ্ঘ হুমুনিয়াহ কাঢ়িছে।

"আগত আছিলং কৌশল্যা,
দ্ৰৌপদী, সীতা, দময়ন্তী।
হাগুৰী-পাদুৰী হৈলং
কাণত গিন্ধিলং অন্তি।।"

— আগেয়ে কোচ ৰাজবংশী তিৰোতাবিলাকক ৰাণী আৰু ৰাজকণ্যা আখ্যা দিয়া হৈছিল। কিন্তু এতিয়া দুৰৱস্থাত পৰি জুৰুলা হৈছে। সেয়ে দুখ কৰি আপোন মনে কৈছে—

"হায় ! উনলং মাথা ব্ৰাউলাং কেশ,
সেমন জাতেৰ ই কেন বেশ।"

যদিও আজি এই নাৰীসকলৰ এনে অৱস্থা তথাপি এই বীৰ ৰমণীসকল স্বাৱলম্বী। নিজৰ বাহুবলৰ ওপৰত ভৰ দি চলিব পাৰিছেয।

"যঁতৰ আমাৰ তেজ মঙহ
যঁতৰ আমাৰ হিয়া
যঁতৰৰ দৌলত আমাৰ
সাত বেটাৰ বিয়া।" ইত্যাদি।

পৰিশেষত এটা কথা ক'ব পাৰি যে, কোচ ৰাজবংশী জাতিটোৰ সংস্কৃতি হ'ল বাৰে-বৰণীয়া। নিজস্ব সংস্কৃতি থাকিলেও হয়তো ই সময়ৰ সোঁতত হেৰাই যাব পাৰে। নতুবা কোচ ৰাজবংশীসকলৰ ওপৰত এখনি প্ৰামাণ্য গ্ৰন্থ প্ৰণয়নৰ সম্বল নথকাৰ বাবেও ই বাৰে বৰণীয়া হ'ব পাৰে। কিন্তু ইতিহাসে চুকি পোৱাৰে পৰা দেখা যায় যে— মধ্যযুগৰ পৰা নিৰ্দ্ধাৰিত হোৱা কোচসকলৰ সংস্কৃতিৰেই এটা অংশ বিশেষ।

সহায়ক গ্ৰন্থ ঃ "কোচ ৰাজবংশী জাতিৰ ইতিহাস", লেখক - অধ্যক্ষ শ্ৰীঅম্বিকা চৰণ চোধুৰী।



# সমবেত সঙ্গীত

জাগ জাগ চাওঁৱা চাওঁৰী
ভূমিপুত্ৰ ৰণুৱা দল
আমাৰ ভাষা আমাৰ কৃষ্টি।
ৰাখো আমি ন সমাজৰ
চিকুন মাটিত।
জাক।
আমাৰ চিনাকী দেশৰ মাটিত
আমাৰ চিনাকী জাতীয় সাজৰ পাটনীত।
আমিয়ে গঢ়িব খোজো
জাতি ভেদৰ প্ৰাচিৰ ভাঙি
সাম্য মৈত্ৰীৰ সুৰৰ ধ্বনি
জাক জাক
শৌৰ্য্য বীৰ্য্যং কমতাপুৰী
কাহনীওঁ নহয়
ইতিহাস বিলীন
ধৰ্ম ভাষা কলা কৃষ্টি
চৰ্চিত বুলি জানা বিশ্ববাসী
এনে জাতি আমি ৰাজবংশী।

কথা ঃ প্ৰফুল্ল মেধী
সুৰ ঃ মুনিন্দ্ৰ নাথ তালুকদাৰ

গাওঁ আমি আজি
ঐক্য কণ্ঠে মিলি
কৃষ্টিৰ সুৰীয়া গান"
বিশ্বৰ বুকুত শান্তিকামী আমি
গাওঁ তোমাৰেই গান।
আমাৰ আছে বিশুৱা,
আমাৰ আছে লখিমি,
আৰু আছে বিশুমা,
বহুৰেকত আংগিনা ভৰিপাৰে আনন্দে
কি যে ৰূপে মনমোহা,
হাসা, পেওচি, চন্দ্ৰহাৰ, বালা, দুল
পিন্ধি
ৰূপে জিলিকে কিযে মনৰোমা।।
পাটানী, আগুৱানী তোমাৰেই সৃষ্টি
জাতিৰ ৰাখিছে নাম,
সবে মিলি আমি ৰাখিম তোমাৰেই মান।
পঙ্খৰজী পাটানী আৰু দোপাটী
তেলেৰে আওচা, মুচা ৰালি
বিবাহে জিলিকে হালি জালি,
কুসান, মাইশাল, পালাৰ ভাৱাইয়া
আৰু যে কত' মাহুত বন্ধুৰ গান,
সাগাই প্ৰিয় সৰল হৃদয়েৰে
গাই যাম মিলনৰ গান।।

সুৰ ঃ অৱনিকান্ত মহন্ত
সুৰ ঃ অনুপ নাথ

ওপৰৰ গীত দুটি চাৰিশ আঠাৱৈবৃতম্ চিলাৰায় দিৱসৰ অনুষ্ঠান উপলক্ষে ৰচিত আৰু পৰিৱেশিত।



OKDISCD

# জিলা আক্ৰাছুৰ কিছু চিন্তা

জয় জয়তে মই সেই সকল মহান ব্যক্তিলৈ আন্তৰিক শ্ৰদ্ধা নিবেদিছো- যি সকল ব্যক্তিৰ অক্লান্ত প্ৰচেষ্টাত আৰু একান্ত নিষ্ঠাৰ ফলত সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা চমুকৈ "আক্ৰাছুৰ" জন্ম হৈছিল আৰু যিসকল ব্যক্তিৰ আশেষ অগ্ৰসৰ হ'ল লগতে দেশ আৰু জাতিৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত শ্বহীদ হোৱা জ্ঞাত অজ্ঞাত কোচ জনগোষ্ঠীৰ বীৰ বীৰাঙ্গনা সকলক স্মৰণ কৰিছো, অসমৰ প্ৰায় ২ কৌটি ২২ লাখ জনসংখ্যাৰ ৭০ লাখেই নিজস্ব ভাষা, সাহিত্য, সংস্কৃতি, কলা কৃষ্টিৰে সমৃদ্ধ কোচ জনগোষ্ঠীসকল সামাজিক , ৰাজনৈতিক, শিক্ষা, ধৰ্ম আদিৰ মাধ্যমত অসমীয়া জাতি গঠনত অৰিহণা যোগাই যোৱা বীৰ চিলাৰায় আৰু নৰনাৰায়ণ বংশোধৰ কোঁচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতি কৰণত একশ্ৰেণী সুবিধা বাদিয়ে হেঙাৰ ৰূপে থিয় হৈ বিভেদৰ বীজ সিচি লাঞ্চিত বঞ্চিত হলেওঁ ইতিহাসেৰে পৰিপূৰ্ণ কোচ ৰাজবংশী জনগোষ্ঠীটোৱে এক বিন্দু তেজ থকা লৈকে সংবিধান প্ৰদত্ত প্ৰাপ্য আদায়ত ব্ৰতী হৈ এই ১৯৬৭ চনৰ পৰাই নিজস্ব ভাষা সাহিত্য, সংস্কৃতি, কলাকৃষ্টিৰ লগতে জনজাতি কৰণ কৰাৰ স্বাৰ্থত অলৰ অচৰ ভাবে আন্দোলন কৰি আহিছে, লগতে জনজাতি কৰণৰ বাবে প্ৰয়োজনীয় চৰকাৰী সকলো বিধি ব্যৱস্থা সম্পূৰ্ণ হোৱাৰ পিছতো প্ৰতিটো গাদী দখল কাৰী আঞ্চলিক তথা সৰ্বভাৰতীয় ৰাজনৈতিক দলেই দৃষ্টি কুট ভাবে প্ৰতাৰণা আৰু বঞ্চনা কৰি আহিছে। প্ৰতিটো বিধান সভা আৰু লোক সভা নিৰ্বাচনত কোচ ৰাজবংশী সকলৰ আৱেগ, অনুভূতিক লৈ ৰাজনৈতিক হেতালি খেলি অহাই নহয় ৰাজনৈতিক ভাবেও অস্পৃশ্য জ্ঞান কৰি আহিছে। জনজাতি কৰণৰ দাবীত বহু বছৰ ধৰি আন্দোলন কৰাৰ পিছত ১৯৯৬ চনৰ ২৭ জানুৱাৰীত ভাৰতৰ মহামান্য ৰাষ্ট্ৰপতিয়ে এক আধ্যাদেশৰ জৰিয়তে কোচ ৰাজবংশীসকলে জনজাতিৰ মৰ্য্যাদা লাভ কৰিওঁ বৰ দুখ আৰু পৰিতাপেৰে সেই মৰ্য্যাদা কোচ ৰাজবংশী হেৰুৱাব লগা হ'ল। এয়া চৰকাৰৰ চৰম অৱহেলা আৰু কোচ ৰাজবংশী বিৰোধী ষড়যন্ত্ৰকাৰীৰ ৰাজনৈতিক ষড়যন্ত্ৰৰ ফল। কোচ ৰাজবংশী সকলৰ যদি কোনো ইতিহাসেই নাছিল তেনেহলে কিহৰ ভিত্তিত কেন্দ্ৰীয় চৰকাৰে অধ্যাদেশ জাৰি কৰি কোচ সকলক জনজাতিৰ মৰ্য্যাদা প্ৰদান কৰিছিল ! কিয় ?

সেয়েহে কোচ ৰাজবংশীসকল ঘৰত বহি থকাৰ সময় নাই, নিজক লৈ ব্যস্ত হোৱাৰ সময় নাই অলপ জাতিটোৰ কথা ভাবি নিজৰ গৃহ ভূমি কমতাপুৰ ৰাজ্য উদ্ধাৰৰ হেতু আজি আমি মাৰ বান্ধি থিয় হবৰ হ'ল। হাত সাৱটি বহি থাকিলে আমাৰ স্বপ্ন স্বপ্ন হৈয়ে ৰব। অভিজ্ঞতা পূৰ্ণ নেতাৰ নেতৃত্বত সৎ মানসিকতা আৰু ঐক্যতাৰ বান্ধোনেৰে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ ষড়যন্ত্ৰমূলক কাইটিয়া দুৰ্গম পথ



অতিক্ৰম কৰি আমাৰ স্বভূমি ঘুৰাই অনাৰ স্বাৰ্থত যুৱ শক্তিয়ে কান্ধপাতিলৈ যুদ্ধ কালিন তৎপৰতাৰে আগবাঢ়িবলৈ সংকল্পবদ্ধ হোৱাৰ সময়।

জয় শুক্ল ধ্বজ ৰাই
কমতাপুৰ বিনে গতি নাই।
কোচ কমতা বাসী এক হওঁক,
সুকীয়া কমতাপুৰ ৰাজ্য গঠন হওঁক।

■ শ্ৰীজিতেন দাস
■ শ্ৰীজিতু মণী ৰাজবংশী
যুটীয়া সম্পাদক
*নলবাৰী জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)*

## আমাৰ সন্তানবোৰক সুশিক্ষিত আৰু সুনাগৰিক কৰাৰ স্বাৰ্থত নিচাযুক্ত আৰু মাদক দ্ৰব্য বৰ্জন কৰক।

* নিচাযুক্ত আৰু মাদক দ্ৰব্যই সমাজৰ কোনো ধৰণৰ কল্যাণ নাসাধে।
* নিচাযুক্ত আৰু মাদক দ্ৰব্য সেৱনত জ্ঞানীৰো জ্ঞান আৰু বিবেচনা লোপ পাই।
* নিচাযুক্ত দ্ৰব্য এনে এক বৰবিহ যাক এবাৰ সেৱন কৰাৰ পিছত সেই দ্ৰব্যৰ গ্ৰাসৰ পৰা সহজে মুক্ত হ'ব নোৱাৰি।
* নিচাযুক্ত আৰু মাদক দ্ৰব্যই পাৰিবাৰিক আৰু সামাজিক শান্তি বিনষ্ট কৰে।
* কম বয়সতে নিচাযুক্ত দ্ৰব্য আৰু মাদক দ্ৰব্য সেৱন কৰা জনে পঢ়া শুনালৈ পিঠি দিয়ে। সৎচিন্তা, সৎকৰ্ম আৰু সৎসংগক শত্ৰু জ্ঞান কৰে। সৰ্বশেষত নানা অপকৰ্মত লিপ্ত হৈ পৰিয়াল আৰু সমাজৰ অভিশাপ হৈ উঠে।

## আহক, আমি সকলোৱে মিলি নিচাযুক্ত দ্ৰব্য আৰু মাদক দ্ৰব্যৰ বিৰুদ্ধে এক শক্তিশালী আন্দোলন গঢ়ি তোলো।

*ৰাজ্যিক নিচাযুক্ত দ্ৰব্য আৰু মাদক দ্ৰব্য নিবাৰণী পৰিষদ অসম, শিলপুখুৰী গুৱাহাটী - ৩ দ্বাৰা প্ৰচাৰিত।*



OKDISCD

# অভ্যাৰ্থনা সমিতিৰ কাৰ্য্যকৰী

## সভাপতিৰ দু-আষাৰ.....

জয় জয়তে বৃহত্তৰ অসমীয়া জাতি গঠনৰ অন্যতম পুৰোধা ব্যক্তি মহাৰাজ নৰনাৰায়ণৰ লক্ষ্মণ সদৃস ভাতৃ বিশ্ববীৰ চিলাৰায়ৰ পৱিত্ৰ জন্ম জয়ন্তীত শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছো। এইজনা বীৰ পুৰুষৰ মৰিমাময়ী গুণৰ ভূষনেৰে বিভূষিত কোচ ৰাজবংশীৰ আজিৰ এই দুৰ্যোগৰ সময়ত তেওঁৰ লৌহ সম কৰ্ম স্পৃহাই অমাক সকলোকে উৎসাহিত কৰি উত্তৰ পুৰুষৰ হকে কল্যান সাধনৰ বাবে পন কৰি যাওঁ হ'ক। আমি, আজি আধুনিক বিশ্বৰ আধুনিক মনৰ লগত মিলি যোৱাৰ পূৰ্বে আমাৰ পূৰ্বজক পাহৰি গ'লে ভুল কৰাই নহয় ই য়ে আমাৰ সৰ্বনাশো মাতিব। সেয়ে, একতাবদ্ধ ভাৱে,সু-শৃংখল চিন্তা আৰু কৰ্মৰ মাজেদি আগবাঢ়ি যোৱাৰ পৰিকল্পনা গ্ৰহণ কৰি তাক বাস্তৱত ৰূপ দিব লাগিব, অন্যথাই আমাক উত্তৰ পুৰুষে কেতিয়াও ক্ষমা নকৰিব। আজিৰ এই পৱিত্ৰ ৪৯৮ তম্ চিলাৰায় দিৱস অনুষ্ঠানটি তামুলপুৰৰ বুকুত পাতিবলৈ- লৈ তাকেই পন হিচাপে গ্ৰহণ কৰো হ'ক।

আজিৰ এই পৱিত্ৰ উৎসৱটি উদ্‌যাগন কৰিবলৈ লওঁতে আমি নানান সমস্যাৰ সন্মুখীন হৈছো, বিশেষকৈ আৰ্থিক দুৰ্ভোগ ইয়াৰ গৌন কাৰণ হিচাপে থিয় দিলেও গোষ্ঠীয় চেতনা হীনতা ইয়াৰ মুখ্য কাৰণ হিচাবে দেখা দিছে, তৎসত্বেও আমি সেই বাধাক অতিক্ৰমী অনুষ্ঠান পৰিচালনা কৰোতে যিসকল ব্যক্তি, অনুষ্ঠান, সংগঠন প্ৰতিষ্ঠানে আৰ্থিক, নৈতিক, কায়িক সহযোগ দান কৰিলে তেওঁলোকৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। লগতে জাতি-ধৰ্ম-বৰ্ণ-গোষ্ঠী নিৰ্বিশেষে সহযোগ কৰা প্ৰতিজন ব্যক্তিৰ লগতে, আক্ৰাছুৰ কেন্দ্ৰীয় সমিতি, নলবাৰী জিলা সমিতি আৰু তামুলপুৰ আঞ্চলিক সমিতি আৰু আমন্ত্ৰিত, বিশিষ্ট অতিথি আটাইলৈ আন্তৰিক শ্ৰদ্ধা আৰু সন্মান জনাই "চিলাৰায়" দিৱস উদ্‌যাগনৰ প্ৰকৃত উদ্দেশ্য সফল হ'ব বুলি আশা প্ৰকাশ কৰি আজানিত ভুল-ভ্ৰান্তিৰ বাবে দিৱস পৰিচালনা সমিতিৰ তৰফৰ পৰা ক্ষমা প্ৰাৰ্থনা কৰিলোঁ।

জয় শুক্ল ধ্বজ ৰায়

জয়তু কোচ ৰাজবংশী ছাত্ৰ সন্থা

ইতি—

শ্ৰীমঠুৰা মহন্ত

কাৰ্য্যকৰী সভাপতি

চিলাৰায় দিৱস পৰিচালনা সমিতি

২১/২/২০০৮ ইং



# সাময়িকী



মানৱ সভ্যতাৰ বুৰঞ্জীত কতনা উত্থান, কতনা পতন চিৰাচৰিত ভাৱে যে হৈ আছে সেই কথা দোহৰা নিস্প্ৰয়োজন। এই উত্থান-পতনৰ ধাৰাবাহিকতাৰ পৰা কাৰো ৰেহাই নাই। আমাৰ দেশীয় বুৰঞ্জীত ৰাজ-ৰাজেশ্বৰৰ ৰাজনৈতিক, সাংস্কৃতিক সামাজিক পৰিৱৰ্ত্তনৰ ধাৰাবাহিকতাত কতনা ইতিহাস বিস্মৃতিৰ গৰ্ভত বিলিন হৈছে তাৰ লেখ-জোখ পাবলৈ নাই। সময়ে সময়ে একোটা জনগোষ্ঠী কিম্বা গোষ্ঠীয় শাসকৰ সামন্তীয় চিন্তাৰ কেকোৰা চেপাত ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-গোষ্ঠীৰ নিজস্ব বুৰঞ্জী বিলিন হৈ ধবংস প্ৰাপ্ত হৈছে। ই সময়ৰ উপহাস আজি ভাৰতৰ গৌৰৱময় বুৰঞ্জীৰ পৃষ্ঠা লুটিয়ালে এই দৈন্যতা স্পষ্টত প্ৰকাশ পায়।

আজি দেশীয় ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-জনজাতিৰ লোক সকলে নিজকে ভূমি পুত্ৰ বুলি দাবী কৰি নিজৰ পৰিচয় বিচাৰি হাহাকাৰ কৰিব লগা হৈছে, এনেকি নিজৰ ভাষা, নিজৰ সংস্কৃতি উদ্ধাৰৰ নামত আত্ম বলিদান দিব লগাওঁ হৈছে। জাতি-গোষ্ঠা একোটাই যেতিয়াই এনে সমস্যাৰ সন্মুখীন হৈছে তেতিয়াই এই সমস্যাৰ আশু সমাধানৰ বাবে একো একোজনা বীৰ পুৰুষে অৱতাৰ লৈ সমস্যাৰ কান্ধপাতি দায়িত্ব পালন কৰিছে। অসমৰ সামাজিক, সাংস্কৃতিক বুৰঞ্জীত মহাৰাজ নৰনাৰায়ণ কিম্বা চিলাৰায় এনে এক প্ৰতিভূ। কোচ ৰাজবংশীৰ সামূহিক অগ্ৰগতিত এইজনা বীৰ পুৰুষৰ অৱদান অনস্বীকাৰ্য্য। ভড়ালত ধান থাকিও পেটত পানী-গামোচা ৱান্ধিব লগা এইজনা বীৰ পুৰুষৰ বংশধৰ সকলে আজি নকৈ পুনৰ চিন্তা কৰিবলৈ লাগিছে— আমি হেৰুৱালো কি, পালো কি আৰু পামগৈ বা কি? এনে এক সামূহিক প্ৰশ্নৰ অৱতাৰণা হোৱা বাবেই হয়তো অসমৰ বৃহত্তৰ ছাত্ৰ সংগঠনৰ দৰে "আক্ৰাছুৰো" জন্ম হ'ল। সৃষ্টি বা ধ্বংস কেতিয়া ক'ত কেনেকৈ হয় সেই কথা কোনেও নাজানে ই সময়ৰ বিচাৰ। সময়ৰ প্ৰয়োজনত ই নিজেই গঢ় লৈ উঠে। আক্ৰাছুৱেও আজি নিজ গোষ্ঠীয় অধিকাৰ বিচাৰি সংগ্ৰাম কৰিছে। সেই বুলি এইটো নহয় যে আন গোষ্ঠীৰ স্বাৰ্থ বাধাপ্ৰাপ্ত হওঁক। প্ৰতিটো জনগোষ্ঠীয়ে সংবিধান প্ৰদত্ত অধিকাৰ ভোগ কৰক তাক ক'বলগীয়া নাই। সেই বুলি নিজস্ব অধিকাৰ বিচাৰি সংগ্ৰাম কৰোতে কনোবাই বাধাৰ প্ৰাচীৰ হওঁক সেইটো হ'ব নোৱাৰে, ইতিহাসে তেনে ব্যক্তি বা গোষ্ঠীকো ক্ষমা নকৰে বা কৰাও দেখা নাযায়।

কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ জন্মও




OKDISCD


এইটি প্ৰেক্ষাপটতেই, আজি আমি সেইজনা মহাবীৰ চিলাৰায়ৰ চাৰিশ আঠানব্বৈতম্ জন্ম দিৱসটি তামুলপুৰৰ বুকুত পাতি বলৈ লওঁতে সদৌটি ৰাইজক আবেদন জনাও যে— আমাক সোণৰ চামুচ নেলাগে, আমি মাটিৰ মানুহ, কেঁচা মাটিৰ কেঁচা গোন্ধত আমাৰ জন্ম সেয়ে আমি বিচাৰো আমাৰ মাটিৰ অধিকাৰ, কৃষ্টি-সংস্কৃতিৰ অধিকাৰ, জীয়াই থকাৰ অধিকাৰ, এইখিনি পাবলৈ আমি জীৱনৰ শেষ সময়লৈ যুঁজি যোৱাৰ বিনে গতি নাই, আৰু এইখিনি নকৰিলে আমাৰ পূৰ্বজ আৰু পৰৱৰ্তী সময়ে কেতিয়াও ক্ষমা নকৰিব।

"জয় শুক্ল ধ্বজ ৰায়"

■ যোগেশ তালুকদাৰ
সম্পাদক আক্ৰাছু তাঃ আঃ সঃ



ডেইজী সীমা
ব্ৰইলাৰ ফীড চেন্টাৰ
ইয়াত উন্নত মানৰ ব্ৰইলাৰ
পোৱালী
আৰু দানা পোৱা যায়
প্ৰোঃ শ্ৰীসূৰ্য্য তালুকদাৰ





সভাপতি
চিলাৰায় দিৱস পৰিচালনা সমিতি


কাৰ্যকৰী সভাপতি
চিলাৰায় দিৱস পৰিচালনা সমিতি


সম্পাদক
চিলাৰায় দিৱস পৰিচালনা সমিতি


ভাৰপ্ৰাপ্ত সভাপতি
তামুলপুৰ আঞ্চলিক, আক্ৰাছু


সম্পাদক
তামুলপুৰ আঞ্চলিক, আক্ৰাছু


ভাৰপ্ৰাপ্ত সভাপতি
নলবাৰী জিলা, আক্ৰাছু


সম্পাদক
নলবাৰী জিলা, আক্ৰাছু


সম্পাদক
নলবাৰী জিলা, আক্ৰাছু


কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য
তথা মুখ্য উপদেষ্টা,
আলোচনী বিভাগ

OKDISCD

স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি



প্ৰচাৰ বিভাগ
তামুলপুৰ আঞ্চলিক, আক্ৰাছু





মূল সমিতি
তামুলপুৰ আঞ্চলিক, আক্ৰাছু



স্বেচ্ছাসেৱক বাহিনী



OKDISCD



খাদ্য বিভাগ



কাৰ্যালয় পৰিচালনা সমিতি



ৰভা-মঞ্চ আৰু প্ৰচাৰ বিভাগ

# সদৌ নলবাৰী জিলা কোচ-ৰাজবংশী ছাত্ৰ-সন্থাৰ কাৰ্য্যনিৰ্বাহক সমিতি

উপদেষ্টা মণ্ডলী ঃ
১) শ্ৰীপ্ৰবীণ ৰাজবংশী
২) শ্ৰীমহেশ ৰাজবংশী
৩) শ্ৰীতপেশ্বৰ ৰাজবংশী
৪) শ্ৰীগজেন তালুকদাৰ
৫) শ্ৰীবীৰেণ ৰাজবংশী

সভাপতি ঃ
১) শ্ৰীতপন দাস

উপ - সভাপতি ঃ
১) শ্ৰীমণ্টু ৰাজবংশী
২) শ্ৰীকিশোৰ দাস

সাধাৰণ সম্পাগক ঃ
১) শ্ৰীজিতুমণি ৰাজবংশী
২) শ্ৰীজিতেন ৰাজবংশী

সহঃ সাধাৰণ সম্পাদক ঃ
১) শ্ৰীকুমুদ বৰ্মন

প্ৰচাৰ সম্পাদক ঃ
১) শ্ৰীগদাধৰ ৰাজবংশী

সাংস্কৃতিক সম্পাদক ঃ
১) শ্ৰী শ্ৰীমন্ত তালুকদাৰ

শিক্ষা আৰু সমাজ সেৱা সম্পাদক ঃ
১) শ্ৰীমনোহৰ ৰাজবংশী

বিত্তীয় সম্পাদক ঃ
১) শ্ৰীমাধৱ চন্দ্ৰ দাস

কাৰ্য্যালয় সম্পাদক ঃ
১) শ্ৰীবশিষ্ট ৰাজবংশী

মূখ্য সাংগঠনিক সম্পাদক ঃ
১) শ্ৰীদিগন্ত কুমাৰ বৰ্মন

সাংগঠনিক সম্পাদক ঃ
১) শ্ৰীতৰণী ৰাজবংশী
২) শ্ৰীঅঙ্কুৰ ৰাজবংশী
৩) শ্ৰীৰঞ্জিত তালুকদাৰ

কাৰ্য্যানিৰ্বাহক সদস্য ঃ সঞ্জয়, সুভাষ, ধৰণী, দিপু, দয়াৰাম, কিশোৰ, শৰৎ

# চিলাৰায় সেনা, নলবাৰী জিলা

সেনাধ্যক্ষ ঃ ১) শ্ৰীপ্ৰদীপ কুমাৰ ৰাজবংশী
উপ সেনাধ্যক্ষ ঃ ১) শ্ৰীসঞ্জয় ৰাজবংশী.
২) শ্ৰীদ্বিপেন দাস
প্ৰচাৰ সচিব ঃ ১) শ্ৰীবলদেৱ ৰাজবংশী
সচিব ঃ ১) শ্ৰীধীৰাজ বৰ্মন
বিত্ত সচিব ঃ ১) শ্ৰীকিশোৰ দাস

সেনা সদস্য ঃ ১) শ্ৰীহিমান ৰাজকোচ
২) শ্ৰীহিমালয় ৰাজবংশী
৩) শ্ৰীসাগৰ কোচ
৪) শ্ৰী আকাশ চহৰীয়া
৫) শ্ৰী তাৰক জ্যোতি ৰাজ



OPDISCD

# তামুলপুৰ আক্ৰাছু আঞ্চলিক সমিতিৰ বিষয়-ববীয়া সকল

উপদেষ্টা ঃ
হেমন্ত তালুকদাৰ
নবীন বৰ্মন

সভাপতি ঃ
জগন্নাথ ৰাজবংশী

উপ-সভাপতি ঃ
ধ্ৰুৱজ্যোতি পাঠক

সম্পাদক ঃ
যোগেশ তালুকদাৰ

সহ-সম্পাদক ঃ
গোলাপ পাঠক

সাংগঠনিক সম্পাদক ঃ
ধ্বনীৰাম দাস
ৰজনী ৰাজবংশী
সুধৱ ৰাজবংশী

প্ৰচাৰ সম্পাদক ঃ
জয়ন্ত তালুকদাৰ

কাৰ্য্যালয় সম্পাদক ঃ
দন্দেশ্বৰ হুজুৰী
জোনমণি মহন্ত

সদস্যবৰ্গ ঃ বিৰেণ ৰাজবংশী, ধ্বনীৰাম দাস, ৰমেন ৰাজবংশী, কমল ৰাজবংশী, ধনেশ্বৰ মহন্ত, হিমাংশু মহন্ত, ছানুগোপাল দাস, সত্যৱান দাস, উমেশ দাস, মন্টু দাস, মুকুট ৰাজবংশী।

পদেন সদস্য ঃ প্ৰতিটো শাখা-সমিতিৰ সভাপতি সম্পাদকসকল।



# অভ্যৰ্থনা সমিতি ৪৯৮ তম্ চিলাৰায় দিৱস উদ্‌যাপন, তামুলপুৰ

মুখ্য পৃষ্ঠ পোষক ঃ শ্ৰীযুত গিৰিশ চন্দ্ৰ শৰ্মা।
শ্ৰীযুত লেহো বড়ো।

পৃষ্ঠ পোষক ঃ শ্ৰীজয় প্ৰকাশ সোণোৱাল।
শ্ৰীমদন মোহন মুছাহাৰি।

উপদেষ্টা মণ্ডলী ঃ শ্ৰীসনাতন দাস।
শ্ৰীনৰকান্ত দাস।
শ্ৰীআনন্দীৰাম দাস।
শ্ৰীমোহন বৰ্মন।
শ্ৰীগোপী দাস।
শ্ৰীঅভিৰাম দাস।
শ্ৰীমহেন্দ্ৰ নাথ দাস।

সভাপতি ঃ শ্ৰীযুত সত্য হজৰী।

কাৰ্য্যকৰী সভাপতি ঃ শ্ৰীযুত মথুৰা মহন্ত।

উপ সভাপতি ঃ শ্ৰীযুত জ্ঞানদেৱ সিংহ।
শ্ৰীযুত পৰশুৰাম দাস।

সম্পাদক ঃ শ্ৰীজগন্নাথ ৰাজবংশী

সহঃ সম্পাদক ঃ শ্ৰীযুত নগেন দাস।
শ্ৰীনিপুল তালুকদাৰ।

প্ৰচাৰ সম্পাদক ঃ শ্ৰীগুণজিৎ নমসুদ্ৰ।
শ্ৰীবীনা দাস।

ৰভা, মঞ্চ, তোৰণ, পোহৰ আৰু শব্দ ঃ সভাপতি ঃ শ্ৰীধনীৰাম দাস।
সম্পাদক ঃ শ্ৰীদ্বিপেন দাস।

খাদ্য বিভাগ ঃ সভাপতি ঃ শ্ৰীচন্দ্ৰকান্ত তালুকদাৰ।
সম্পাদক ঃ শ্ৰীৰঞ্জীত দাস।
সদস্য ঃ শ্ৰীনবিন বৰ্মন।

পৰিবহন বিভাগ ঃ পৱিত্ৰ দাস
ৰজনী ৰাজবংশী
প্ৰতাপ দাস



OKDISCD

তত্ত্বাৱধায়ক সাংস্কৃতিক বিভাগ ঃ শ্ৰীলব স্বৰ্গীয়াৰী।
সম্পাদক ঃ শ্ৰীঅনুপ নাথ।

## স্মৃতিগ্ৰন্থ বিভাগ —

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | শ্ৰীমাধৱ দাস<br>গোপাল বৰা |
| স্মৃতিগন্থ সভাপতি | ঃ | শ্ৰীযুত হৰিনাৰায়ণ দাস। |
| সম্পাদক | ঃ | শ্ৰীহেমন্ত তালুকদাৰ। |
| সদস্য | ঃ | শ্ৰীতীৰ্থৰঞ্জন মহন্ত, শ্ৰীপঙ্কজ দাস, শ্ৰীহিমাংশু মহন্ত। |
| স্বেচ্ছাসেৱক অধিনায়ক | ঃ | শ্ৰীধ্ৰুৱজীৎ ৰাজবংশী |
| অধিনায়িকা | ঃ | শ্ৰীনমিতা ৰাজবংশী |
| খেল বিভাগৰ সম্পাদক | ঃ | শ্ৰীজোনমনি মহন্ত আৰু শ্ৰীগুলজাৰী পাঠক |
| সম্পাদিকা | ঃ | শ্ৰীমতী নমিতা ৰাজবংশী |
| কাৰ্য্যালয় সম্পাদক | ঃ | শ্ৰীসঞ্জীৱ দাস।<br>শ্ৰীবসন্ত দাস। |

সদস্য বৰ্গ ঃ হেমন্ত দাস, ধনেশ্বৰ দাস, গিৰেন ৰাজবংশী, চিত্ৰ ৰাজবংশী, সূৰ্য্য তালুকদাৰ, কমল ৰাজবংশী, পংকজ দাস, ৰজনী ৰাজবংশী, গোলাপ পাঠক, জয়ন্ত তালুকদাৰ, কুলেন দাস।

"জয় শুক্ল ধ্বজ ৰাই"

সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু) ৰ উদ্যোগত
নলবাৰী জিলা
আৰু
তামুলপুৰ আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সহযোগত
কেন্দ্ৰীয় ৪৯৮ তম্ "বিশ্ব মহাবীৰ চিলাৰায়" দিৱস উদ্‌যাপন
তাৰিখ ঃ- ২১ আৰু ২২ ফেব্ৰুৱাৰী ০৮ ইং (৮ আৰু ৯ ফাগুন) বৃহস্পতিবাৰ আৰু শুকুৰবাৰ
স্থানঃ তামুলপুৰ শুক্লধ্বজ ক্ষেত্ৰ (তামুলপুৱ হৰি মন্দিৰ প্ৰাঙ্গণ)

প্ৰতি,
মাননীয়/ মাননীয়া,
..........................................................................................
..........................................................................................



মহাশয়/মহাশয়া,

সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ বৈপ্লৱিক অভিন্দনন গ্ৰহণ কৰিব। আগন্তুক "বিশ্ব মহাবীৰ চিলাৰায়"ৰ ৪ তম্ জন্ম দিৱসটি অহা ২১ আৰু ২২ ফেব্ৰুৱাৰী ' ০৮ ইং তাৰিখ বৃহস্পতিবাৰ আৰু শুকুৰবাৰে দুদিনীয়া কাৰ্য্যক্ৰমণিকাৰে কেন্দ্ৰীয়ভাৱে সদৌ নলবাৰী জিলা আৰু তামুলপুৰ আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সহযোগত তামুলপুৰ "শুক্লধ্বজ ক্ষেত্ৰ"ত (তামুলপুৱ হৰি মন্দিৰ) উদ্‌যাপন কৰাৰ প্ৰয়াস কৰা হৈছে।

ওপৰোল্লেখিত দুয়োদিনৰ সমূহ কাৰ্য্যসূচীতে আপোনাক / আপোনালোকক আমন্ত্ৰণ কৰাৰ লগতে পূৰ্ণ সহযোগিতা শ্ৰদ্ধাৰে কামনা কৰিলোঁ।

## ভৱদীয়

শ্ৰীবিশ্বজিৎ ৰায়, *সভাপতি*
শ্ৰীপ্ৰদীপ ৰায়, *সম্পাদক*
*সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা*

শ্ৰীসত্য ৰাম হুজুৰী, *সভাপতি*
শ্ৰীমথুৰা মহন্ত, *কাৰ্য্যকৰী সভাপতি*
শ্ৰীজগন্নাথ ৰাজবংশী, *সম্পাদক*
শ্ৰীনগেন দাস, *সহঃ সম্পাদক*
শ্ৰীনিপুল তালুকদাৰ, *সহঃ সম্পাদক*
*কেন্দ্ৰীয় চিলাৰায় দিৱস পৰিচালনা সমিতি।*

শ্ৰীতপন দাস, *ভাঃ প্ৰাপ্ত সভাপতি*
শ্ৰীজিতুমণি ৰাজবংশী, *ভাঃ প্ৰাঃ সম্পাদক*
*সদৌ নলবাৰী জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা।*

শ্ৰীধ্ৰুৱজ্যোতি পাঠক, ভাঃ প্ৰাঃ সভাপতি
শ্ৰীযোগেশ তালুকদাৰ, সম্পাদক
*তামুলপুৰ আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থা।*



OKDISCD

## কাৰ্য্যক্ৰমণিকা

**২১/০২/০৮ ইং বৃহস্পতিবাৰ**

ৰাতিপুৱা ৯-০০ বজাত : সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ পতাকা উত্তোলন।
উত্তোলক : শ্ৰীযুত বিশ্বজিৎ ৰায়,
সভাপতি - সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা।
ৰাতিপুৱা ৯-১৫ বজাত : কোচ ৰাজবংশী জাতীয় সংস্কৃতিক পতাকা উত্তোলন।
উত্তোলক : শ্ৰীযুত সত্য ৰাম হুজুৰী,
সভাপতি - চিলাৰায় দিৱস উদ্‌যাপন সমিতি।
ৰাতিপুৱা ৯-৩০ বজাত : শ্বহীদ বেদিত মাল্যাৰ্পণ।
মাল্যাৰ্পক : শ্ৰীযুত প্ৰদীপ ৰায়,
সাধাৰণ সম্পাদক সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা।
ৰাতিপুৱা ৯-৪৫ বজাত : বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ।
মাল্যাৰ্পক : শ্ৰীযুত প্ৰণৱ চন্দ্ৰ গোহাঁই,
উপায়ুক্ত - বাক্সা জিলা।
ৰাতিপপুৱা ১০-৩০ বজাত : খেল ধেমালি প্ৰতিযোগিতা।
উদ্বোধক : শ্ৰীযুত মাধব দাস, কাৰ্য্যনিৰ্বাহক সদস্য,
সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা।
সন্ধিয়া ৫-০০ বজাত : বন্তি প্ৰজ্বলন।
প্ৰজ্বলক : শ্ৰীযুত মথুৰা মহন্ত, কাৰ্য্যকৰী সভাপতি,
চিলাৰায় দিৱস উদ্‌যাপন সমিতি।
সন্ধিয়া ৬-৩০ বজাত : আলোচনা চক্ৰ।
বিষয় : অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত নৰনাৰায়ণ আৰু চিলাৰায়ৰ অৱদান।

**২২/০২/০৮ ইং শুকুৰবাৰ**

ৰাতিপুৱা ১০-০০ বজাত : সাংস্কৃতিক শোভা যাত্ৰা।
আগ ধৰিব : শ্ৰীযুত যতীন ডেকা,
মৌজাদাৰ - পূৱবাক্সা মৌজা।
আবেলি ১-০০ বজাত : মুকলি সভা।
সভাপতি : শ্ৰীযুত বিশ্বজিৎ ৰায়,
সভাপতি - সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা।
স্মৃতি গ্ৰন্থ উন্মোচন

OKDISCD



### মুকলি সভাৰ আমন্ত্ৰিত অতিথি সকল

মুখ্য অতিথি : শ্ৰীযুত কনকসেন ডেকা, সভাপতি,
অসম সাহিত্য সভা।
বিশিষ্ট অতিথি : শ্ৰীযুত অম্বিকাচৰণ চৌধুৰী,
বিশিষ্ট সাহিত্যিক।
: শ্ৰীযুত হাইদৰ হুছেইন, সম্পাদক,
অসমীয়া প্ৰতিদিন।
: শ্ৰীযুত অঞ্জন দত্ত, পৰিচালন সম্পাদক,
দৈনিক বাতৰি।
: শ্ৰীযুত চন্দ্ৰ মোহন পাটোৱাৰী, বিৰোধী দলপতি,
অসম বিধান সভা।
: শ্ৰীযুতা মনোৰঞ্জনা সিং, পৰিচালন সঞ্চালিকা,
এন.ই.টি.ভি.।
: শ্ৰীযুতা অঞ্জলী দৈমাৰী, আহ্বায়িকা,
ইণ্ডিজেনিয়াচ ওমেনচ্ ফৰাম অফ নৰ্থ ইষ্ট ইণ্ডিয়া।
: শ্ৰীযুতা আকাশী তৰা দত্ত,
বিশিষ্টা অভিনেত্ৰী।
আমন্ত্ৰিত অতিথি : শ্ৰীযুত চণ্ডী বসুমতাৰী, বিধায়ক,
তামুলপুৰ সমষ্টি।
: শ্ৰীযুত শব্দ ৰাম ৰাভা, সাধাৰণ সম্পাদক, ইণ্ডিয়ান কনফেডাৰেচন অফ ইণ্ডিজেনিয়াচ এণ্ড ট্ৰাইবেল পিপলচ্, উত্তৰ পূৱ মণ্ডল।
নিৰ্দিষ্ট বক্তা : শ্ৰীযুত নিৰমল কুমাৰ ৰায়, প্ৰাক্তন সভাপতি,
সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা।
আবেলি ৫-০০ বজাত : বন্তি প্ৰজ্বলন।
প্ৰজ্বলক : শ্ৰীযুত মদন মোহন মুছাহাৰী,
এম.চি.এল., বি.টি.চি.।
সন্ধিয়া ৬-০০ বজাত : সাংস্কৃতিক সন্ধিয়া।
মুকলি কৰিব : শ্ৰীযুত লেহো বড়ো,
বিশিষ্ট সাংস্কৃতিক কৰ্মী তথা খণ্ড উন্নয়ন বিষয়া, তামুলপুৰ।

## সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ

সুদিপ্ত ভৰদ্বাজ, গুৱাহাটী,
ক্যান কাশ্যপ, গুৱাহাটী,
মৌচুমী শৰ্মা, গুৱাহাটী
মৃদুস্মিতা কোচ, ধমধমা
শঙ্কৰ তালুকদাৰ, ধমধমা
বিবেশ কৌতুক গোষ্ঠী (লাফিং ট্ৰেইন), নলবাৰী


*With best compliments from......*

# DAYA ENTERPRISE

**Get HIGH END**

***PRINT QUALITY***

***at Affordable PRICE***

R.D. Road, Rangia, Kamrup (Asom) 781354
Cell : 03621-240119 (O) 03621-240946 (R) 94355-43640 (M)




তামুলপুৰ আক্ৰাছুৰ দ্বাৰা পোন প্ৰথমবাৰৰ বাবে আয়োজন কৰা কৃতী ছাত্ৰ-ছাত্ৰীলৈ সম্বৰ্দ্ধনা অনুষ্ঠানৰ এক দৃশ্য।






২০০৭ বৰ্ষৰ উচ্চতৰ/উচ্চমাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ আৰু আক্ৰাছুৰ দ্বাৰা সম্বৰ্দ্ধিত ছাত্ৰ-ছাত্ৰীসকল।

সম্বৰ্দ্ধনা সভাত উপস্থিত থকা ৰাইজৰ একাংশ।



OKDISCD






জনজাতিকৰণৰ
দাবীত নলবাৰী
জিলা আক্ৰাছুৰ
ৰেলপথ অৱৰোধ
কৰা দুটি দৃশ্য।

OKDISCD

কোচ ৰাজবংশীসকলক
জনজাতিকৰণ নকৰাৰ
প্ৰতিবাদত যোৱা ২২ আগষ্টত
তামুলপুৰ আঞ্চলিক আক্ৰাছুৱে
প্ৰধানমন্ত্ৰী ড° মনমোহন সিং আৰু
কেন্দ্ৰীয় মন্ত্ৰী পি আৰ কিন্দিয়াৰ
প্ৰতিকৃতি দাহ কৰা দৃশ্য।

